Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, APRIL 27, 2025 ■ দেওবাৰ, ১৩ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১৯ Guwahati, Assam ।। মূল্যঃ এটকা

## পাকিস্তানক সমৰ্থন! দধিচি ডিম্পলসহ গ্ৰেপ্তাৰ ১০ জন

ই-সংবাদ বিশেষ গুৱাহাটী-ওদালগুৰি, ২৬ এপ্ৰিলঃ দেশত তীব্ৰ সংকট ৭ পৃষ্ঠাত



শ্ৰীনগৰৰ ডাল হ্ৰদত নিৰাপত্তাৰক্ষীৰ পহৰা

## ভাৰতৰ ৰুদ্ৰমূৰ্তি দেখি বেকফুটত ইছলামাবাদ

# পাকিস্তানে তদন্ত কৰিব পেহেলগাম আক্ৰমণৰ

ইছলামাবাদ, ২৬ এপ্ৰিলঃ নিৰীহৰ তেজেৰে কাশ্মীৰ ৰক্তাক্ত কৰা পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতে ভাৰত-পাকিস্তানৰ সম্পৰ্কত শেষাংশ ৭ পৃষ্ঠাত চাওক



## গঢ়ো আহক মিলনৰ সেতু

■ ড০ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

ব্ৰহ্মপুত্ৰ নদৰ দুয়োপাৰে বিস্তৃত অসমৰ মাটি এনে এক সাংস্কৃতিক আৰু প্ৰাকৃতিক সমৃদ্ধিৰে ভৰপূৰ, য'ত শেষাংশ ২ পৃষ্ঠাত

## প্ৰতিৰক্ষা অভিযানৰ বা-বাতৰি পৰিৱেশনত নিষেধাজ্ঞা

# মিডিয়ালৈ কেন্দ্ৰৰ নিৰ্দেশনা

নতুন দিল্লী, ২৬ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগামত শেহতীয়াকৈ সংঘটিত ৰক্তক্ষয়ী সন্ত্ৰাসবাদী আক্ৰমণৰ পিছতে ভয়ংকৰ সংকটৰ সন্মুখীন পঞ্চম পৃষ্ঠাত


No. 41015/3/2024-BC-III
GOVERNMENT OF INDIA
MINISTRY OF INFORMATION AND BROADCASTING
'A' WING, SHASTRI BHAWAN,
NEW DELHI - 110001
Dated : 26th April, 2025

ADVISORY

To,
All Media Channels

**Subject: Advisory to all Media channels to refrain from showing live coverage of defence operations and movement of security forces reg.**

1. In the interest of national security, all media platforms, news agencies, and social media users are advised to exercise utmost responsibility and adhere strictly to existing laws and regulations while reporting on matters concerning defence and other security related operations.

2. Specifically: No real-time coverage, dissemination of visuals, or reporting based on "source-based" information related to defence operations or movement should be undertaken. Premature disclosure of sensitive information may inadvertently assist hostile elements and endanger operational effectiveness and the safety of personnel.

## ইৰানত বিধ্বংসী জুই! ইজৰাইললৈ সন্দেহৰ আঙুলি

নতুন দিল্লী, ২৬ এপ্ৰিলঃ বিধ্বংসী অগ্নিকাণ্ডই ভয়াৱহ আতংকৰ সূচনা কৰিলে ইৰানত। শনিবাৰে ইৰানৰ অন্যতম গুৰুত্বপূৰ্ণ সাগৰীয় শেষাংশ ৪নং পৃষ্ঠাত

## পেহেলগাম নৰসংহাৰ! ১৭৫ জনক গ্ৰেপ্তাৰ

শ্ৰীনগৰ, ২৬ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাত আজি পুনৰ ৩ নং পৃষ্ঠাত

## পেহেলগামৰ নৃশংস কাণ্ডৰ তদন্তত চাঞ্চল্যকৰ তথ্য! কাপোৰ খুলি পৰীক্ষা কৰা হৈছিল ধৰ্ম



নতুন দিল্লী, ২৬ এপ্ৰিলঃ ২২ এপ্ৰিলত সংঘটিত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ তদন্ত কৰি চাঞ্চল্যকৰ তথ্য প্ৰকাশ কৰিছে জম্মু-কাশ্মীৰ আৰক্ষী আৰু যৌথ তদন্তকাৰী ৭ পৃষ্ঠাত চাওক

## বব তেজৰ নৈ! ভাৰতক ভাবুকি পাক নেতাৰ

কৰাচী, ২৬ এপ্ৰিলঃ পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে জম্মু-কাশ্মীৰৰ ৮ নং পৃষ্ঠাত

## পাক সেনা বিষয়াৰ অতিদৰ্প

## অভিনন্দনৰ ফটো দেখুৱাই শিৰচ্ছেদৰ হুংকাৰ ভাৰতীয়ক

ইছলামাবাদ, ২৬ এপ্ৰিলঃ ভাৰতৰ লগতে সমগ্ৰ বিশ্বই গৰিহণা দিছে জম্মু-কাশ্মীৰৰ পেহেলগাম সন্ত্ৰাসবাদী ঘটনাক। এই ঘটনাক কেন্দ্ৰ কৰি ২ পৃষ্ঠাত চাওক

## বিকাশৰ জখলাৰে অসমক আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি

# পঞ্চায়ত নিৰ্বাচনক লৈ বিজেপিৰ সংকল্প-পত্ৰ প্ৰকাশ

ই-সংবাদ, গুৱাহাটী, ২৬ এপ্ৰিলঃ 'প্ৰতিষ্ঠিত চিন্তা, মতবাদ তথা ধ্যান-ধাৰণাক প্ৰত্যাহ্বান জনাই আমি যোৱা সময়ত চৰকাৰ পৰিচালনা শেষাংশ ৪নং পৃষ্ঠাত



## বেলুচ আৰ্মীৰ আক্ৰমণত নিহত ১০ পাকিস্তানী সেনা জোৱান

নতুন দিল্লী, ২৬ এপ্ৰিলঃ গৃহ সংঘাতত জৰ্জৰ 'সন্ত্ৰাস'ৰ দেশ পাকিস্তান। ৫ পৃষ্ঠাত

## হিমন্তক সমালোচনা গৌৰৱৰ

## পেহেলগাম আক্ৰমণক লৈ স্থানীয় ৰাজনীতি মুখ্যমন্ত্ৰীৰ!

ই-সংবাদ, মাজুলী, ২৬ এপ্ৰিলঃ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ বাবে মাজুলীত ভিৰ কৰিছে ষ্টাৰ কেম্পেনাৰে। ২৫ এপ্ৰিলত মাজুলীত কেন্দ্ৰীয় মন্ত্ৰী শেষাংশ ৩ পৃষ্ঠাত

## টকা দিলেই নিৰ্বিঘ্নে কিনিব পাৰি সেনাৰ পোছাক!

ই-সংবাদ, ২৬ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী কাণ্ডৰ পিছতে পুনৰ ভাৰতৰ চোৰাংচোৱা আৰু আইন প্ৰয়োগকাৰী সংস্থাৰ



সত্য প্ৰমাণিত হ'ল বিশেষজ্ঞসকলে বাৰে বাৰে ব্যক্ত কৰি অহা উদ্বেগ!

বিফলতা সম্পৰ্কে চৰ্চা চলিছে। অভিযোগ অনুসৰি, পেহেলগামত পৰ্যটকক আক্ৰমণ কৰিবলৈ অহাৰ সময়ত ভাৰতীয় ৫ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গঢ়োঁ আহক মিলনৰ সেতু

উজনিৰ পৰা নামনিলৈকে নানা বৈচিত্ৰ্যৰ মাজতো এক সমন্বয়ৰ সূত্ৰেৰে বান্ধ খাই আছে অসমীয়া জাতি। পূবে শদিয়াৰ পৰা পশ্চিমৰ ধুবুৰীলৈকে এই ভূখণ্ডৰ প্ৰতিটো ঐতিহ্যই অসমীয়া জীৱনৰ পৰিচয় বহন কৰে। এই বৈচিত্ৰ্যক বিভেদৰ সলনি একতাৰ উৎস হিচাপে গ্ৰহণ কৰাটোৱেই যুগ যুগ ধৰি চলি অহা আমাৰ পৰম্পৰা।

ব্ৰহ্মপুত্ৰ উপত্যকাক কেন্দ্ৰ কৰি গঢ় লৈ উঠা উজনি আৰু নামনিৰ ভৌগোলিক সীমাৰেখাই প্ৰাকৃতিক সৌন্দৰ্যৰ সৈতে সংস্কৃতিৰো দুটা স্বতন্ত্ৰ ধাৰা সৃষ্টি কৰিছে। উজনি অসমৰ পাহাৰ-বনাঞ্চল, চাহ-বাগিচা আৰু নামনি অসমৰ সমতল ভূমি, নৈ-বিল আদিয়ে প্ৰত্যেকৰে নিজস্বতা বহন কৰি আহিছে। কিন্তু এই ভৌগোলিক বৈশিষ্ট্যই কেতিয়াও অসমীয়া সমাজক বিভক্ত হ'বলৈ দিয়া নাই। বৰঞ্চ, প্ৰকৃতিৰ এই বৈচিত্ৰ্যই আমাক গৌৰৱৰ এটা সুযোগহে প্ৰদান কৰে।

উজনিৰ সত্ৰৰ ভক্তিমূলক গীতৰ সুৰেই হওক বা নামনিৰ গোৱালপৰাৰ লোকগীতৰ মাধুৰ্য, ভাষাৰ মৌখিক ৰূপৰ ক্ষেত্ৰত অসমীয়া ভাষাই ঠাইভেদে বিভিন্ন ৰূপ ধাৰণ কৰে। উদাহৰণস্বৰূপে, উজনিৰ ডিব্ৰুগড়, যোৰহাটত কোৱা অসমীয়া ভাষাত সংস্কৃত আৰু আহোম শব্দৰ প্ৰভাৱ স্পষ্ট। আনহাতে নামনিৰ কথিত ভাষাত কামৰূপী বা কোঁচ-ৰাজবংশী শব্দৰ মিশ্ৰণ দেখা যায়। কিন্তু এই অনৈক্যই আমাক কেতিয়াও পৃথক কৰা নাই। আজিও গোৱালপৰীয়া লোকগীত বা বৰপেটাৰ দৌল গীতৰ সুৰে আহ্লাদিত কৰে উজনিৰ প্ৰতিগৰাকী ব্যক্তিক। যেতিয়া আদিল হুছেইনে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বঁটা-বাহন লাভ কৰে, যেতিয়া জুবিন গাৰ্গ-পাপন মহন্তই নিজৰ প্ৰতিভাৰে অসমৰ বাহিৰত উজলি উঠে, তেতিয়া আমি কোনোৱেই নোসোধো তেওঁ উজনিৰ নে নামনিৰ। অসমক প্ৰতিনিধিত্ব কৰি ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰা সময়ত আমি সকলোৱেই তেওঁলোকক অসমীয়া হিচাপে আদৰ কৰোঁ, সন্মান যাচোঁ। এয়াই আমাৰ বৈচিত্ৰ্যৰ মাজতো ঐক্য। উজনি-নামনি সকলো ঠাইৰ মানুহেই নিজৰ প্ৰতিভাৰে ৰাজ্যখনৰ বাবে, জাতিটোৰ বাবে, মানুহখিনিৰ বাবে কাম কৰি আহিছে। ইয়াত অঞ্চল ভিত্তিত ভাগ ভাগ কৰি কোনেও নাচায়।

কিন্তু দুৰ্ভাগ্যজনকভাৱে, কিছু স্বাৰ্থপৰ গোটে উজনি-নামনিৰ সাংস্কৃতিক বৈষম্যক বিভেদৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰিব বিচাৰে। কেতিয়াবা ৰাজনৈতিক উদ্দেশ্যত, কেতিয়াবা সাম্প্ৰদায়িক মনোভাবেৰে এই শক্তিয়ে অসমীয়া সমাজৰ মাজত বিৰূপতাৰ বীজ ৰোপণ কৰে। উদাহৰণস্বৰূপে, ভাষিক বিশুদ্ধতাৰ নামত একাংশই নামনিৰ কথিত ভাষাক "অশুদ্ধ" বুলি আখ্যা দিয়ে, আনহাতে উজনিক কেতিয়াবা "অহংকাৰী" বুলি সমালোচনা কৰা হয়। এইবোৰ প্ৰচেষ্টাই আমাৰ সমাজৰ মৌলিক একতাক আঘাত কৰে। ইতিহাস সাক্ষী— অসমীয়া সংস্কৃতি সদায়েই বহুত্ববাদী। আহোম ৰাজত্বৰ দিনৰে পৰা বিভিন্ন জনগোষ্ঠী আৰু সংস্কৃতিৰ মিলনস্থলী হৈছে অসম। বিভেদৰ কথা কোৱাসকলে এই ঐতিহ্যক অস্বীকাৰ কৰে। আমাৰ শক্তি হ'ল সন্মান আৰু সহিষ্ণুতা। যেতিয়া উজনিৰ লোকে নামনিৰ উৎসৱত অংশ লয় বা নামনিৰ ডেকাই উজনিৰ উৎসৱত নাচে, তেতিয়া বিভেদৰ দাবী নিজে নিজে ম্লান হয়। অসমীয়া সংস্কৃতিৰ সৌন্দৰ্য হ'ল ইয়াৰ বহুমুখী ৰূপ। বৈচিত্ৰ্যক ভয় কৰাটো অসমীয়া জীৱন-দৰ্শনৰ বিপৰীত। আমাৰ নদী, ভাষা, সংগীত, খাদ্য— প্ৰতিটো ক্ষেত্ৰতে এই বৈচিত্ৰ্যই আমাক বিশ্বৰ আগত অনন্য কৰি তুলিছে। যেনেকৈ ব্ৰহ্মপুত্ৰই উজনিৰ পৰা নামনিলৈ বিভিন্ন নাম আৰু ৰূপ লয়, কিন্তু নদী একেখনেই, তেনেকৈ আমিও বিভিন্ন ৰূপত একেটা অসমীয়া সত্তা।

উজনি-নামনিৰ মাজৰ বৈচিত্ৰ্য আমাৰ পৰিচয়ৰ আংগিক মাথোঁ। এই বৈচিত্ৰ্যৰ মাজেদি আমাৰ একতাৰ সোঁত বয়। বিভেদকামী শক্তিক পৰাস্ত কৰি, আমাৰ নতুন প্ৰজন্ম যেন এই ঐক্যৰ মালাধাৰি হৈ পৰে। অসমীয়া হিচাপে আমি গৌৰৱ কৰোঁ— নিজৰ বৈচিত্ৰ্যৰে, নিজৰ একতাৰে। আমাৰ বৈচিত্ৰ্যই আমাক পৃথক নকৰে, বৰঞ্চ বিশ্বৰ লগত সংযুক্ত কৰে। এয়েই হ'ল আমাৰ অসমীয়া জীৱনৰ মহান বাণী— "বৈচিত্ৰ্যৰে মিলন, একতাৰে অসম।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিনন্দনৰ ফটো দেখুৱাই শিৰচ্ছেদৰ

ভাৰতত সৰ্বাত্মকভাৱে প্ৰতিবাদ হোৱাৰ লগতে বিদেশত থকা প্ৰবাসী ভাৰতীয়সকলেও সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া পাকিস্তানৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। ঠিক একেদৰে শুকুৰবাৰে লণ্ডনতস্থিত পাকিস্তান উচ্চায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ৫০০ ৰো অধিক ব্ৰিটিছ হিন্দু, প্ৰবাসী ভাৰতী আৰু ইহুদী সম্প্ৰদায়ৰ লোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ পিছতে পাকিস্তান উচ্চায়ুক্তৰ সেনা বিষয়া তথা প্ৰতিৰক্ষা বিভাগৰ কৰ্নেল টাইমুৰ ৰাহাটে সংঘটিত কৰে এক লজ্জাজনক কাণ্ড। ৰাহাটে উচ্চযুক্ত কাৰ্যালয়ৰ বাহিৰত প্ৰতিবাদকাৰীলৈ লক্ষ্য কৰি ভাৰতীয় বায়ুসেনাৰ পাইলট অভিনন্দন বৰ্ধমানৰ ফটো প্ৰদৰ্শন কৰি শিৰশ্চেদ কৰাৰ ইংগিত প্ৰদান কৰে। ইয়াৰ উপৰি ৰাহাটে অভিনন্দন বৰ্ধমানৰ ফটোসম্বলিত এখন পোষ্টাৰত 'চাই ইজ ফেন্টাষ্টিক' বুলি লিখা এখন পোষ্টাৰ প্ৰদৰ্শন কৰে। প্ৰতিবাদকাৰীসকলে দাবী কৰে যে প্ৰতিবাদৰ সময়ত পাকিস্তানৰ উচ্চায়ুক্ত কাৰ্যালয়ৰ বিষয়াসকলে উচ্চ স্বৰত সংগীত বজাই উদযাপন কৰি আছিল। ইতিমধ্যে সমগ্ৰ বিশ্বতে পাকিস্তানৰ এই নিন্দনীয় কাণ্ডৰ ভিডিঅ' ভাইৰেল হৈ পৰিছে। উল্লেখ্য যে ২০১৯ চনৰ পুলৱামা আক্ৰমণৰ পিছত প্ৰতিশোধৰ উদ্দেশ্যে পাকিস্তানত প্ৰৱেশ কৰিছিল ভাৰতীয় বায়ুসেনাৰ বিষয়া অভিনন্দন বৰ্ধমানে। অভিনন্দনে পাকিস্তানৰ এফ-১৬ যুদ্ধ বিমানখন ধ্বংস কৰি পেলাইছিল। যুদ্ধৰ সময়ছোৱাত বৰ্ধমানৰ যুদ্ধ বিমানখনো ক্ষতিগ্ৰস্ত হৈছিল আৰু তেওঁ জৰুৰীভাৱে পেৰাছ্যুটেৰে অৱতৰণ কৰাৰ পিছত পাক সেনাই বন্দী কৰিছিল। কিন্তু ইয়াৰ পিছত ভাৰতৰ কঠোৰ স্থিতিৰ ফলত পাকিস্তানে অভিনন্দনক বৰ্ধমানক সন্মানেৰে মুকলি কৰি দিয়ে। ইফালে কৰ্নেল ৰাহাটৰ এই কাণ্ডৰ পিছত ভাৰতীয়সকল অধিক ক্ষোভিত হৈ পৰিছে। পাকিস্তান উচ্চায়ুক্তৰ এই মানৱতাবিহীন আৰু অসংবেদনশীল আচৰণক সকলোৱে একমুখে গৰিহণা দিছে। দিল্লীৰ মন্ত্ৰী মঞ্জিন্দৰ সিং ছিৰছাকে ধৰি ভাৰতীয় বিষয়াসকলে ৰাহাটক গৰিহণা দি প্ৰথমে আপোনাৰ ডিঙি বচাওক বুলি পাকিস্তানক সকীয়াই দিয়ে। জম্মু-কাশ্মীৰৰ প্ৰাক্তন ডিজিপি শ্বেশ পল বৈদে ৰাহাটৰ এই কাৰ্যক "মাদ্ৰাছা-ছাপ" মানসিকতাৰ প্ৰতিফলন বুলি সমালোচনা কৰে। ইয়াৰ উপৰি প্ৰবাসী ভাৰতীয়সকলে সন্ত্ৰাসবাদৰ প্ৰতি সমৰ্থন দিয়াৰ বাবে দেশখনৰ পৰা টাইমুৰ ৰাহাটক বিতাড়ন কৰিবলৈ ব্ৰিটেইন চৰকাৰক দাবী জনাইছে।

# কৰ্তব্যৰত অৱস্থাত সাংবাদিকৰ সুৰক্ষা বিচাৰি গুৱাহাটী প্ৰেছ ক্লাবৰ ৰাজ্যপালক সাক্ষাৎ, স্মাৰক-পত্ৰ প্ৰদান

**ই-সংবাদ, গুৱাহাটী, ২৬ এপ্ৰিলঃ** সাংবাদিক সুৰক্ষা আইন আৰু কেইবাটাও বিষয় লৈ গুৱাহাটী প্ৰেছ ক্লাবৰ প্ৰতিনিধি দলে আজি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। বিশেষকৈ কৰ্তব্যৰ সময়ত সন্মুখীন হোৱা সমস্যাসমূহ সমাধানৰ বিষয় উত্থাপন কৰা হয়। সাংবাদিকসকলে প্ৰত্যাহ্বানৰ মাজেৰে নিষ্ঠাসহকাৰে কৰ্তব্য পালন কৰে আৰু তেওঁলোকৰ সমস্যাসমূহক আমি গুৰুত্ব দিয়া উচিত বুলি ৰাজ্যপালগৰাকীয়ে কয়। ৰাজ্যপালগৰাকীৰ ইতিবাচক সঁহাৰিৰ বাবে প্ৰেছ ক্লাবে কৃতজ্ঞতা জনায়। প্ৰতিনিধি দলত অংশ লয় সভাপতি সুস্মিতা গোস্বামী, উপ-সভাপতি যতীন ভাগৱতীৰ নেতৃত্বৰ এটা দলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেহেলগাম আক্ৰমণক লৈ স্থানীয়

সৰ্বানন্দ সোণোৱাল আৰু ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ পিছত আজি মাজুলীৰ সাতখনকৈ ঠাইত সাংসদ গৌৰৱ গগৈয়ে কংগ্ৰেছ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মাজুলীৰ কমলাবাৰী চাৰিআলিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ গৌৰৱ গগৈয়ে ৰাইজক উদ্দেশ্যি কয়, কংগ্ৰেছ দল ৰাইজক সেৱা কৰা এটা দল। কংগ্ৰেছ দলৰ আদৰ্শ হৈছে পঞ্চায়ত নিৰ্বাচন। এই পঞ্চায়ত প্ৰক্ৰিয়াটোক আৰম্ভ কৰিছে কংগ্ৰেছ দলে। ক্ষমতা গাঁৱৰ ভিতৰলৈ সোমাই যাব লাগে কেৱল দিছপুৰৰ ভিতৰতেই সীমাবদ্ধ হৈ থাকিব নালাগে এয়াই আদৰ্শ কংগ্ৰেছ দলৰ বুলি উল্লেখ কৰে। নিৰ্বাচনী প্ৰচাৰ সভাখনত আৰু কয়, আমাৰ কংগ্ৰেছ চৰকাৰৰ দিনত মেট্ৰিকত প্ৰথম বিভাগ আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে লেপটপ আৰু কম্পিউটাৰ, টেবলেট পাইছিল। দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আমাৰ কংগ্ৰেছ চৰকাৰে কম্পিউটাৰৰ কথা চিন্তা কৰিছিল। আমাৰ শিপিনীসকলৰ বাবে বিনামূলীয়া সূতা আৰু বিনামূলীয়া তাঁতশাল পাইছিল।শিপিনীসকলে ইনকাম কৰিছিল।এয়া আছিল আমাৰ প্ৰয়াত তৰুণ গগৈৰ চিন্তাধাৰা। মহিলাসকলে কেৱল পাকঘৰতে সীমাবদ্ধ হৈ থাকিলে নহ'ব সেইবাবে পঞ্চায়ত নিৰ্বাচনত মহিলাসকলৰ বাবে ৫০% সংৰক্ষণ আমাৰ দিনত পালে বুলি উল্লেখ কৰে। তেওঁ চৰকাৰক সমালোচনা কৰি কয়, এতিয়া অতি দুখৰ কথা মই এই পঞ্চায়ত নিৰ্বাচনৰ বাবে চুকে-কোণে গৈছোঁ মদৰ দোকান খোলা দেখা পাইছোঁ। এইটো এতিয়া চিন্তাৰ বিষয়। এইখন চৰকাৰৰ দিনত বিদ্যালয় বন্ধ হৈছে আৰু মদৰ দোকান বেছি হৈছে। এইখন চৰকাৰৰ দিনত ল'ৰা-ছোৱালীবোৰে কম্পিউটাৰ শিক্ষাৰে শিক্ষিত হোৱা নাই ড্ৰাগছৰ নিচাত গোটেই জীৱন ধ্বংস হোৱা দেখা পোৱা গৈছে। এইবোৰ কথা এইখন চৰকাৰক জনোৱাৰ পিছতো চৰকাৰে একো নকয়। আমি চৰকাৰক সমালোচনা কৰিলে আমাক জে'ললৈ পঠায়। আমি চৰকাৰক সমালোচনা কৰা নাই চৰকাৰৰ নীতি শুদ্ধ হোৱাটো বিচাৰো। আমি কথা ক'লেই আমাৰ ওপৰত ভুৱা কেছ জাপি আমাক জে'ললৈ পঠাই দিয়ে। এয়া হ'ল তেওঁলোকৰ কাম-কাজ। আজি কংগ্ৰেছৰ মুখপাত্ৰ ৰিতম সিঙক এইখন চৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে মতাৰ বাবেই এওঁলোকে এটাৰ পিছত এটা কেছ জাপি এমাহ জে'লৰ ভিতৰত বান্ধি ৰাখিছে বুলি উল্লেখ কৰি কয়, আজি এজন সাংবাদিকে এপেক্স বেংকৰ কেলেংকাৰী সম্পৰ্কত যদি সোধে তেন্তে সেই সাংবাদিকজনকো জে'লত ভৰাই থৈ দিব বুলি উল্লেখ কৰে। লগতে তেওঁ কয়, মোৰ কেতিয়াবা চিন্তা হয় বৰ্তমান চৰকাৰ ৰাইজৰ প্ৰতিনিধি নে ৰাইজৰ জে'লৰ।আজি তেওঁলোকে নিজকে অহংকাৰী ৰজা বুলি ভাবে জে'ইলৰ হিচাপে কাম কৰিছে। তেওঁলোকে কি কৈছে বিজেপিৰ সভালৈ আহিলে আঁচনি পাবা কংগ্ৰেছৰ সভালৈ গ'লে আঁচনি নাপাবা। এয়াই তেওঁলোকৰ সাহস, এই টকা-পইচা কাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ টকা-পইচা নহয়। এই পইচা বিজেপি দলৰ নহয়। এই পইচা হৈছে অসমৰ মানুহৰ টেক্সৰ পইচা। লাখপতি বাইদেউৰ নামত সাধাৰণ মহিলাসকলক হাৰাশাস্তি কৰি লাখপতি হৈ থকা নাই চিলিণ্ডাৰৰ মূল্য এতিয়া ১০০০ টকা কৰিলে বুলি উল্লেখ কৰে সাংসদজনে। বসুন্ধৰা সম্পৰ্কত সাংসদগৰাকীয়ে কয়, বসুন্ধৰাৰ নামত দুখীয়া মানুহক মাটিৰ পট্টা দিব পৰা নাই নিজৰ পৰিয়ালৰ নামত প্ৰত্যেক জিলাত মাটি কিনিবলৈ আৰম্ভ কৰিছে। বাগানৰ শ্ৰমিকসকলক ৩৫১ টকা দিব পৰা নাই কিন্তু অসমৰ চুকে-কোণে বাগান কিনিব আৰম্ভ কিৰিছে।আজি সেই কাৰণে কংগ্ৰেছৰ লগত ৰাইজ ওলাই আহিছে। এইখন চৰকাৰৰ অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ কংগ্ৰেছ আছে বুলি উল্লেখ কৰে। তেওঁ আৰু কয়, বৰ্তমানৰ বিধায়কৰ ভাবুকি আৰু অপপ্ৰচাৰৰ বিৰুদ্ধে মাত মাতিবলৈ কংগ্ৰেছ আছে। এয়া আমাৰ দলৰ পৰম্পৰা বুলি উল্লেখ কৰে। এই ভয়-ভাবুকি বৰ্তমান চৰকাৰে দেখিছে। ইয়াৰ প্ৰত্যুত্তৰ আমি অহা বছৰ দিম বুলি উল্লেখ কৰে। এই ভাবুকি দিয়া ৰাজনীতি আমি শেষ কৰিম, এয়া আমাৰ সংকল্প। অসম আৰক্ষী সম্পৰ্কত সাংসদগৰাকীয়ে কয়, আজি অসম আৰক্ষীৰ কি কাম বুলি আৰক্ষীক প্ৰশ্ন কৰি আৰক্ষীৰ কাম ছিণ্ডিকেট কৰা মানুহবোৰক ধৰা। ড্ৰাগছ মাফিয়া কৰা মানুহবোৰক ধৰা, বালি ছিণ্ডিকেট ধৰা, কণী ছিণ্ডিকেট ধৰা, কিন্তু আজি বিজেপি চৰকাৰে পুলিচৰ হাত বান্ধি ৰাখিছে। আকৌ বিজেপি চৰকাৰে আৰক্ষীক কি কৈছে ছিণ্ডিকেটৰ মানুহবোৰ এৰি দিয়া কংগ্ৰেছৰ মানুহবোৰ ধৰা বুলি উল্লেখ কৰে। ইডিৰ ৰেড সম্পৰ্কত তেওঁ কয়, কয়লাৰ ছিণ্ডিকেটৰ মানুহবোৰ ধৰা পৰিলে।ডাঙৰ মানুহৰ কাগজ-পত্ৰ পাইছে কিন্তু বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মাৰ অসম আৰক্ষীয়ে এজনকো এৰেষ্ট নকৰিলে বুলি উল্লেখ কৰে। আজি মই কৈছোঁ কয়লা ছিণ্ডিকেটৰ লগত জড়িত থকা ডাঙৰ মানুহবোৰ হিমন্ত বিশ্ব শৰ্মাৰ সৎ সাহস আছে যদি ধৰি দেখাওক বুলি মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনায়। তেওঁ আৰু কয়, অসমৰ মানুহবোৰে গম পাই গৈছে আমাক লাগে বিকল্প, আমাক লাগে শান্তি, আমাক লাগে গাঁৱৰ উন্নতি সেইবাবে ৰাইজে কৈছে এইখন বিজেপি চৰকাৰৰ অহংকাৰ আমি আৰু সহ্য কৰিব নোৱাৰো। অহা বছৰ আহি থকা বিধানসভা নিৰ্বাচনত অহংকাৰী বিজেপিক বিদায় দিম আৰু কংগ্ৰেছৰ নেতৃত্বত চৰকাৰ গঠন কৰিম বুলি ভাষণত কয়। এতিয়া বিজেপি চৰকাৰৰ ইমান লোভ এতিয়া বিজেপি চৰকাৰ মাত্ৰ পাঁচজন মানুহৰ হাতত আছে। এই পাঁচজন ব্যক্তি হিমন্ত বিশ্ব শৰ্মা, অশোক সিংহল, পীযুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱা আৰু বিধায়ক মানৱ ডেকাৰ কথা উল্লেখ কৰে। এই পাঁচজনৰ কাৰণেই চৰকাৰ প্ৰশাসনে কাম কৰি আছে বুলি উল্লেখ কৰে। বিজেপি দলৰ সভাপতি দিলীপ শইকীয়াৰ স্থান নাই আৰু বিজেপি দলৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ স্থান নাই বুলি উল্লেখ কৰে। এয়াই হৈছে বিজেপি দলৰ স্থিতি বুলি সভাত উল্লেখ কৰে। লগতে কয়, বৰ্তমান চৰকাৰৰ ভয়-ভাবুকিৰ পৰা ৰাইজে পৰিত্ৰাণ বিচাৰিছে গতিকে ৰাইজক কংগ্ৰেছ দলৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। আজি মাজুলীত গৌৰৱ গগৈয়ে বনগাঁও, কমলাবাৰী, কাকৰিকটা, নতুন বজাৰকে আদি কৰি সাতখন ঠাইত নিৰ্বাচনী প্ৰচাৰ চলায়। মাজুলীত সাংসদগৰাকীক নিৰ্বাচনী প্ৰচাৰত সংগ দিয়ে মাজুলীৰ প্ৰাক্তন বিধায়ক ৰাজীৱলোচন পেগুৰ লগতে মাজুলী জিলা কংগ্ৰেছৰ সভাপতি, সম্পাদকৰ লগতে দলীয় কৰ্মীসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেহেলগাম নৰসংহাৰ! ১৭৫

১৭৫ জন লোকক আটক কৰে সেনাই। মঙলবাৰে পেহেলগাম আক্ৰমণৰ ঘটনাত জড়িত সন্ত্ৰাসবাদীক বিচাৰি নিৰাপত্তা বাহিনীয়ে চলাই থকা ব্যাপক অভিযানৰ মাজতে আজি কেইবাজনো লোকক আটক কৰা হয়। সন্ত্ৰাসবাদীৰে সু-সম্পৰ্ক থকাৰ সন্দেহত এজনৰ পিছত আনজনক প্ৰশ্নৰে থকা-সৰকা কৰিছে সেনাই। পেহেলগাম আক্ৰমণৰ অন্যতম অভিযুক্ত আদিল হুছেইন থোকৰৰ ঘৰ অনন্তনাগত হোৱাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত অভিযান অধিক কঠোৰ কৰি তোলা হৈছে। বৃহস্পতিবাৰে অভিযানৰ মাজতে থোকৰসহ অনন্তনাগত থকা দুই এলইটি সন্ত্ৰাসবাদীৰ ঘৰ সেনাই ধ্বংস কৰিছিল। সম্প্ৰতি সেনা, জম্মু-কাশ্মীৰ আৰক্ষী, এনআইএ আৰু অন্যান্য তদন্ত সংস্থাৰ দলে অবিৰতভাৱে সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান চলাই আছে। ড্ৰোন, হেলিকপ্টাৰ আদিৰ সহায়ত এটাও চুক-কোণ বাদ নপৰাকৈ অভিযান চলোৱা হৈছে। শুকুৰবাৰে নিশাৰ পৰা শনিবাৰে পুৱালৈকে মুঠ ৩ টাকৈ সন্ত্ৰাসবাদীৰ ঘৰ ধ্বংস কৰে সুৰক্ষা বাহিনীয়ে। ইয়াৰ সৈতে কাশ্মীৰ উপত্যকাত এতিয়ালৈকে ৫ টাকৈ সন্ত্ৰাসবাদীৰ ঘৰ ধ্বংস কৰিলে সুৰক্ষা বাহিনীয়ে। তদুপৰি গ্ৰেপ্তাৰ কৰা হৈছে ৩ সন্ত্ৰাসবাদীক। উল্লেখ্য, ২৩ এপ্ৰিলত আন এক অভিযানত ২৫০ জনক আটক কৰিছিল সেনাই। সমগ্ৰ কাশ্মীৰত সন্ত্ৰাসবাদ সম্পৰ্কীয় গোচৰত অভিযুক্ত ১,২০০ জনক আটক কৰা হৈছিল। এই অভিযানত আটক কৰা লোকৰ সংখ্যা পূৰ্বৰ মুঠ ১,৪০০ ৰ পৰা ১,৬৫০ জনলৈ বৃদ্ধি পায়। উল্লেখ্য, অনন্তনাগ জিলাৰ জনপ্ৰিয় পৰ্যটনস্থলী পেহেলগামত মঙলবাৰে সন্ত্ৰাসবাদীৰ দ্বাৰা গুলীচালনাৰ ঘটনাত ২৬ জন লোক মৃত্যুমুখত পৰে আৰু আন কেইবাজনো আঘাতপ্ৰাপ্ত হয়। ইয়াৰ পিছতে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ৰুদ্ৰৰূপ গ্ৰহণ কৰিছে নিৰাপত্তা বাহিনীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়ত নিৰ্বাচনক লৈ বিজেপিৰ সংকল্প-

কৰিছোঁ। যিসমূহ প্ৰতিষ্ঠিত ধ্যান-ধাৰণাই সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত হেঙাৰৰ সৃষ্টি কৰিছিল, চৰকাৰৰ যোৱা চাৰিটা বছৰৰ কাম-কাজে প্ৰতিদিনে সেইসমূহক প্ৰত্যাহ্বান জনাইছে। এটা সময়ত অসমৰ মুখ্যমন্ত্ৰীসকলে দিল্লীৰ ওচৰত ভিক্ষা খোজাৰ দৰে পৰিস্থিতি আছিল, আজি আমি এনে এটা পৰিস্থিতিলৈ গৈ আছোঁ, য'ত দেশৰ উন্নয়নত আমাৰ ৰাজ্যখনেও কিবা এটা বৰঙনি আগবঢ়াবলৈ গৈ আছে।' এই বক্তব্য মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ। পঞ্চায়ত নিৰ্বাচন উপলক্ষে ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশে প্ৰকাশ কৰি উলিওৱা 'সংকল্প-পত্ৰ' উন্মোচন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এক শক্তিশালী পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰতিষ্ঠাৰ জৰিয়তে তৃণমূলৰ উন্নয়নক অধিক গতি প্ৰদান কৰাৰ সুযোগ আছে। চৰকাৰখনে যদি দুহাজাৰ কিল'মিটাৰ পথ নিৰ্মাণ কৰিছে, পঞ্চায়তৰ এমজিএনৰেগা আৰু লোকনিৰ্মাণ বিভাগৰ যৌথ উদ্যোগত অতিৰিক্ত দুহাজাৰ পথৰ নিৰ্মাণ সম্ভৱ কৰি তুলিব পৰা যাব। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নতুনকৈ ৩.৫ লাখ ঘৰ নিৰ্মাণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰীৰ গৃহ নিৰ্মাণ আঁচনিৰে সামৰি হ'লেও অনাগত সময়ত অসমৰ প্ৰতিটো দৰিদ্ৰ পৰিয়ালৰ বাবে ঘৰ নিৰ্মাণৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰা হ'ব। পুৱা ৯ বজাৰ পৰা বিজেপিৰ ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত 'পঞ্চায়ত নিৰ্বাচন- ২০২৫, সংকল্প-পত্ৰ' উন্মোচন অনুষ্ঠানত বক্তব্য প্ৰদান কৰি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কয় যে এখন সুৰক্ষিত অসম, বিকশিত অসম আৰু শ্ৰেষ্ঠ অসম গঢ়াৰ খনিকৰসকল হ'ল গঞা ৰাইজ। বিজেপিয়ে প্ৰতিটো নিৰ্বাচনতে ৰাইজৰ পৰা মতামত গ্ৰহণ কৰি ইস্তাহাৰ প্ৰস্তুত কৰে। এইবাৰো সৰ্বস্তৰৰ ৰাইজৰ পৰা মতামত গ্ৰহণ কৰি পঞ্চায়ত নিৰ্বাচনৰ সংকল্প-পত্ৰ প্ৰকাশ কৰি উলিওৱা হৈছে। প্ৰায় ৩.৫ হাজাৰতকৈ অধিক লোকে ই-মেইল যোগে পৰামৰ্শ প্ৰেৰণ কৰিছে আৰু ৰাইজৰ সেই পৰামৰ্শ সাপেক্ষেই 'সংকল্প-পত্ৰ' প্ৰস্তুত কৰি উলিওৱা হৈছে। পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰম্ভিক পৰ্যায়ত ইতিমধ্যে অভিলেখসংখ্যক প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ কথা উল্লেখ কৰি সভাপতিগৰাকীয়ে ইয়াৰ বাবে দলৰ সকলো স্তৰৰ কাৰ্যকৰ্তা আৰু ৰাইজক ধন্যবাদ জ্ঞাপন কৰে । সেৱাই সংগঠন- নীতিৰে দলৰ কাৰ্যকৰ্তাসকলে কৰি অহা অসীম ত্যাগৰ কথাও সভাপতিগৰাকীয়ে ভাষণ প্ৰসংগত প্ৰকাশ কৰে। বিজেপিৰ কাৰণে কোনো এটা নিৰ্বাচনেই কোৱাৰ্টাৰ ফাইনেল বা ছেমি ফাইনেল নহয় বুলি উল্লেখ কৰি সভাপতি শইকীয়াই কয় যে পঞ্চায়তৰ পৰা সংসদীয় নিৰ্বাচনলৈ প্ৰতিটো নিৰ্বাচনেই বিজেপিৰ কাৰণে ফাইনেল। পঞ্চায়ত নিৰ্বাচনটোও দলৰ কাৰণে সমানেই গুৰুত্বপূৰ্ণ। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰো ভূয়সী প্ৰশংসা কৰে সভাপতিগৰাকীয়ে। সাধাৰণ সম্পাদক দিপ্লুৰঞ্জন শৰ্মাই আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে পঞ্চায়ত নিৰ্বাচন সংকল্প-পত্ৰ সংকলন সমিতিৰ আহ্বায়ক মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অনুষ্ঠানটোৰ উদ্দেশ্য সন্দৰ্ভত বক্তব্য আগবঢ়ায়। কেইবাটাও ব্যতিক্ৰমী দিশ সামৰি প্ৰস্তুত কৰা সংকল্প-পত্ৰখনৰ জৰিয়তে ভাৰতীয় জনতা পাৰ্টিৰ মূল ভাবাদৰ্শক প্ৰতিফলিত কৰাৰ প্ৰয়াস কৰা হৈছে। মহাত্মা গান্ধীৰ 'গ্ৰামোদয়', আচাৰ্য বিনোৱা ভাৱেৰ 'সৰ্বোদয়', পণ্ডিত দীনদয়াল উপাধ্যায়ৰ 'অন্ত্যোদয়' আৰু অটল বিহাৰী বাজপেয়ী আৰু নৰেন্দ্ৰ মোদীৰ 'ৰাষ্ট্ৰোদয়'ৰ লক্ষ্যেৰে এইবাৰৰ পঞ্চায়ত নিৰ্বাচনৰ সংকল্প-পত্ৰখন প্ৰস্তুত কৰি উলিওৱা হৈছে। ক্ষমতাৰ প্ৰকৃত অৰ্থৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে সমাজৰ শেষৰগৰাকী লোকৰ সৰ্বাংগীণ উন্নয়নৰ সংকল্পৰ কথা এই সংকল্প-পত্ৰখনৰ জৰিয়তে ঘোষণা কৰা হৈছে। মূল ১৫ টা সংকল্পৰ কথা ঘোষণা কৰি এই সংকল্পত যুৱ-ছাত্ৰ, মহিলা, কৃষক, চাহ শ্ৰমিকৰ লগতে সমাজৰ দুৰ্বল শ্ৰেণীৰ সামগ্ৰিক উন্নয়নৰ পণ লোৱা হৈছে । উৎপাদন আৰু বিপণনৰ সন্তুলিত ব্যৱস্থা প্ৰতিষ্ঠাৰ জৰিয়তে গ্ৰামাঞ্চলতে এখন কাৰ্যকৰী বজাৰ তৈয়াৰ কৰাৰো প্ৰচেষ্টাৰ কথা এই সংকল্প-পত্ৰৰ জৰিয়তে প্ৰকাশ কৰা হৈছে। আজিৰ এই অনুষ্ঠানতে পঞ্চায়ত নিৰ্বাচন উপলক্ষে প্ৰস্তুত কৰি উলিওৱা দুটি গান আৰু বিজেপি মিত্ৰজোঁট চৰকাৰে যোৱা ৯ বছৰে কৰি অহা উল্লেখযোগ্য উন্নয়নমূলক কাম-কাজক সামৰি এখন তথ্যচিত্ৰও মুকলি কৰা হয়। আজিৰ এই অনুষ্ঠানতে বিভিন্ন ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতাৰ নিদৰ্শনেৰে সমাজক নতুন উদ্দীপনা প্ৰদান কৰা তথা অসম চৰকাৰে অসম গৌৰৱ বঁটাৰে সন্মানিত কৰা কেইবাগৰাকীও স্বনামধন্য ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক সভাপতিৰ উপস্থিতিত বিশেষভাৱে সম্বৰ্ধিত এইসকল উল্লেখনীয় ব্যক্তিত্ব হ'ল ক্ৰমে এছআৰডিৰ সঞ্চালক অসম গৌৰৱ অনুপম ডেকা, সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মা, চাহ খেতিয়ক অসম গৌৰৱ টেনজিং বড়োছা, বস্ত্ৰ উদ্যোগী অসম গৌৰৱ জেচিন কুম্বাং পাৰ, পাভৈ গ্ৰীনছৰ সঞ্চালক অসম গৌৰৱ নীলম দত্ত, মৎস উৎপাদক অসম গৌৰৱ দেৱজিৎ বৰ্মন, কৃষি সংগঠক পুষ্পধৰ কছাৰী, মহিলা গাহৰি পালক ৰুণা ৰফিক, আদৰ্শ খেতিয়ক উৎপল কলিতা, আদৰ্শ খেতিয়ক জয়ন্তমল্ল বুজৰবৰুৱা, উদ্যান শস্য খেতিয়ক দেৱব্ৰত ৰাভা, মৎস্য পালক গুৰুপ্ৰসাদ দাস আৰু কাঠফুলা উৎপাদক তুলিকা গগৈ স্বৰ্গীয়াৰী। সংকল্প-পত্ৰ উন্মোচনৰ এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী আৰু দলৰ ৰাজ্যিক সভাপতিৰ লগতে দলৰ ৰাজ্যিক প্ৰভাৰী হৰিশ ত্ৰিবেদী, ৰাজ্য চৰকাৰৰ মন্ত্ৰী তথা পঞ্চায়ত নিৰ্বাচন প্ৰবন্ধন সমিতিৰ আহ্বায়ক পীযুষ হাজৰিকা, সংকল্প-পত্ৰ সংকলন সমিতিৰ আহ্বায়ক মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, প্ৰাক্তন ৰাজ্যিক সভাপতি তথা সাংসদ ৰঞ্জিত দত্ত, দলৰ ৰাষ্ট্ৰীয় সমিতিৰ সম্পাদক তথা সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, কৌশিক ৰায়, সাংসদ বিজুলী কলিতা মেধি, দলৰ উপ-সভাপতি তপন কুমাৰ গগৈকে ধৰি দলৰ যথেষ্টসংখ্যক কাৰ্যকৰ্তা উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইৰানত বিধ্বংসী জুই! ইজৰাইললৈ

বন্দৰ শ্বাহিদ ৰাজাইত ধাৰাবাহিকভাৱে কন্টেইনাৰ বিস্ফোৰণৰ ফলত বিয়পি পৰা অগ্নিকাণ্ডত কমেও চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে কমেও ৫০০ লোক গুৰুতৰভাৱে আহত হয়। অগ্নিকাণ্ডৰ কিছু মুহূৰ্তৰ ভিতৰতে বন্দৰ অঞ্চলটো ডাঠ ক'লা ধোঁৱাই আবৰি ধৰে। ছ'চিয়েল মিডিয়াত বিস্ফোৰণৰ ভিডিঅ' ভাইৰেল হোৱাৰ পিছত সমগ্ৰ বিশ্বতে সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। শ্বাহিদ ৰাজাই বন্দৰ এলেকাৰ এজন বিষয়া ইছমাইল মালেকিজাদেই ৰাজ্যিক টেলিভিছনক দিয়া এক সাক্ষাৎকাৰত কয় যে বন্দৰটোৰ এটা নিৰ্দিষ্ট অংশত বিস্ফোৰণ ঘটিছিল। আমি জুই নিয়ন্ত্ৰণ কৰিবলৈ কাম কৰি আছো। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি হৰমুজগান প্ৰদেশৰ ৰাজধানী বন্দৰ আব্বাছৰ পৰা ২৩ কিলোমিটাৰ পশ্চিমে আৰু ৰাজধানী তেহৰানৰ পৰা ১০০০ কিলোমিটাৰ দূৰত্বত অৱস্থিত শ্বাহিদ ৰাজাই বন্দৰ ইৰানৰ আটাইতকৈ আধুনিক কন্টেইনাৰ টাৰ্মিনেল। এই বন্দৰটোৰ কৌশলগত গুৰুত্ব অপৰিসীম, কিয়নো ই হৰমুজ জলদ্বীপৰ উত্তৰত অৱস্থিত, যাৰ মাজেৰে বিশ্বৰ মুঠ তেল ৰপ্তানিৰ এক-পঞ্চমাংশ প্ৰবাহিত হয়। হৰমুজগান ৰেড ক্ৰেচেণ্ট ছ'চাইটিৰ মুৰব্বী মুখতাৰ চালাহশ্বুৰে কয় যে বিস্ফোৰণৰ পিছতে চাৰিটা উদ্ধাৰকাৰী দল ক্ষিপ্ৰতাৰে সেই স্থানলৈ প্ৰেৰণ কৰা হয়। তেওঁ লগতে কয় যে আমি আহতসকলক উদ্ধাৰ কৰি ওচৰৰ চিকিৎসালয়লৈ লৈ গৈ আছো। এই ভয়ংকৰ বিস্ফোৰণৰ প্ৰকৃত কাৰণ এতিয়াও আনুষ্ঠানিকভাৱে প্ৰকাশ হোৱা নাই। কিন্তু স্থানীয় কৰ্তৃপক্ষই দাবী কৰিছে যে কেইবাটাও কন্টেইনাৰ বিস্ফোৰণৰ ফলত এই দুৰ্যোগৰ সৃষ্টি হৈছে। প্ৰদেশখনৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মুৰব্বী মেহৰদাদ হাছানজাদেহে কয় যে তদন্ত চলি থকাৰ সময়তে বৰ্তমান জুই নিৰ্বাপণ আৰু আহতসকলৰ চিকিৎসাৰ বাবে সকলো প্ৰচেষ্টা ব্যয় কৰা হৈছে। এই ঘটনাক কেন্দ্ৰ কৰি আতংকৰ পৰিৱেশে আন্তঃৰাষ্ট্ৰীয় সমাজতো উদ্বেগ বিয়পাইছে। ইতিমধ্যে ইজৰাইলৰ প্ৰতি ছ'চিয়েল মিডিয়াত সন্দেহৰ সৃষ্টি হ'বলৈ আৰম্ভ কৰিছে যদিও এতিয়ালৈকে ইৰানৰ পৰা কোনো আনুষ্ঠানিক মন্তব্য কৰা হোৱা নাই। বিস্ফোৰণৰ তীব্ৰতা আৰু আন্তঃৰাষ্ট্ৰীয় তৈল বজাৰত স্থানীয় পৰিস্থিতিৰ ওপৰত কি প্ৰভাৱ পৰে তাত বিশেষজ্ঞসকল উচ্চ সতৰ্কতা অৱলম্বন কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বেলুচ আৰ্মীৰ আক্ৰমণত নিহত ১০

কাশ্মীৰৰ পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণক লৈ সমগ্ৰ বিশ্বৰ ক্ষোভৰ সন্মুখীন হৈছে পাকিস্তান। কিন্তু ইয়াৰ মাজতে এইবাৰ নিজ দেশৰে সন্ত্ৰাসবাদী আক্ৰমণত মৃত্যু ঘটিল ১০ জনকৈ পাক সেনাৰ। পাকিস্তানৰ বেলুচিস্তানৰ কুৱেটাৰ সমীপৰ মাৰ্গাট অঞ্চলত পাকিস্তানী সেনাৰ কনভয়ত সংঘটিত হয় সন্ত্ৰাসবাদীৰ আক্ৰমণ। ইতিমধ্যে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে বেলুচ লিবাৰেচন আৰ্মী চমুকৈ বিএলএয়ে। সন্ত্ৰাসবাদী সংগঠনটোৰ মুখপাত্ৰ জিয়ান্দ বালোচে ৰিম'ট কণ্ট্ৰ'লযুক্ত আইইডি বিস্ফোৰণ কৰি পাকিস্তানী সেনা বাহিনীৰ ১০ জন জোৱানক হত্যা কৰাৰ কথা স্বীকাৰ কৰিছে। সংবাদ সংস্থা আইএএনএছৰ মতে, সংগঠনটোৱে স্পষ্টভাৱে উল্লেখ কৰিছে যে "বেলুচ লিবাৰেচন আৰ্মীৰ স্বাধীনতা সংগ্ৰামীসকলে কুৱেটাৰ বাহিৰৰ মাৰ্গাট অঞ্চলত দখলদাৰী পাকিস্তানী সেনাৰ কনভয়ক লক্ষ্য কৰি ৰিম'ট কণ্ট্ৰ'লেৰে বিস্ফোৰণ ঘটায়। এই অভিযানত সেনা বাহিনীৰ এখন বাহন সম্পূৰ্ণৰূপে ধ্বংস কৰা হয় আৰু গাড়ীখনত থকা ১০ জন জোৱানৰ আটাইকেইজনৰে ঘটনাস্থলীতে মৃত্যু ঘটে।" ইফালে এই আক্ৰমণ সংগঠনটোৰ সশস্ত্ৰ প্ৰতিৰোধৰ অংশ বুলি দাবী কৰিছে বিএলএয়ে। সংগঠনটোৱে এটা ভিডিঅ' প্ৰকাশ কৰে য'ত বিস্ফোৰণৰ পিছতে এখন সামৰিক বাহনৰ পৰা ঘন ক'লা ধোঁৱা ওলাই অহা দেখা গৈছে। জানিব পৰা মতে, বাহনখন পাকিস্তানী সেনাৰ বোমা নিষ্কাষণ ইউনিটৰ আছিল। নিহত পাকিস্তানী জোৱানৰ ভিতৰত আছে চুবেদাৰ শ্বেহজাদ আমিন, নাইব চুবেদাৰ আব্বাছ, চিপাহী খলিল, চিপাহী জাহিদ, চিপাহী খুৰ্ৰামকে ধৰি কেইবাজনো জোৱান। জানিব পৰা মতে, নিয়মীয়া টহলৰ সময়ত কনভয়ত বিস্ফোৰক আক্ৰমণ সংঘটিত হয়। বিস্ফোৰণৰ তীব্ৰতাৰ বাবে গাড়ীখন সম্পূৰ্ণৰূপে ছিন্ন-ভিন্ন হৈ পৰে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ মাৰ্চ মাহত বেলুচ লিবাৰেচন আৰ্মীয়ে সংঘটিক কৰিছিল আন এক সন্ত্ৰাসবাদী কাৰ্য। বালান অঞ্চলত জাফৰ এক্সপ্ৰেছ ৰে'ল অপহৰণ কৰি প্ৰায় ৪৪০ জন যাত্ৰীক পণবন্দী কৰি লৈ যায়। সেই আক্ৰমণত কমেও ২১ জন লোক নিহত হৈছিল। পাহাৰীয়া অঞ্চলত বিস্ফোৰকেৰে ৰে'লপথ উৰুৱাই দিয়াত লাইনচ্যুত হৈছিল ৰে'লখন। অৱশেষে পৰৱৰ্তী সময়ত পাক সেনাই অভিযান চলাই বিএলএৰ ৩৩ জন কেডাৰক হত্যা কৰা বুলি দাবী কৰিছিল। লক্ষণীয়ভাৱে, পেহেলগামত সংঘটিত নৰসংহাৰৰ পিছত এতিয়া পাকিস্তানৰ বিৰুদ্ধে ক্ষোভৰ উদগীৰণ ঘটিছে ভাৰতত। শত্ৰু ৰাষ্ট্ৰখনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে তৎপৰ হৈছে ভাৰতীয় সেনা আৰু চৰকাৰো। নিজ দেশৰ সন্ত্ৰাসবাদীয়ে পাকিস্তানত সূচনা কৰা গৃহযুদ্ধই আভ্যন্তৰীণ শক্তি আৰু অধিক দুৰ্বল কৰি তুলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মিডিয়ালৈ কেন্দ্ৰৰ নিৰ্দেশনা

হৈছে ভাৰত-পাকিস্তানৰ সম্পৰ্ক। এই আক্ৰমণৰ প্ৰত্যুত্তৰস্বৰূপে ভাৰতে জল সিন্ধু চুক্তি বাতিল কৰাৰ উপৰি পাকিস্তানী নাগৰিকৰ ভিছা বাতিল কৰা, পাকিস্তানৰ দূতাবাস বন্ধ কৰা, আটাৰী-ৱাঘা সীমান্ত চেক প'ষ্ট বন্ধ কৰাকে ধৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিততে ভাৰত এৰি যাবলৈ ৪৮ ঘণ্টাৰ সময় বান্ধি দিয়া হৈছে পাকিস্তানী নাগৰিকক। ইফালে প্ৰতিৰক্ষা অভিযান আৰু সৈন্যৰ চলাচলক লৈও দুয়োখন দেশৰ মাজত বৃদ্ধি পাইছে উত্তেজনা। এনে পৰিস্থিতিত ভাৰত চৰকাৰে সকলো মিডিয়া চেনেলকে কঠোৰ নিৰ্দেশনা জাৰি কৰি ৰাষ্ট্ৰীয় নিৰাপত্তাৰ স্বাৰ্থত সংযম বজাই ৰাখিবলৈ আহ্বান জনাইছে। ভাৰতৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে জাৰি কৰা এই নিৰ্দেশনাত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে প্ৰতিৰক্ষা অভিযান আৰু সৈন্যৰ গতিবিধি সন্দৰ্ভত কোনো উৎসভিত্তিক বাতৰি প্ৰকাশ কৰিব নোৱাৰিব। মিডিয়া হাউছসমূহে বাস্তৱ সময়ৰ ক'ভাৰেজ বা সামৰিক অভিযানৰ বাতৰি দিয়াৰ পৰা বিৰত থাকিব লাগিব। এই নিৰ্দেশনাত লগতে উল্লেখ কৰা হৈছে যে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কথা মনত ৰাখি সকলো মিডিয়া চেনেলে মধ্যমীয়া ভূমিকা পালন কৰিব লাগিব। কোৱা হৈছে যে এই চৰকাৰী নিৰ্দেশনা কেৱল আইনী বাধ্যবাধকতা নহয়, নৈতিক দায়বদ্ধতাৰ এটা অংশও। লক্ষণীয়ভাৱে বিগত কেইবাটাও ঘটনাৰ কথা মনত পেলাই সকীয়াই দিছে মন্ত্ৰালয়ে। নিৰ্দেশনাত কাৰ্গিল যুদ্ধৰ সময়ত সংবাদ মাধ্যমৰ বাতৰি, মুম্বাই আক্ৰমণ (২৬/১১) আৰু কান্দাহাৰ বিমান অপহৰণৰ কথা উল্লেখ কৰা হৈছে। চৰকাৰে দাবী কৰে যে এই ঘটনাসমূহৰ সময়ত মুক্ত ক'ভাৰেজৰ ফলত ৰাষ্ট্ৰীয় স্বাৰ্থত বিৰূপ প্ৰভাৱ পৰিছিল। এনে পৰিপ্ৰেক্ষিতত চৰকাৰে সংবাদ মাধ্যমক দায়িত্বশীল ভূমিকা পালন কৰিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে জাৰি কৰা নিৰ্দেশনাত আৰু কোৱা হৈছে যে সন্ত্ৰাসবাদবিৰোধী অভিযানৰ লাইভ ক'ভাৰেজ দেখুওৱাটো কেৱল টেলিভিছন নেটৱৰ্ক (সংশোধনী) নিয়ম, ২০২১ ৰ ধাৰা ৬(১)(পি) উলংঘা কৰা। এই নিয়মত স্পষ্টকৈ উল্লেখ কৰা হৈছে যে কোনো সন্ত্ৰাসবাদবিৰোধী অভিযানৰ লাইভ ক'ভাৰেজ সম্প্ৰচাৰ কৰিব নোৱাৰি। বৰঞ্চ চৰকাৰে নিযুক্তি দিয়া এজন বিষয়াই নিয়মীয়াকৈ ব্ৰিফিং দিব আৰু সংবাদ মাধ্যমে সেই ব্ৰিফিঙৰ ওপৰত ভিত্তি কৰিয়েই নিজৰ ক'ভাৰেজ কৰিব লাগিব। এই নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন নকৰিলে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মিডিয়া সংস্থাসমূহক সকীয়নি প্ৰদান কৰা হৈছে। ইফালে পেহেলগাম আক্ৰমণৰ পিছত ভাৰতৰ কঠোৰ স্থিতিয়ে পাকিস্তানত আতংকৰ পৰিৱেশৰ সৃষ্টি কৰিছে। সূত্ৰ অনুসৰি পাকিস্তানী সেনাই নিয়ন্ত্ৰণ ৰেখাত হাই এলাৰ্ট জাৰি কৰাৰ লগতে সীমান্তত সৈন্য নিয়োগ বৃদ্ধি কৰিছে। ভাৰতীয় চোৰাংচোৱা সংস্থাৰ তথ্য অনুসৰি পাকিস্তান অধিকৃত কাশ্মীৰত ৪২ টা সন্ত্ৰাসবাদী লঞ্চ পেড সক্ৰিয় হৈ আছে, য'ত ১১০ ৰ পৰা ১৩০ জন সন্ত্ৰাসবাদী উপস্থিত থাকে। এনে পৰিস্থিতিত ভাৰত চৰকাৰৰ এই নিৰ্দেশনাক ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সেনাৰ নিৰাপত্তা আৰু অধিক শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# টকা দিলেই নিৰ্বিঘ্নে কিনিব পাৰি সেনাৰ

সেনাৰ পোছাক পৰিধান কৰি আহিছিল সন্ত্ৰাসবাদীয়ে। এই অভিযোগৰ পিছতেই চৰ্চালৈ আহিছে এটা প্ৰশ্ন- কেনেকৈ সন্ত্ৰাসবাদীৰ হাতত পৰিল ভাৰতীয় সেনাৰ পোছাক? উল্লেখ্য যে বছৰ বছৰ ধৰি নিৰাপত্তা বিশেষজ্ঞসকলে সামৰিক পোছাকৰ অনিয়ন্ত্ৰিত বিক্ৰীৰ ফলত হ'ব পৰা সাম্ভাব্য বিপদৰ বিষয়ে সতৰ্ক কৰি আহিছে যদিও প্ৰশাসনে কোনো সুনিৰ্দিষ্ট ব্যৱস্থা গ্ৰহণ কৰা নাই। অসমকে ধৰি দেশৰ সকলো প্ৰান্ততেই টকা দিলেই সকলো লোকেই ক্ৰয় কৰিব পাৰে আৰক্ষী আৰু প্ৰায় সকলো নিৰাপত্তা বাহিনীৰ সামৰিক পোছাক। যাৰ ফলত যিকোনো মুহূৰ্তত সেনাৰ পোছাক ক্ৰয় কৰি জনগণৰ মাজলৈ ছদ্মবেশেৰে সোমাই আহিব পাৰে সন্ত্ৰাসবাদীৰ দল। মুকলি বজাৰত সেনাৰ পোছাকৰ উপলব্ধ হোৱাৰ ফলত ৰাষ্ট্ৰীয় নিৰাপত্তালৈ ভাবুকি আহিব পাৰে বুলি জানিও ব্যৱসায়িক কাৰ্যকলাপৰ প্ৰত্যক্ষ তদাৰকী থকা স্থানীয় আৰক্ষী আৰু জিলা প্ৰশাসনসমূহে সেনাৰ পোছাক আৰু সামগ্ৰী বিক্ৰী কৰা দোকানসমূহক নিয়ন্ত্ৰণ কৰাত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। প্ৰশাসনৰ এই গাফিলতিৰ বাবেই পেহেলগামত কুটাঘাত সংঘটিত কৰাটো সন্ত্ৰাসবাদীৰ বাবে উজু হৈ পৰিল বুলি চৰ্চা চলিছে। উল্লেখ্য যে কেন্দ্ৰীয় আৰু ৰাজ্যিক কৰ্তৃপক্ষৰ মাজৰ সমন্বয়ৰ অভাৱৰ বিষয়টোৱেও এই ক্ষেত্ৰত চৰ্চা লাভ কৰিছে। প্ৰতিৰক্ষা আৰু গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে মাজে মাজে সেনাৰ পোছাককে ধৰি সামৰিক সামগ্ৰী সুৰক্ষিত কৰাৰ ক্ষেত্ৰত পৰামৰ্শ জাৰি কৰি আহিছে যদিও এই নিৰ্দেশনাসমূহ এতিয়ালৈকে সম্পূৰ্ণৰূপে বলৱৎ হোৱা পৰিলক্ষিত হোৱা নাই। সেয়েহে বিভিন্ন মাধ্যমত এতিয়া প্ৰশ্নৰ উত্থাপন হৈছে- সম্ভাব্য বিপদৰ বিষয়ে জনা সত্ত্বেও মুকলি বজাৰত সামৰিক পোছাক বিক্ৰীৰ ক্ষেত্ৰত কিয় কোনো বাধা আৰোপ কৰা হোৱা নাছিল? এই ঘটনাৰ পিছত মুকলি বজাৰত সেনাৰ পোছাক আৰু সামগ্ৰী বিক্ৰী আৰু মজুত বন্ধ কৰাৰ ক্ষেত্ৰত প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# সোৱণশিৰিত গৰাখহনীয়া, পীযুষ হাজৰিকাৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ

**ই-সংবাদ, মাজুলী, ২৬ এপ্ৰিলঃ** খহনীয়া প্ৰতিৰোধত ব্যৰ্থ চৰকাৰৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ মাজুলীৰ নামনিৰ চেৰেপাইখোৱাত। সোৱণশিৰিৰ ব্যাপক গৰাখহনীয়াই এতিয়া আতংকিত কৰি তুলিছে অঞ্চলটোত। চৰকাৰ, প্ৰশাসনে খহনীয়া শেষাংশ ৯ পৃষ্ঠাত

# সৰুপেটাত এজাক বৰষুণতে বুৰ যায় এটা পথ

**ই-সংবাদ, ভৱানীপুৰ, ২৬ এপ্ৰিলঃ** ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক সততে গুণগত শিক্ষা প্ৰদানৰ শ্ল'গান আওৱোৱা হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ তেনে শ্ল'গানৰ অসাৰতা প্ৰতিপন্ন কৰি সৰুপেটাৰ পৰা মাথোঁ তিনি কিলোমিটাৰ পশ্চিমে ১৬নং পৃষ্ঠাত

# আজি দুখন উৰণীয়া সেতু উদ্বোধন কৰিব মুখ্যমন্ত্ৰীয়ে

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ এপ্ৰিলঃ** ডিব্ৰুগড় নগৰত আটকধুনীয়াকৈ নিৰ্মাণ হৈ উঠা দুখনকৈ উৰণীয়া সেতু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ উদ্বোধন কৰি ৰাইজৰ বাবে উৎসৰ্গা কৰিব। ইয়াৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু কনভয় শেষাংশ ১৭ পৃষ্ঠাত

# পঞ্চায়ত সদস্যৰ প্ৰাৰ্থীক বিজেপিৰ দলীয় প্ৰাৰ্থী ঘোষণা

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৬ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত থকাৰ মাজতে আজি বিজেপিৰ নলবাৰী জিলা সমিতিৰ উপ-সভাপতি পবিত্ৰ ডেকাই গাঁও পঞ্চায়তৰ সদস্য শেষাংশ ১৭ পৃষ্ঠাত



আইমী বৰুৱাক নগাঁৰৰ ৰাইদঙীয়াত অনুসূচিত জাতি সংগ্ৰামী যুব পৰিষদৰ সতী ৰাধিকা বঁটা, ফটোঃ ই-সংবাদ, বেবেজীয়া

# কয়লা মাফিয়াৰ হাতত সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ দায়িত্ব

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৬ এপ্ৰিলঃ** " বিতৰ্ক আৰু অসম সাহিত্য সভা" এতিয়া যেন এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাক এতিয়া বিতৰ্কই যেন একপ্ৰকাৰ লগ নেৰা হৈছে। অসম সাহিত্য সভাক বিতৰ্কমুক্ত কৰিবৰ বাবে বাটত থকা শূল-জেং আঁতৰাই পেলোৱাৰ কথা খোদ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে ২১ মাৰ্চত তিনিচুকীয়া জিলা ভ্ৰমণলৈ শেষাংশ ৮ পৃষ্ঠাত

# মাৰপিটত বাধা দিবলৈ যোৱা আৰক্ষীক ভয়ংকৰ আক্ৰমণ

## দলগাঁৱৰ ধনশিৰী নৈত অবৈধ বালি খননৰ পৰিণতি

**ই-সংবাদ, দলগাঁও, ২৬ এপ্ৰিলঃ** দলগাঁৱৰ শিলবৰীৰ বালি কুৱেৰীত বালি খননক কেন্দ্ৰ কৰি দুই ফৈদৰ মাৰপিটৰ মাজতে আৰক্ষীক আক্ৰমণ কৰা ঘটনাই সমগ্ৰ দৰং জিলাতেই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত দলগাঁও আৰক্ষীয়ে নিশা ৩৪ জনকৈ লোকক আটক কৰি আজি জে'ললৈ প্ৰেৰণ কৰে। ঘটনাৰ বিৱৰণী অনুসৰি, যোৱানিশা শিলবৰীৰ ধনশিৰি নৈত অবৈধ বালি খনন বন্ধ কৰিবলৈ বালি কুৱেৰী চলাই থকা লোকসকলৰ বিৰুদ্ধে স্থানীয় ৰাইজ ওলাই অহাত দুয়ো পক্ষৰ মাজত সংঘাতৰ সৃষ্টি শেষাংশ ১৬ পৃষ্ঠাত

# চেলেং পঞ্চায়তত বিজেপিৰ শক্তিশালী প্ৰচাৰ, নিষ্ক্ৰিয় বিৰোধী

**ই-সংবাদ, মৰিয়নি, ২৬ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ লগতে মৰিয়নি বিধানসভা সমষ্টিতো পঞ্চায়ত নিৰ্বাচনক লৈ শাসক আৰু বিৰোধী দলসমূহ তৎপৰ হৈ পৰা দেখা গৈছে। যদিও শাসকীয় বিজেপিতকৈ বিৰোধীক পিছপৰি থকা পৰিলক্ষিত হৈছে। ইতিমধ্যে মৰিয়নি সমষ্টিৰ ২১ টা গাঁও শেষাংশ ৯ পৃষ্ঠাত

## বাপুৰাম দাসক আম্বেদকাৰ বঁটা

# আইমী বৰুৱাক সতী ৰাধিকা বঁটা

**ই-সংবাদ, বেবেজীয়া, ২৬ এপ্ৰিলঃ** নগাঁও জিলাৰ ৰাইদঙীয়াত শুকুবাৰে অনুসূচিত জাতি সংগ্ৰামী যুব পৰিষদ, অসমৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত তথা পৰিষদৰ নগাঁও জিলা সমিতি আৰু ৰাইদঙীয়াবাসীৰ সহযোগত সংবিধান প্ৰণেতা, দাৰ্শনিক বাবাচাহেব ড° ভীমৰাও ৰামজী আম্বেদকাৰৰ জন্ম জয়ন্তী আৰু মুকলি বিহু উদযাপন কৰা হয়। ৰাইদঙীয়াৰ ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যক্ৰমণিকাৰে আয়োজিত উক্ত জন্ম জয়ন্তী আৰু মুকলি বিহু উপলক্ষে পতাকা উত্তোলন, স্বচ্ছতা অভিযান, ভীমৰাও ৰামজী আম্বেদকাৰৰ প্ৰতিচ্ছবিত শেষাংশ ৯ পৃষ্ঠাত

# মধ্যাহ্ন ভোজন, ঐক্য পোছাকতো পৰ্বতসম কেলেংকাৰী!

## সৰ্বত্ৰে ক্ষোভ, দলগাঁৱৰ জংঘলপাৰা হাইস্কুলৰ প্ৰধান শিক্ষকক অপসাৰণ

**ই-সংবাদ, দলগাঁও, ২৬ এপ্ৰিলঃ** মুখা খোল খাইছে এজন তথাকথিত আদৰ্শৱান শিক্ষকৰ। দৰং জিলাৰ লগতে সমগ্ৰ অসমতে সুনাম অৰ্জন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ত আদৰ্শৱান শিক্ষক বঁটা লাভ কৰা আব্দুল আজিজক দুৰ্নীতিৰ অভিযোগত প্ৰধান শিক্ষক পদৰ পৰা অপসাৰণ কৰাক কেন্দ্ৰ কৰি দলগাঁৱত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, দৰং জিলাৰ দলগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত জংঘলপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল আজিজক তেওঁৰ পদৰ পৰা তাৎক্ষণিকভাৱে অপসাৰণ কৰা হৈছে। অসম মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ৰ পৰা ১৯ এপ্ৰিলত জাৰি কৰা এখন আদেশত এই কথা স্পষ্ট ১৮নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেহেলগাম আক্ৰমণৰ তদন্তৰ চাঞ্চল্যকৰ

দলে। যোৱা মঙলবাৰে বৈছাৰন উপত্যকাত সামৰিক পোছাক পৰিধান কৰি চাৰি উগ্ৰবাদীয়ে নৃশংস আক্ৰমণেৰে হত্যা কৰিছিল এজন কাশ্মীৰীৰ লগতে ২৫ জন পৰ্যটকক। এই ঘটনাৰ তদন্তৰ পিছত আৰক্ষী আৰু প্ৰশাসনৰ যৌথ তদন্তকাৰী দলে প্ৰকাশ কৰা মতে, উগ্ৰবাদীসকলে পৰ্যটকসকলক তেওঁলোকৰ ধৰ্ম চিনাক্তকৰণৰ বাবে কলিমা পাঠ কৰিবলৈ কোৱাই নহয়, পেন্ট খুলি যৌনাংগ পৰীক্ষা কৰি তেওঁলোক হিন্দু নে মুছলমান সেয়াও নিৰ্ণয় কৰিছিল। আৰু সন্ত্ৰাসবাদীৰ এই বৰ্বৰ পৰীক্ষাত যিসকল 'পাছ' হোৱা নাছিল তেওঁলোকৰ বুকুত দগা হৈছিল একে-৪৭ ৰ গুলী। তদন্তকাৰীৰ সূত্ৰ অনুসৰি ঘটনাৰ দিনটোত উদ্ধাৰ হোৱা ২৬ জন লোকৰ ভিতৰত ২০ জনৰ কঁকালৰ তলৰ অংশৰ কাপোৰ উন্মুক্ত হৈ আছিল। কাৰোবাৰ যদি পেন্টৰ জীপ খোলা আছিল, তেন্তে আন কাৰোবাৰ খোলা আছিল আকৌ বুটাম। আনকি কেৱল অন্তৰ্বাস পিন্ধি থকা এটা মৃতদেহো দেখা গৈছিল এটা ভিডিঅ'ত। বাকী ৫ জন লোকৰ ক্ষেত্ৰত উগ্ৰবাদীয়ে তেওঁলোকৰ পৰিচয়-পত্ৰ চাই হিন্দু বুলি নিশ্চিত কৰি হত্যা কৰে। স্থানীয় মুছলমান যুৱক চৈয়দ আদিল হুছেইন শ্বাহকো উগ্ৰবাদীক বাধা দিবলৈ চেষ্টা কৰাৰ সময়ত গুলীবিদ্ধ কৰি হত্যা কৰা হয়। উল্লেখ্য যে পৰ্যটকৰ ঘোঁৰা চালক আদিলে পৰ্যটকক বচাবলৈ চেষ্টা কৰি মৃত্যুক সাবটে। প্ৰত্যক্ষদৰ্শীৰ তথ্য অনুসৰি সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ পৰিচয়-পত্ৰ যেনে আধাৰ কাৰ্ড আৰু ড্ৰাইভিং লাইচেন্স চাব বিচাৰিছিল। তাৰ পিছত তেওঁলোকক কোৰআন পাঠ কৰিবলৈ কোৱা হয় আৰু তেওঁলোকৰ পেন্ট খুলি যৌনাংগ পৰীক্ষা কৰে। এই প্ৰক্ৰিয়াত ২৫ জন হিন্দু পৰ্যটকক চিনাক্ত কৰি এজন এজনকৈ হত্যা কৰা হয়। লস্কৰ-ই-তৈবাৰ সহযোগী সংস্থা দ্য ৰেজিষ্টেন্স ফ্ৰন্টে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। তদন্তত পোহৰলৈ আহিছে যে এই আক্ৰমণৰ মূল পৰিকল্পনাকাৰী আছিল লস্কৰ-ই-তৈবাৰ শীৰ্ষ সেনাধ্যক্ষ ছাইফুল্লাহ কাছুৰী আৰু পাক অধিকৃত কাশ্মীৰৰ দুই সন্ত্ৰাসবাদী। ইতিমধ্যে আৰক্ষী আৰু প্ৰশাসনে তদন্ত আৰম্ভ কৰিছে। জিম্মাত ১৫০০ লোকক সোধা-পোছা কৰা হৈছে, ইয়াৰে ৭ জনৰ ভূমিকা থকাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে জম্মু-কাশ্মীৰ আৰক্ষীয়ে আলী ভাই ওৰফে তালহা, আছিফ ফৌজী (দুয়োজন পাকিস্তানী) আৰু আদিল হুছেইন থোকাৰ (অনন্তনাগৰ বাসিন্দা) নামৰ তিনিজন উগ্ৰবাদীৰ স্কেচ্চ প্ৰকাশ কৰিছে। ইফালে এই আক্ৰমণৰ পিছতে কাশ্মীৰত নিৰাপত্তা অধিক শক্তিশালী কৰা হৈছে। সেনা, চিআৰপিএফ আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যৌথ অভিযান চলাই থকা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানে তদন্ত কৰিব পেহেলগাম

বিৰাজ কৰিছে উত্তেজনাই। ২২ এপ্ৰিলত কাশ্মীৰৰ পেহেলগামত এক নৃশংস আক্ৰমণত প্ৰাণ হেৰুৱাইছিল ২৬ জন লোকে। এই ঘটনাৰ পিছতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে অধিক কঠোৰ হৈছে ভাৰত চৰকাৰ। একে সময়তে এই আক্ৰমণত পাকিস্তানৰ প্ৰত্যক্ষ সম্পৰ্কৰ প্ৰমাণ প্ৰকাশ পোৱাৰ পিছতে শত্ৰু ৰাষ্ট্ৰখনৰ বিৰুদ্ধে ইটোৰ পিছত সিটো কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে নতুন দিল্লীয়ে। ইতিমধ্যে ভাৰতৰ পাকিস্তানৰ সৈতে জলসিন্ধু চুক্তি বাতিল কৰা হৈছে, পাকিস্তানী নাগৰিকক দেশ এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছে। ভাৰতৰ এনে কঠোৰ স্থিতিয়ে এই মুহূৰ্তত ইছলামাবাদত সৃষ্টি কৰিছে তীব্ৰ আতংকৰ। আনকি পৰিস্থিতি এনে এটা পৰ্যায় পাইছেগৈ যে পাকিস্তানে এটোপাল পানীৰ বাবেও কান্দিবলৈ আৰম্ভ কৰিব বুলি আশংকা কৰা হৈছে। চৰম হেঁচাত নতশিৰ হৈ পাকিস্তান চৰকাৰে এতিয়া পেহেলগাম আক্ৰমণৰ নিৰপেক্ষ তদন্তৰ বাবে সন্মতি প্ৰকাশ কৰিছে। এই কথা প্ৰকাশ কৰিছে খোদ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে। উল্লেখ্য যে প্ৰথম অৱস্থাত যদিও পাকিস্তানে প্ৰতি-সতৰ্কবাণীৰ সুৰত কথা কৈছিল, কিন্তু ভাৰতৰ সবল স্থিতিৰ সন্মুখত এতিয়া নৰম সুৰ গ্ৰহণ কৰিছে প্ৰধানমন্ত্ৰীয়ে। শ্বাহবাজ শ্বৰীফে কয় যে পেহেলগাম আক্ৰমণৰ নিৰপেক্ষ, স্বচ্ছ আৰু বিশ্বাসযোগ্য তদন্তৰ বাবে পাকিস্তান সাজু। উল্লেখযোগ্য যে সেই আক্ৰমণত এজন নেপালী নাগৰিককে ধৰি ২৬ জন পৰ্যটক নিৰ্মমভাৱে নিহত হৈছিল। এই আক্ৰমণৰ পিছত ভাৰত চৰকাৰে স্পষ্ট কৰি দিছে যে পাকিস্তানক এটোপাল পানীও দিয়া নহ'ব। পেহেলগাম আক্ৰমণক পুলৱামাৰ পিছত উপত্যকাত আটাইতকৈ ডাঙৰ আঘাত হিচাপে দেখা গৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পাকিস্তানক কঠোৰ সকীয়নি দি কয় যে ভাৰতৰ পৰা কোনো ধৰণৰ অনুগ্ৰহ আশা নকৰিব। দীৰ্ঘদিন ধৰি পাকিস্তানৰ মন্ত্ৰী বিলোৱাল ভুট্টোৱে পানী বন্ধ হ'লে তেজৰ নদী বৈ যাব বুলি ভাবুকি দি আহিছে। কিন্তু আজি শ্বাহবাজ শ্বৰীফৰ সুৰ ইমানেই নৰম হৈছে যে ভাৰতৰ সৈতে পাকিস্তান যে মোকাবিলা কৰাৰ অৱস্থাত নাই সেয়াই স্পষ্ট হৈ পৰিছে। পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে কয় যে পেহেলগাম আক্ৰমণক লৈ বাৰে বাৰে পাকিস্তানক কৰা কাৰ্য দোষাৰোপ ৰাজনীতিৰ আন এক উদাহৰণ মাথোঁ, যিটো বন্ধ কৰা উচিত। তেওঁ দাবী কৰে যে পাকিস্তানে দায়িত্বশীল দেশ হিচাপে যিকোনো নিৰপেক্ষ আৰু বিশ্বাসযোগ্য তদন্তত অংশগ্ৰহণ কৰিবলৈ সাজু। ভাৰতৰ হেঁচাত পাকিস্তানে এই 'প্ৰস্তুতি' ঘোষণা কৰাটো এতিয়া আন্তঃৰাষ্ট্ৰীয় সমাজত তীব্ৰ আলোচনাৰ বিষয় হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পাকিস্তানক সমৰ্থন! দধিচি ডিম্পলসহ

সময় অথচ এতিয়াও ৰাজ্যৰ একাংশ লোকৰ মুখত শত্ৰুদেশ পাকিস্তানৰে জয়গান। পিছে শত্ৰু দেশৰ সমৰ্থন আৰু স্বদেশৰ বিষয়ে নিকৃষ্ট অপমানসূচক মন্তব্য কৰি এতিয়া কোনো সাৰি যাব নোৱাৰিব। এনেধৰণৰ মন্তব্যৰে সমাজক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰা ৬ জন লোকক কালি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পিছত আজি পুনৰ ৫ জনক গ্ৰেপ্তাৰ কৰা হয়। ৰঙাঘৰৰ আলহী হোৱাসকলৰ ভিতৰত আছে বৰপেটাৰ জাৰিফ আলী ওৰফে ছৰীফ সিং, বিশ্বনাথৰ অনিল বণিয়া (জিলা সম্পাদক, ছাত্ৰ মুক্তি সংগ্ৰাম পৰিষদ), শ্ৰীভূমিৰ মুস্তাক আহমেদ ওৰফে ছাহেল, কাছাৰৰ বক্তাৰ হুছেইন বৰভুঞা আৰু ইমৰান হুছেইন বৰভুঞা আৰু গোলাঘাটৰ দধিচী ডিম্পল বৰুৱা। সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ বাবে আটাইকেইজনক গ্ৰেপ্তাৰ কৰা হয়। আজিৰ গ্ৰেপ্তাৰ সন্দৰ্ভত সামাজিক মাধ্যমৰ এক পʼষ্টত এইদৰে ব্যক্ত কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই- আমি কৈ আহিছোঁ যে সামাজিক বা যিকোনো মাধ্যমতে ভাৰতবৰ্ষৰ বিৰোধিতা কৰি প্ৰত্যক্ষ বা পৰোক্ষভাৱে পাকিস্তানক সমৰ্থন কৰা কোনো লোকক ৰেহাই দিয়া নহ'ব। এয়া সম্পূৰ্ণৰূপে দেশদ্ৰোহিতা। এইক্ষেত্ৰত কালি ৫ জনক গ্ৰেপ্তাৰ কৰাৰ পিছত আজিৰ এই সময়লৈ সেই সংখ্যা ১০ জনলৈ বৃদ্ধি হৈছে।' তেওঁ লগতে কয় যে চৰকাৰৰ এই অভিযান নিৰন্তৰভাৱে চলি থাকিব। এনে আপত্তিজনক দেশদ্ৰোহিতামূলক বিষয় দৃষ্টিগোচৰ হ'লে শীঘ্ৰেই স্থানীয় কৰ্তৃপক্ষক অৱগত কৰিবলৈ ৰাইজক অনুৰোধ জনায় মুখ্যমন্ত্ৰীগৰাকীয়ে। ইফালে মুখ্যমন্ত্ৰীৰ মন্তব্যৰ পিছতে দেশৰ প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে বিতৰ্কিত মন্তব্য ফেচবুকত পʼষ্ট কৰাৰ বাবে গ্ৰেপ্তাৰ কৰা হয় পাচনৈ ছেৰফাং ব্লক কংগ্ৰেছৰ সভাপতি বিমল মাহাতোক। বিতৰ্কিত ফেচবুক পʼষ্টৰ পিছতেই বিমল মাহাতোক গ্ৰেপ্তাৰ কৰে ওৰাং আৰক্ষীয়ে। ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ১১৩(৩)/১৫২/১৯৬/১৯৭(১)/৩৫২/৩৫৩ৰ অধীনত ওৰাং থানাত ০৩০/২৫ নম্বৰত গোচৰ ৰুজু কৰা হয় কংগ্ৰেছ নেতা বিমল মাহাতোৰ বিৰুদ্ধে। আৰক্ষীয়ে বিমল মাহাতোৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ ধাৰাও সন্নিৱিষ্ট কৰা বুলি জানিব পৰা গৈছে। শুকুৰবাৰে মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ মাজাহাৰ মিঞা নামৰ লোকজনেও ছʼচিয়েল মিডিয়াত প্ৰকাশ পোৱা এটা বিতৰ্কিত ভিডিঅ'ত পাকিস্তানী সন্ত্ৰাসবাদীক সমৰ্থন কৰি 'গুড জব' বুলি মন্তব্য কৰিছিল। ইয়াৰ পিছতে আৰক্ষীয়ে মৈৰাবাৰী থানাত গোচৰ ৰুজু কৰি মাজাহাৰ মিঞাক গ্ৰেপ্তাৰ কৰিছিল। আজি গ্ৰেপ্তাৰ কৰা দধিচী ডিম্পল বৰুৱা পেছাত এগৰাকী সাংবাদিক। সামাজিক মাধ্যমত প্ৰকাশ কৰা আপত্তিজনক মন্তব্যৰ বাবে তেওঁক গ্ৰেপ্তাৰ কৰা হয়। উল্লেখ্য, সাম্প্ৰতিক পৰিস্থিতিত দেশ বা চৰকাৰৰ বিৰুদ্ধাচৰণ বা পাকিস্তানৰ প্ৰতি সহমৰ্মিতা দেখুওৱা কাৰ্যক দেশদ্ৰোহিতা বুলি গণ্য কৰা হ'ব আৰু এনে কাম কৰা ব্যক্তিৰ বিৰুদ্ধে কঠোৰতম শাস্তি গ্ৰহণ কৰা হ'ব।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কয়লা মাফিয়াৰ হাতত সাহিত্য সভাৰ

আহোঁতে প্ৰতিখন সভাতেই ৰাজহুৱাকৈ ঘোষণা কৰিছিল যদিও সেয়া কিমানদূৰ বাস্তৱায়িত হয় তাত সকলোৰে সন্দেহ আছে। নৱনিৰ্বাচিত সভাপতি ড° গোস্বামীয়ে কৈছিল, " অসম সাহিত্য সভা এতিয়া সম্পূৰ্ণ বিতৰ্কমুক্ত। অসম সাহিত্য সভাত আৰু কোনোদিনে বিতৰ্কৰ সৃষ্টি নহ'য়। অতীতক পাহৰি গৈ নতুনৰ বাটেদি অসম সাহিত্য সভাই আগবাঢ়ি যাব বুলি কৈ সকলোৰে দিহা-পৰামৰ্শ কামনা কৰাৰ লগতে অসমৰ ভাষা, সাহিত্য-সংস্কৃতি ৰক্ষাৰ বাবে সকলোকে আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিল। অসম সাহিত্য সভাক সুস্থ-সমাহিত আৰু বিতৰ্কহীন অনুষ্ঠান হিচাপে গঢ়ি তোলাৰ অংগীকাৰবদ্ধ হোৱা সভাপতিগৰাকীয়ে অসম সাহিত্য সভাক তেওঁৰ দুবছৰীয়া চমু কাৰ্যকালৰ ভিতৰত পূৰ্বৰ সকলো বিতৰ্কৰ অৱসান ঘটোৱাৰ লগতে বিত্তীয় সংক্ৰান্তত যাতে ভৱিষ্যতে কোনেও আঙুলি টোঁৱাব নোৱাৰে তাৰ বাবে অসম সাহিত্য সভাৰ নিকা ভাবমূৰ্তি ঘূৰাই অনা হ'ব বুলিও ঘোষণা কৰিছিল। অসম সাহিত্য সভাক অসমৰ ৰাইজৰ স্বাভিমানৰ প্ৰতীক বুলি কৈ অসম সাহিত্য সভাৰ বিতৰ্ক এই বছৰৰ পৰা নাইকিয়া হ'ব বুলিও প্ৰতিশ্ৰুতি দিছিল। সমগ্ৰ জাতিয়ে যিহেতু অসম সাহিত্য সভাক স্বাভিমানৰ প্ৰতীক বুলি গণ্য কৰে সেয়েহে সভাৰ সেই মৰ্যাদা বৰ্তাই ৰাখিবলৈ প্ৰয়াস কৰাৰ কথাও কোৱা অসম সাহিত্য সভাৰ সন্মানীয় সভাপতিগৰাকীয়ে লগতে কৈছিল যে সাহিত্য সভাক জনসাধাৰণে কৰা সমালোচনাক শিৰৰ মুকুট বুলি গণ্য কৰি সভাৰ দোষ-ত্ৰুটিবোৰ নাইকিয়া কৰিবলৈ চেষ্টা কৰিম। কিন্তু সভাপতিগৰাকীৰ এই ভ্ৰমণৰ ঠিক এমাহৰ পিছতেই উন্মোচিত হৈছে সভাৰ ভিতৰছোৱাৰ এক ভয়ংকৰ দিশ, যিটো কাৰোৱে কাম্য নহয়। অসম সাহিত্য সভাক মনে-প্ৰাণে ভাল পোৱা প্ৰতিগৰাকী লোকৰ অন্তৰত আঘাত দিছে। কাৰণ যি সময়ত ড° বসন্ত কুমাৰ গোস্বামীৰ দৰে স্বনামধন্য সাহিত্যিক অসম সাহিত্য সভাৰ সভাপতিৰ দৰে জাতীয় জীৱনৰ অতিকৈ সন্মানীয় পদত অধিষ্ঠিত হৈছে সেই সময়তে অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্বত এগৰাকী কয়লা মাফিয়াক অধিষ্ঠিত কৰাক লৈ এতিয়া ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সভাই যিগৰাকী ব্যক্তিক সাংগঠনিক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰিছে, সেইগৰাকী ব্যক্তিৰ পৰিচিতি কয়লা মাফিয়া আৰু কোটিপটি ব্যক্তিৰূপে। মাৰ্ঘেৰিটা নিবাসী, বহুচৰ্চিত এইগৰাকী কয়লা মাফিয়া সুনীল কুমাৰ গুৰুং ওৰফে ভৰত জড়িত কয়লাৰ ৰাণী খ্যাত মাৰ্ঘেৰিটাত অবৈধ কয়লা খনন, সৰবৰাহ আৰু কয়লা ছিণ্ডিকেটৰ সৈতে। ২০১৯ চনৰ ১২ মাৰ্চত অসম চৰকাৰৰ ভূতত্ত্ব আৰু খনি বিভাগৰ সঞ্চালকগৰাকীয়ে কয়লা মাফিয়া সুনীল গুৰুং আৰু আন ১৮ জন অভিযুক্তৰ বিৰুদ্ধে তদানীন্তন তিনিচুকীয়া জিলাৰ উপায়ুক্ত আৰু জিলা আৰক্ষী অধীক্ষকলৈ পত্ৰ প্ৰেৰণ কৰি ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল যদিও এইজন সুনীল গুৰুঙৰ ওপৰত থকা ৰাজ্যৰ বাঘা বাঘা নেতাৰ আশীৰ্বাদৰ বাবেই আজিলৈকে কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে চৰকাৰ-প্ৰশাসনে। মাৰ্ঘেৰিটাৰ বিজেপি বিধায়ক ভাস্কৰ শৰ্মাৰ ঘনিষ্ঠ বুলি পৰিচিত সুনীল গুৰুং আৰু আন ১৮ জন অভিযুক্তৰ বিৰুদ্ধে আজি প্ৰায় দুমাহ পূৰ্বে ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতি ভাস্কো ডি শইকীয়াই তিনিচুকীয়াত এক সংবাদ মেল সম্বোধন কৰি মাৰ্ঘেৰিটাৰ কয়লা ছিণ্ডিকেট সন্দৰ্ভত কেতবোৰ বিস্ফোৰক অভিযোগ আনিছিল। অৱশ্যে, অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক, প্ৰাক্তন পৰ্যটন মন্ত্ৰী জগদীশ ভূঞাঁয়ো ইয়াৰ পূৰ্বে এই সন্দৰ্ভত সংবাদ মেল যোগে অভিযোগ তুলিছিল। এই ১৯ জনৰ ভিতৰত গোবিন্দ ছেত্ৰী, বি গণেশ আৰু সুনীল গুৰুঙৰ মাৰ্ঘেৰিটাৰ প্ৰাসাদোপম অট্টালিকাত ২৩ এপ্ৰিলত আৰক্ষীৰ সহযোগত ইডিয়ে অভিযান চলোৱাৰ পিছতে সুনীল গুৰুঙক অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদকৰ দৰে দায়িত্ব অৰ্পণক লৈ সকলোতে চৰ্চা চলিব ধৰিছে। কাৰণ এইজন সুনীল গুৰুঙক সততে দেখা গৈছিল অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ শেহতীয়া তিনিচুকীয়া ভ্ৰমণৰ কালছোৱাত। অভিযোগ অনুসৰি সভাপতিগৰাকীৰ ভ্ৰমণৰ সময়ত ছাঁটোৰ দৰে লাগি থকা এইজন সুনীল গুৰুঙে সভাৰ বিত্তীয় দিশটোৰ সমস্ত দায়িত্ব মূৰ পাতি লৈছিল। যদি সেয়াই হয়, তেন্তে অনাগত দিনত অসম সাহিত্য সভা কোন দিশে গতি কৰিব, সেয়া সহজেই অনুমেয়। কয়লা মাফিয়াৰূপী অসম সাহিত্য সভাৰ এইজন নৱনিযুক্ত সাংগঠনিক সম্পাদক এজন প্ৰতিষ্ঠিত হোটেল ব্যৱসায়ীও। মাৰ্ঘেৰিটাৰ বৰগোলাইত হোটেল এছ জি হাব টাৱাৰ নামেৰে কোটিটকীয়া হোটেলৰ গৰাকী সুনীল গুৰুঙক অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদকৰ পদত অধিষ্ঠিত কৰাটোৱে আচলতে অসম সাহিত্য সভাক কিমান বিতৰ্কমুক্ত কৰিব, সেয়া জলজল-পটপটকৈ ওলাই পৰিছে। মাৰ্ঘেৰিটা-লিডুৰ পৰা অৰুণাচলৰ চাংলাং জিলাৰ খাৰচাংলৈকে বিস্তৃত এওঁলোকৰ কয়লা সাম্ৰাজ্যৰ কথা কৈ ওৰকে নপৰে। উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞা সত্ত্বেও অসমৰ ডিমা হাছাওৰ উপৰি কয়লা নগৰী হিচাপে পৰিচিত লিডুকে ধৰি বিভিন্ন অঞ্চলত ৰেট হল মাইনিং অবৈধভাৱে চলি অহা সন্দৰ্ভত সময়ে সময়ে তথ্য-প্ৰমাণসহ স্থানীয় প্ৰকৃতিপ্ৰেমীয়ে দাঙি ধৰি আহিছে যদিও কেতিয়াকৈ ই ওৰ পৰিব ? মূঠৰ ওপৰত কাৰোবাৰ শিৰত যেতিয়া শাসকপক্ষৰ প্ৰভাৱশালী নেতাৰ আশীৰ্বাদ থাকে, তেতিয়া সুনীল গুৰুঙৰ দৰে কয়লা মাফিয়াও হৈ পৰে সমাজৰ মূধা ফুটা লোক, হৈ পৰে সমাজৰ শুভচিন্তক, সাংবাদিক, সাহিত্যকৰ্মী আৰু অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বব তেজৰ নৈ! ভাৰতক ভাবুকি

পেহেলগামত ২৬ পৰ্যটকক গুলীয়াই হত্যা কৰাৰ পিছত ১৯৬০ চনৰ সিন্ধু জল চুক্তি বাতিল কৰিছে ভাৰত চৰকাৰে। এই চুক্তি বাতিলৰ পিছত এতিয়া ভয়াৰহ পানী নাটনিৰ আশংকাত ভুগিছে পাকিস্তান। শনিবাৰে পাকিস্তান পিপুলছ পাৰ্টিৰ অধ্যক্ষ বিলোৱাল ভুট্টো জৰ্দাৰীয়ে ভাৰতক হুংকাৰ দি কয় যে যদি ভাৰতে সিন্ধুৰ পানী পাকিস্তানলৈ বৈ অহাটো বন্ধ কৰে তেতিয়া তেজৰ নৈ বৈ যাব। শুকুৰবাৰে সিন্ধ প্ৰদেশৰ চুক্কুৰ অঞ্চলত ৰাজহুৱা সভাত ভাষণ দি প্ৰাক্তন বৈদেশিক মন্ত্ৰী তথা পিপুলছ পাৰ্টিৰ অধ্যক্ষ জৰ্দাৰীয়ে কয় যে, “সিন্ধু আমাৰ আৰু আমাৰ হৈয়ে থাকিব। হয় আমাৰ পানী ইয়াৰ মাজেৰে বৈ যাব, নহয় তেওঁলোকৰ তেজ বৈ যাব।” লগতে তেওঁ কয়, “এই প্ৰদেশৰ মাজেৰে সিন্ধু নদী বৈ গৈছে আৰু ইয়াৰ পাৰতে সিন্ধু উপত্যকা সভ্যতাৰ চহৰ মহেঞ্জদাৰো গঢ় লৈ উঠিছল। নৰেন্দ্ৰ মোদীয়ে ভাৰতক হাজাৰ হাজাৰ বছৰ পুৰণি সভ্যতাৰ উত্তৰাধিকাৰী বুলি দাবী কৰে। কিন্তু সেই সভ্যতাৰ মহেঞ্জোদাৰো আৰু লাৰকানা আমাৰ পাকিস্তানত নিহিত হৈ আছে। আমি ইয়াৰ প্ৰকৃত ৰক্ষক আৰু আমি ইয়াক ৰক্ষা কৰি যাম।” জৰ্দাৰীয়ে লগতে কয় যে মোদীয়ে সিন্ধু নদী আৰু সিন্ধুবাসীৰ মাজত থকা যুগ যুগ ধৰি চলি অহা বন্ধন বিচ্ছিন্ন কৰিব নোৱাৰে। ভাৰত চৰকাৰে পাকিস্তানৰ পানীৰ ওপৰত চকু দিছে। পাকিস্তানৰ জনসাধাৰণে বা আন্তঃৰাষ্ট্ৰীয় সমাজেও মোডীৰ যুদ্ধপ্ৰেম বা সিন্ধুৰ জলসীমাক পাকিস্তানৰ পৰা আঁতৰাই নিয়াৰ কোনো প্ৰচেষ্টাক সমৰ্থন নকৰে। আমি বিশ্বলৈ এটা বাৰ্তা প্ৰেৰণ কৰিম যে সিন্ধুৰ পানী ডকাইতি কৰাটো মানি লোৱা নহ'ব। ইয়াৰ লগতে, ভাৰতীয় আগ্ৰাসনৰ পৰা নিজৰ নদীখন ৰক্ষাৰ বাবে দৃঢ় সংগ্ৰামৰ বাবে সাজু হ'বলৈ সমৰ্থকসকলক আহ্বান জনায় বিলাৱাল ভুট্টো জৰ্দাৰীয়ে। পাকিস্তানৰ কনিষ্ঠতম বৈদেশিক মন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰা বিলাৱালে কয় যে শেহতীয়াকৈ ভাৰতত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক পাকিস্তান আৰু ইয়াৰ জনসাধাৰণে গৰিহণা দিছে কাৰণ পাকিস্তানীসকল নিজেই সন্ত্ৰাসবাদৰ বলি হৈ আছে। বিলাৱালৰ মন্তব্যই দুয়োখন দেশৰ জনগণৰ মাজত পৰস্পৰৰ প্ৰতি ঘৃণা দুগুণে বৃদ্ধি কৰিছে। লগতে, এই মন্তব্যৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো চৰ্চা চলিছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আইমী বৰুৱাক সতী ৰাধিকা বঁটা

মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনৰ অন্তত মুকলি বিহু অনুষ্ঠিত কৰা হয়। ঠিক সেইদৰে সন্ধিয়া গীত-মাত-নৃত্যৰ সমাহাৰে এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উদযাপন সমিতিৰ সভাপতি প্ৰমোদ কুমাৰ দাস আৰু কাৰ্যকৰী সভাপতি জগতজ্যোতি দাসে সামগ্ৰিকভাবে আঁত ধৰা বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানত স্থানীয় শিল্পীসকলে বিহুনৃত্য, আধুনিক নৃত্য, দলীয় নৃত্যৰ লগতে শিশুৰ অনুষ্ঠান 'বিকাশ'ৰ কন কন শিশুসকলে যোগ ক্ৰীড়া প্ৰদৰ্শনেৰে উপস্থিত দৰ্শকক মন্ত্ৰমুগ্ধ কৰি তোলে। তদুপৰি টেলিভিছনৰ 'বিয়লিৰ বৃন্দাবন' নামৰ ধাৰাবাহিকখনৰ জনপ্ৰিয় চৰিত্ৰ 'নন্দু-চন্দু' খ্যাত অভিনেতা ঋতুৰাজ-নিৰুপমে হাস্যমধুৰ অনুষ্ঠানৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী মনোজ দুৱৰাই গীত পৰিবেশনেৰে অনুষ্ঠানস্থলী উজ্বলাই তোলে। ইফালে, উক্ত অনুষ্ঠানতে অনুসুচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ ফালৰ পৰা ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট অভিনেত্ৰী আইমী বৰুৱাক 'আই সতী ৰাধিকা বঁটা' আৰু ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত কেপ্তেইন বাপুৰাম দাসক 'আম্বেদকাৰ বঁটা' আনুষ্ঠানিকভাবে প্ৰদান কৰা হয়। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি সঞ্জীৱ দাস, কাৰ্যকৰী সভাপতি বিশ্বজিৎ দাস, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক বিতোপন পাঠ, অমৰেন্দ্ৰ দাস, পবিত্ৰ হাজৰিকা, দ্বীপজ্যোতি দাসকে ধৰি সমূহ বিষয়-ববীয়া, অনুসূচিত জাতিৰ কেইবাটাও সংগঠনৰ বিষয়-ববীয়া আৰু বহুকেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বঁটা গ্ৰহন কৰি বিশিষ্ট অভিনেত্ৰী আইমী বৰুৱাই কয়ে যে মোক যি সন্মান যাচিছে মই সেই সন্মানৰ যোগ্য হওঁ বুলি একেবাৰে ক'ব নোখোজো যদিও নহঁও বুলি কৈ তেওঁলোকে যি মৰম যাঁচিছে তাক উপেক্ষাও কৰিব নোখোজো। মই এযাৰেই কওঁ যে আজীৱন এই সন্মানৰ যোগ্য হৈ যোৱাৰ চেষ্টা কৰি যাম। তেওঁ নিজকে কৈৱৰ্ত্ত সমাজৰ বোৱাৰী বুলি গৌৰৱবোধ কৰাৰ কথা দোহাৰি লগতে ইতিহাসৰ পাতত হেৰাই যাব ধৰা কৈৱৰ্ত্ত সমাজৰ এগৰাকী মহিয়সী নাৰী চেনীমাই দাসৰ জীৱনভিত্তিক বিগত চাৰি বছৰ ধৰি কিবা এটা কৰি থকা বুলি উল্লেখ কৰি অহা বছৰ সেয়া ৰাইজলৈ মাজলৈ আগবঢ়াই দিব বুলি ঘোষণা কৰে। বিশিষ্ট অভিনেত্ৰীগৰাকীয়ে পেহেলগামত সংঘটিত নাৰকীয় কাণ্ড সন্দৰ্ভত কয় যে-এনেদৰে ভাৰতীয়ক হত্যা কৰাটো কেতিয়াও মানি লোৱা নহ'ব। ভাৰতীয়সকল যি জাতি বা যি ধৰ্মৰেই নহওঁক। তেওঁলোক আমাৰ ককাই বা ভাই। মোৰ বিশ্বাস আমাৰ চৰকাৰখনে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিব। কিন্তু এতিয়া এইখিনি আমি একলগ হোৱাৰ সময় । আনক সমালোচনা কৰাতকৈ নিজৰ ঘৰখন ভালকৈ ৰখাটো খুবেই প্ৰয়োজন। নিজৰ ঘৰখন বেয়া হ'লে আনক সমালোচনা কৰি লাভ নাই। অভিনেত্ৰী আইমী বৰুৱাই মঞ্চত ক্ষন্তেক সময়ৰ বাবে বিহু নাচি উপস্থিত সকলোকে আমোদ দিয়ে। ইফালে, ভাৰতীয় সেনাৰ অৱসৰপ্ৰাপ্ত কেপ্তেইন বাপুৰাম দাসে 'আম্বেদকাৰ বঁটা' গ্ৰহণ কৰি এই সন্মানে জীয়াই থকাৰ বাবে শক্তি দিয়া বুলি নিজৰ অনুভৱ ব্যক্ত কৰে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সোৱণশিৰিত গৰাখহনীয়া, পীযুষ

প্ৰতিৰোধৰ কোনো পদক্ষেপ গ্ৰহণ নকৰাত আজি ৰাইজ ওলাই আহি চৰকাৰৰ বিৰুদ্ধে নদীৰ কাষত প্ৰতিবাদ সাব্যস্ত কৰে। ৰাইজে মন্ত্ৰী পীযুষ হাজৰিকা হায় হায়, চৰকাৰ হায় হায়, আমাৰ দাবী মানিবই লাগিব আদি ধ্বনি দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী ৰাইজে "আমাক অৰুণোদয়, পকী ৰাস্তা, ঘৰ, মিছা প্ৰতিশ্ৰুতি নালাগে, আমাক মাথোঁ সুৰক্ষা লাগে" বুলি দাবী উঠায়। ইফালে মাজুলীৰ ভকত চাপৰিত ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়া। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত তীব্ৰ ৰূপ লৈছে খহনীয়াই। যাৰ পৰিপ্ৰেক্ষিতত ভকত চাপৰিৰ দক্ষিণ দিশত ৭ কিঃমিঃ খহনীয়াত জাহ গৈছে। আজি দুদিন ধৰি ব্ৰহ্মপুত্ৰৰ খহনীয়াই কৃষিভূমি নিমিষতে খহাই নিয়ে। খহনীয়াৰ প্ৰকোপত আতংকিত হৈ পৰিছে ভকত চাপৰি অঞ্চল। খহনীয়াৰ কবলত কেইবাটাও পৰিয়ালৰ ঘৰ-দুৱাৰ জাহ যোৱাৰ আশংকা হৈছে। এতিয়া ভকত চাপৰিৰ ১৬ খন গাঁৱৰ গঞাৰ মাজত হাহাকাৰ লাগিছে।এনেদৰে খহনীয়া চলি থাকিলে মাজুলীৰ ভকতচাপৰি নদীৰ বুকুত বিলীন হোৱাৰ আশংকা প্ৰবল। খহনীয়া ৰোধত ব্ৰহ্মপুত্ৰ ব'ৰ্ডে ল'ৰা-ধেমালি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অঞ্চলবাসীয়ে। ৰাইজে অভিযোগ কৰা অনুসৰি অঞ্চলটোত খহনীয়া চলি থাকিলেও ব্ৰহ্মপুত্ৰ ব'ৰ্ডে কোনো ব্যৱস্থা গ্ৰহণ নকৰে। যাৰ ফলত বিঘাই বিঘাই কৃষিভূমি খহনীয়াৰ কবলত পৰিছে। মাজুলী সুৰক্ষাৰ বাবে ব্ৰহ্মপুত্ৰ ব'ৰ্ডক কোটি কোটি টকা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে দি আহিছে যদিও সঠিক ৰূপায়ণ নকৰাৰ বাবেই এপদ এপদকৈ ভূমি মাজুলীৰ মানচিত্ৰৰ পৰা হেৰাই গৈছে বুলি অভিযোগ কৰিছে ভকত চাপৰিৰ ৰাইজে। ৰাইজে দাবী কৰা অনুসৰি খহনীয়াৰ কবলত পৰা ভকত চাপৰিৰ মানুহক কোনো ঠাইত পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা নহ'লে শৈল্য স্পাৰেৰে ভকত চাপৰিক সুৰক্ষিত কৰাৰ দাবী উঠিছে। ইফালে আজি খহনীয়াগ্ৰস্ত ভকত চাপৰিত মাজুলী জিলা আয়ুক্ত উপস্থিত হৈ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি ৰাইজৰ দুৰ্দশাৰ বুজ লোৱাৰ লগতে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চেলেং পঞ্চায়তত বিজেপিৰ শক্তিশালী

পঞ্চায়তৰ ২১০ টা ৱাৰ্ডত বিজেপি সমৰ্থিত ২৯ জন সদস্য আৰু পূব যোৰহাট আঞ্চলিক পঞ্চায়তৰ এগৰাকী সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। সেইদৰে ১৩ নং চেলেং গাঁও পঞ্চায়তত বিজেপি দলৰ প্ৰাৰ্থী বিৰোধী দলৰ তুলনাত প্ৰচাৰত আগবাঢ়ি গৈছে। বিজেপি প্ৰাৰ্থী মন্টু কুমাৰ চুতীয়াই ঘৰে ঘৰৈগৈ ভোটাৰক সমৰ্থন বিচাৰি কৌশলী প্ৰচাৰ অব্যাহত ৰাখিছে। ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত দীঘলীয়া সম্পৰ্ক থকা মন্টু চুতীয়াই চাহ বাগিচা আৰু গ্ৰামাঞ্চলৰ ভোটাৰক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী অৰূপ প্ৰধানৰ তৎপৰতাৰ অভাৱে বিৰোধী পক্ষৰ স্থিতি অধিক নিৰ্জীৱ কৰি তুলিছে। ফলত, ৱাৰ্ড সদস্য প্ৰাৰ্থীসকলৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা থাকিলেও আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ আসনত স্থানীয় পঞ্চায়তৰ বিজেপি প্ৰাৰ্থী ৰাজেন গগৈৰ জয়ৰ পথ প্ৰায় নিশ্চিত হৈ পৰিছে।

# বৰপথাৰত ড্ৰাগছসহ তিনি সৰবৰাহকাৰী আটক আছুৰ

**ই-সংবাদ, সৰুপথাৰ, ২৬ এপ্ৰিলঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত বৰপথাৰ নগৰত যোৱানিশা স্থানীয় লোকসহ আছু কৰ্মীৰ এটা দলে খেদি খেদি এগৰাকী মহিলাসহ দুজনক আটক কৰাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে ই-ৰিক্সা চলাই গৈ থকা অৱস্থাত শিঙিমাৰী অঞ্চলৰ এজন লোকৰ পৰা ৰাইজে কালি গধূলি প্ৰায় ৮.৩০ বজাত কিছু পৰিমাণে সন্দেহজনক ড্ৰাগছ উদ্ধাৰ কৰি বৰপথাৰ আৰক্ষীক চমজাই দিয়ে। ৰাইজে পুনৰ অঞ্চলটোৰ দুৱৰণিত অভিযান চলাই এগৰাকী মহিলাক সন্দেহজনক দ্ৰব্যৰে আৰক্ষীক চমজাই দিয়ে। ড্ৰাগছ সৰবৰাহৰ সৈতে জড়িত বুলি সন্দেহ কৰা খাইৰুল নামৰ এজন পলাই সাৰে বুলি প্ৰকাশ। আৰক্ষীয়ে ইতিমধ্যে সমগ্ৰ ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

# বাংকাৰ চাফা কৰি অত্যাৱশ্যকীয় সামগ্ৰী গোটাইছে সীমান্তৰ বাসিন্দাই

## যিকোনো মুহূৰ্তত হ'ব পাৰে গোলাবৰ্ষণ

**পুঞ্চ, ২৬ এপ্ৰিল:** শেহতীয়াকৈ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত, এলতʼচিত চলি থকা তীব্ৰ উত্তেজনাই জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাৰ গাওঁবাসীসকলক সম্ভাব্য যুদ্ধ সদৃশ পৰিস্থিতিৰ বাবে প্ৰস্তুত হ'বলৈ বাধ্য কৰিছে। পাকিস্তানী সামৰিক শিবিৰৰ ওচৰত থকা চালোত্ৰী আৰু কৰ্মাৰহাৰ দৰে অঞ্চলৰ বাসিন্দাসকলে বিগত বহু বছৰৰ ধৰি অব্যৱহৃত হৈ থকা ভূগৰ্ভস্থ বাংকাৰসমূহ পৰিষ্কাৰ কৰি সেইসমূহত পুনৰ বয়-বস্তু গোটাবলৈ আৰম্ভ কৰিছে। স্থানীয় লোকসকলে সাৱধানতামূলক ব্যৱস্থাৰ অংশ হিচাপে খাদ্য, পানী, কম্বল আৰু বিচনাকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী সংগ্ৰহ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য, বিগত কিছুবছৰ তুলনামূলক শান্তিৰ পৰিস্থিৰ বাবে বহুতেই এই বাংকাৰবোৰ কথা পাহৰি গৈছিল। কিন্তু এতিয়া সংঘৰ্ষৰ ভাবুকিয়ে সীমান্তত গোলাবৰ্ষণ আৰু জৰুৰী আশ্ৰয়ৰ প্ৰয়োজনীয়তাৰ স্মৃতি ঘূৰাই আনিছে। "মানুহে বাংকাৰবোৰ পাহৰি গৈছিল। বাংকাৰবোৰ এতিয়া পুনৰ পৰিষ্কাৰ কৰা হৈছে। ভয়ৰ পৰিৱেশ বৰ্তি আছে, কিন্তু আমি আশা কৰোঁ উপত্যকাটোত সম্প্ৰীতি বিৰাজ কৰিব," কৰ্মাৰ এজন বাসিন্দাই সংবাদমাধ্যমক কয়। পহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণে অঞ্চলটোত নিৰাপত্তাৰ চিন্তা পুনৰ জাগ্ৰত কৰিছে, যাৰ ফলত এলতʼচিত সতৰ্কতা বৃদ্ধি পাইছে। উল্লেখ্য, জনসাধাৰণৰ সুৰক্ষাৰ বাবে চৰকাৰে উক্ত বাংকাৰসমূহ নিৰ্মাণ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নিৰ্মাণ কৰা এই বুলেটপ্ৰুফ বাংকাৰসমূহ ভূপৃষ্ঠৰপৰা ১০ ফুত গভীৰত নিৰ্মাণ কৰা হৈছে আৰু এইবোৰ অত্যন্ত সুৰক্ষিত। পূৰ্বতে এই সুবিধা নথকাত অতীতত কাৰ্গিল যুদ্ধৰ সময়ত, চুবুৰীয়া গাওঁ হুণ্ডামেনৰ বাসিন্দাসকলে সুৰক্ষাৰ বাবে সৰু বাংকাৰৰ প্ৰৱেশাধিকাৰ লাভ কৰিছিল। বিপৰীতে, এনে সুবিধাৰ অভাৱৰ বাবে চালোত্ৰীবাসীয়ে পুঞ্চলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছিল।



আটাৰি-ৱাঘা সীমান্তত গৃহাভিমূখী পাক নাগৰিকৰ নথি পৰীক্ষা বিএছএফ জোৱানৰ, ফটো শনিবাৰ



# ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজৰ পূৰ্ণকালীন সঞ্চালক হʼল অনন্ত আম্বানী

**নতুন দিল্লী, ২৬ এপ্ৰিল:** ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজ লিমিটেডৰ পূৰ্ণকালীন সঞ্চালক হিচাপে নিযুক্ত হল অনন্ত আম্বানী। কোম্পানীটোৰ অধ্যক্ষ মুকেশ আম্বানীৰ কনিষ্ঠ পুত্ৰ অনন্তক পূৰ্ণকালীন সঞ্চালক হিচাপে নিযুক্তি দিয়া হয়। ষ্টক এক্সচেঞ্জ ফাইলিংত প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা মতে মানৱ সম্পদ, নমিনেশ্যন আৰু ৰেমুনাৰেশ্যন কমিটীৰ পৰামৰ্শ অনুসৰি ব'ৰ্ডে শ্বেয়াৰহোল্ডাৰৰ অনুমোদন সাপেক্ষে ২০২৫ চনৰ ১ মে'ৰ পৰা আৰম্ভ হ'বলগীয়া পাঁচ বছৰৰ বাবে অনন্ত আম্বানীৰ নিযুক্তিত অনুমোদন জনায়। ৰিলায়েঞ্চৰ ব'ৰ্ডত অ-কাৰ্যবাহী সঞ্চালক হিচাপে কাৰ্যনিৰ্বাহ কৰা অনন্ত আম্বানীয়ে এতিয়া ভাৰতৰ আটাইতকৈ আগশাৰীৰ প্ৰতিষ্ঠানটোত অধিক সক্ৰিয় কাৰ্যবাহী ভূমিকা গ্ৰহণ কৰিব।

# ৰোমৰ প্ৰিয় গিৰ্জাত সমাধিস্থ কৰা হʼল পোপ ফ্ৰান্সিছক

**ভেটিকান চিটী, ২৬ এপ্ৰিল:** ছেইণ্ট পিটাৰ্ছ স্কোৱেৰত অন্ত্যেষ্টিক্ৰিয়াৰ পাছত আজি পোপ ফ্ৰান্সিছক তেওঁৰ প্ৰিয় ৰোম গীৰ্জাৰ ভিতৰত সমাধিস্থ কৰা হয়। ভাৰতীয় সময়মতে আজি দুপৰীয়া ১:৩০ বজাত পোপ ফ্ৰান্সিছৰ অন্ত্যেষ্টিক্ৰিয়া ভেটিকানৰ ছেইণ্ট পিটাৰ্ছ বেচিলিকাৰ সন্মুখত থকা ৰাজকীয় বাৰোক প্লাজাত আৰম্ভ হৈছিল। তেওঁক ৰোমৰ ছাণ্টা মাৰিয়া মেগিঅ'ৰ বেচিলিকাত সমাধিস্থ কৰা হয়। ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপাদি মুৰ্মু আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পকে ধৰি বহুতো বিশ্ব নেতাই কেথলিক গুৰুজনক সন্মান জনোৱাৰ উদ্দেশ্যে অনুষ্ঠানটোত উপস্থিত থাকে। অন্ত্যেষ্টিক্ৰিয়াত প্ৰায় ২,০০,০০০ সমাগত হোৱাৰ কথা জানিব পৰা গৈছে। অন্ত্যেষ্টিক্ৰিয়াত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ উপৰিও কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ যশুৱা ডি চুজাও উপস্থিত আছিল।

# মিডিয়া-ছʼচিয়েল মিডিয়াত নিৰাপত্তাৰক্ষীৰ কাৰ্যকলাপৰ প্ৰচাৰ নিষিদ্ধ

**নতুন দিল্লী, ২৬ এপ্ৰিল:** প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তাৰক্ষীৰ কাৰ্যকলাপৰ পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰাৰ পৰা বিৰত থাকিবলৈ সকলো সংবাদ মাধ্যমক পৰামৰ্শ জাৰি কৰিছে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত ২৬ জন লোক নিহত হোৱাৰ পিছত এই পৰামৰ্শ জাৰি কৰা হৈছে। বিবৃতিত কোৱা হৈছে যে কাৰ্গিল যুদ্ধ, মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণ আৰু কান্দাহাৰ হাইজেকিঙৰ সময়ত নিষিদ্ধভাৱে কভাৰেজৰ ফলত ৰাষ্ট্ৰীয় স্বাৰ্থৰ ওপৰত অনাকাংক্ষিত বিৰূপ পৰিণতি হৈছিল। ছʼচিয়েল মিডিয়া ব্যৱহাৰকাৰীকো সাৱধান হবলৈ কোৱা হৈছে।

# পাকিস্তানৰ সৈতে ক্ৰিকেট বন্ধ কৰা হওক: গাংগুলী

**নতুন দিল্লী, ২৬ এপ্ৰিল:** পাকিস্তানৰ সৈতে ভাৰতৰ সকলো ক্ৰিকেট মেচ বন্ধ কৰিবলৈ আহ্বান জনাইছে সৌৰভ গাংগুলীয়ে। কলকাতাত অনুষ্ঠিত এক অনুষ্ঠানত ভাষণ দি গাংগুলীয়ে আক্ৰমণক সমৰ্থন কৰাত পাকিস্তানৰ দেখ দেখ ভূমিকাক আঙুলিয়াই দি কয় যে সন্ত্ৰাসবাদ শেষ নোহোৱালৈকে পাকিস্তানৰ সৈতে ক্ৰিকেট মেচ হʼব নালাগে।

# হোৱাইট হাউছত ট্ৰাম্প-জেলেনস্কিৰ গুৰুত্বপূৰ্ণ বৈঠক

**নিউয়ৰ্ক, ২৬ এপ্ৰিল:** আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ হোৱাইট হাউছত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প। বৈঠকত ৰাছিয়া- ইউক্ৰেইন যুদ্ধ সন্দৰ্ভত কেইবাটাও প্ৰসংগত আলোচনা কৰা হয়। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ অন্ত পেলোৱাৰ সন্দৰ্ভত মাৰ্কিন



ৰাষ্ট্ৰপতিগৰাকীয়ে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিক প্ৰশ্ন কৰে। উত্তৰত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, ইতিমধ্যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ইতিমধ্যে স্পষ্টকৈ উল্লেখ কৰিছে যে, তেওঁ যুদ্ধ বন্ধ কৰিব নিবিচাৰে। তাৰ বিপৰীতে দুয়োখন দেশৰ পৰিস্থিতি সম্পৰ্কত পুনৰ আলোচনা কৰিবহে বিচাৰে।

## সমন্বয় পুথিভঁৰালৰ ষষ্ঠদশ বৰ্ষপূৰ্তি তথা সপ্তদশ প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, নলবাৰী, ২৬ এপ্ৰিলঃ** পশ্চিম নলবাৰীৰ অন্যতম বৌদ্ধিক, সাংস্কৃতিক অনুষ্ঠান, বিহামপুৰস্থিত ‘সমন্বয় পুথিভঁৰাল’ৰ ষষ্ঠদশ বৰ্ষপূৰ্তি তথা সপ্তদশ প্ৰতিষ্ঠা দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰিবলৈ লোৱা হৈছে। মূলতঃ শিশু, কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীৰ মাজত গ্ৰন্থ অধ্যয়নৰ মানসিকতা গঢ়া, ঐতিহ্যপূৰ্ণ লোক সংস্কৃতিৰ চৰ্চা আৰু সংৰক্ষণ কৰা, আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাক গণতান্ত্ৰিক দৃষ্টিভংগীৰে চাবলৈ সুস্থ মূল্যবোধ সৃষ্টি কৰা আৰু ধৰ্মনিৰপেক্ষ সমাজ প্ৰতিষ্ঠা কৰাৰ দৰে গুৰুত্বপূৰ্ণ লক্ষ্য আৰু উদ্দেশ্যক লৈ ২০০৮ চনৰ ৬ জুলাইত গঢ়ি উঠা সমন্বয় পুথিভঁৰালে ইতিমধ্যে ১৬ টাকৈ বৰ্ষ অতিক্ৰম কৰিলে। ষষ্ঠদশ বৰ্ষপূৰ্তিৰ অনুষ্ঠান অহা ২৭ এপ্ৰিল, দেওবাৰে পুথিভঁৰাল প্ৰাংগণত আৰু প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠান অহা ৬ জুলাই, দেওবাৰে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত হ’ব বুলি সাধাৰণ সম্পাদক আবেদুৰ ৰহমানে জনাইছে। ২৭ এপ্ৰিলৰ পুৱা ৮ বজাত পুথিভঁৰালৰ পতাকা উত্তোলন কৰিব পুথিভঁৰালৰ মুখ্য উপদেষ্টা শিল্পী উমেশ দত্তই। ৮.৩০ বজাত গছপুলি ৰোপণ কৰিব জনতা হাইস্কুলৰ প্ৰধান শিক্ষক লতিফুৰ ৰহমান, অসমী হাইস্কুলৰ প্ৰধান শিক্ষক ৰঞ্জিত বৰ্মন আৰু অৱসৰপ্ৰাপ্ত শিক্ষক তথা নাট্য শিল্পী ফাইজুৰ ৰহমানে। ৯.৩০ বজাত পুথিভঁৰালৰ শ্ৰেষ্ঠ পঢ়ুৱৈ বাছনি প্ৰতিযোগিতা আৰু ১০.৩০ বজাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। বিয়লি ৪.৩০ বজাত অনুষ্ঠিত হ’ব পুথিভঁৰাললৈ গ্ৰন্থ আৰু অন্যান্য সামগ্ৰীৰ দাতা আৰু শুভাকাংক্ষীৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠান। অনুষ্ঠানটি সঞ্চালনা কৰিব পুথিভঁৰালৰ সভাপতি, বিশিষ্ট কথাশিল্পী ড০ জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে। সন্ধিয়া ৬ বজাত তাজিমুদ্দিন আহমেদ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব কামৰূপ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড০ ছাইকী তালুকদাৰে। ৰাষ্ট্ৰীয় বঁটা প্ৰাপক শিক্ষক তাজিমুদ্দিন আহমেদৰ স্মৃতিচাৰণ কৰি বক্তব্য আগবঢ়াব বিশিষ্ট সমাজকৰ্মী কনক পাঠকে। পুথিভঁৰালৰ শিশু আলোচনী ‘কলৰৱ’ উন্মোচন কৰিব টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা, বিশিষ্ট সাহিত্যিক ড০ অঞ্জলী চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কবিতা চৌধুৰী, বিশিষ্ট শিশু চিকিৎসক ডাঃ মনোৰঞ্জন শৰ্মা, চি.এফ.এম.এলৰ ক্ষেত্ৰ প্ৰবন্ধক কন্দৰ্প কলিতা আৰু বিশিষ্ট ছাত্ৰ নেতা নিৰুজ উদ্দিন আহমেদ। সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ’বলগীয়া স্থানীয় উদীয়মান শিল্পীৰ সৈতে চা-চিনাকি, আলাপ তথা সাংস্কৃতিক অনুষ্ঠানত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত তথ্যচিত্ৰ নিৰ্মাতা গুঞ্জন শৰ্মা, ৰাষ্ট্ৰীয় জলপানি প্ৰাপ্ত বাঁহীবাদক নিবিড় দেৰশৰ্মা আৰু হৃদয়জিত শৰ্মাই অংশগ্ৰহণ কৰিব। নিশা ৮ বজাত অনুষ্ঠিত হ’ব সমন্বয় সুৰ সমদলৰ শিল্পীসকলৰ দ্বাৰা গীত আৰু নৃত্যৰ বৰ্ণাঢ্য অনুষ্ঠান। অনুষ্ঠানটি পৰিচালনা কৰিব অসম চৰকাৰৰ শিল্পী পেঞ্চনপ্ৰাপ্ত বিশিষ্ট সংগীত শিল্পী উমেশ দত্তই।

## টিহুত ভাৰতীয় জনতা পাৰ্টিৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

# ডিপ্তাত ৱাৰ্ডে ৱাৰ্ডে নিৰ্বাচনী প্ৰচাৰত ব্যস্ত বিজেপি নেতা

**ই-সংবাদ, বৰমা, ২৬ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচন দিন যিমানে চমু চাপি আহিছে সিমানে ব্যস্ততা বাঢ়িছে শাসক-বিৰোধীৰ। টিহু বিধানসভা সমষ্টিৰ মধুপুৰ মণ্ডলৰ অন্তৰ্গত ডিপ্তাৰ ২ নং ৱাৰ্ডৰ প্ৰাৰ্থী ৰুমা বেগম লগতে ৪০ নং কঠালবাৰী বৰজাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা বন্দনা ৰাজবংশীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় বিজেপিৰ নেতাই। গীত গাই গাই নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰা পৰিলক্ষিত হয় বিজেপি নেতাক। কেন্দ্ৰত বিজেপি, ৰাজ্যত বিজেপি, ‘অ’ নাম ধৰিবা বন্দনা বাইদেউ অ নেৰিবা’ গীতেৰে নিৰ্বাচনী প্ৰচাৰ চলায় বিজেপি নেতাই। ডিপ্তাৰ ২ নং ৱাৰ্ডৰ নিৰ্বাচনী প্ৰচাৰত উপস্থিত থাকে বিজেপিৰ অ’বিচি মৰ্চাৰ অধ্যক্ষ হৰিদাস ৰাজবংশী, নলবাৰী জিলা সংখ্যালঘু মৰ্চাৰ সম্পাদক চাহনুৰ আলী, বিজেপি শক্তিকেন্দ্ৰৰ আহ্বায়ক বদিউৰ জামানৰ লগতে বিজেপি দলীয় কৰ্মকৰ্তাৰ লগতে স্থানীয় লোক।

# প্ৰেৰণা পুথিভঁৰালৰ ৩৩২ সংখ্যক দেওবৰীয়া চ’ৰা সম্পন্ন

**ই-সংবাদ, নলবাৰী, ২৬ এপ্ৰিলঃ** অসমৰ বহু ঠাইত ব'হাগ বিহুত এশ এবিধ শাক খোৱাৰ পৰম্পৰা আছিল। আনহাতে, নাচনীৰ খোপাৰ কপৌফুল পাহ, ওঁঠৰ বৰ্হমথুৰি, গৰু বিহুত আৱশ্যকীয় দীঘলতি, মাখিয়তি, তৰাগছ আদি নোহোৰা হৈ আহিছে। আমি দেখা পৃথিৱীখন হেৰাই যাবলৈ ধৰিছে। সেইদৰে সন্ধিয়াৰ জোনাকী পৰুৱা, শিয়ালৰ হোৱা আদিও লুপ্তপ্ৰায়। মানুহৰ নিষ্ঠুৰতা আৰু লোভৰ বাবে হলৌ বান্দৰ, সোণালী বান্দৰ, বনৰীয়া ঘোঁৰা, জহামাল আদি বিলুপ্তিৰ পথত। আমি দেখা পৃথিৱীখন হেৰাই গৈছে।- এই বক্তব্য বিশিষ্ট পৰিৱেশ কৰ্মী ভূপেন কুমাৰ দাসৰ। অলপতে প্ৰেৰণা পুথিভঁৰালত অনুষ্ঠিত ৩৩২ সংখ্যক দেওবৰীয়া চ'ৰাৰ 'হেৰাই যাব ধৰা আমাৰ পৃথিৱীখন' শীৰ্ষক বক্তৃতাত তেওঁ আৰু কয় যে জলবায়ুৰ অস্বাভাৱিক পৰিৱৰ্তনে প্ৰাণীকুল আৰু গছ-গছনিলৈ সংকট নমাই আনিছে। খাদ্যশস্যৰ উৎপাদন কমি আহিছে, পৰ্যটন উদ্যোগকে ধৰি বিভিন্ন উদ্যোগলৈ বিপৰ্যয় নামি আহিছে, নানা ধৰণৰ বেমাৰৰ প্ৰকোপ বাঢ়িছে, প্ৰাকৃতিক দুৰ্যোগে ভয়াৱহ ৰূপ লৈছে আৰু জীৱন-জীৱিকালৈও সংশয়ৰ সৃষ্টি হৈছে। মানুহ সচেতন নহ'লে এফালে মৰুভূমিৰ সৃষ্টি হ'ব আৰুআনফালে পৃথিৱীৰ বহু অঞ্চল সাগৰত বুৰ যাব। ইয়াৰ আগেয়ে পুথিভঁৰালৰ কিতাপৰ আদান-প্ৰদান আৰু গণিতৰ বিনামূলীয়া পাঠদান সম্পন্ন হয়। পাঠদানত বৃত্ত আৰু ইয়াৰ ধৰ্ম সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে চন্দন দাসে। আনহাতে, ব'হাগ বিহু আৰু প্ৰকৃতি বিষয়ক কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে অৰ্ণৱ বৰ্মনে। প্ৰতিযোগিতাত উচ্চ শাখাত শ্ৰেষ্ঠদল হিচাপে বিজয়ী হয় মৃগাংশু মেধি আৰু জিষ্ণু ৰাণা বৰ্মনৰ দল। মধ্য শাখাত শ্ৰেষ্ঠ হয় জুপিতৰা বৰ্মন আৰু হীৰকজ্যোতি বৰ্মনৰ দল তথা নিম্ন শাখাত বিজয়ী হয় ৰুদ্ৰাক্ষী দেৱী আৰু সৃষ্টি কাশ্যপৰ দল। অনুষ্ঠানত উপস্থিত থাকে কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক চৈয়দ কায়ুম কবীৰ আহমেদ, দক্ষিণ নলবাৰী কনিষ্ঠ মহাবিদ্যালয়ৰ নিখিল চক্ৰৱৰ্তী তথা কৰবী হাজৰিকা, পৰিচালক মামণি দেৱী, হেমন্ত বৰ্মন, লতিকা দেৱী, ভূমিকা বৰ্মন, কৌশিক কাকতী, অভিনৱ নাৰায়ণ শৰ্মা আদি। আনহাতে সিদিনাই পুথিভঁৰালৰ দুখীয়া পৰিয়ালৰ সদস্য/সদস্যাসকলৰ মাজত ৩ দিস্তাকৈ বহীৰ পাত বিতৰণ কৰা হয়।

# ৰঙিয়াৰ তৰণীত বিজেপিৰ নিৰ্বাচনী সভা

**ই-সংবাদ, ৰঙিয়া, ২৬ এপ্ৰিলঃ** ভাৰতবৰ্ষ বিশ্বৰ এখন বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ। নাগৰিকসকলে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে প্ৰতিনিধি নিৰ্বাচন কৰি চৰকাৰ গঠনেৰে লৈ আহিছে নিৰ্ণায়ক ভূমিকা। দেশৰ শাসন ব্যৱস্থাৰ কেন্দ্ৰবিন্দু ৰূপে অভিহিত কৰিব পাৰি পঞ্চায়ত ব্যৱস্থাক। কিয়নো পঞ্চায়তীৰাজে জনসাধাৰণক চৰকাৰৰ অধিক ওচৰ চপাই আনিছে।- এই মন্তব্য পূৰবী ৰয়ৰ। ৰঙিয়াত পাণ্ডুৰী জিলা পৰিষদৰ বিজেপি দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী নিপন ভূঞাৰ সমৰ্থনত কালি সন্ধিয়া অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি এই মন্তব্য আগবঢ়ায় বিজেপি দলৰ ভগ্নী সংগঠন অসম ৰাজ্যিক মহিলা মৰ্চাৰ সাধাৰণ সম্পাদিকা পূৰবী ৰয়ে। ৰঙিয়াৰ তৰণীৰ ১৪ নং বুথ সমিতিৰ উদ্যোগত অনুষ্ঠিত সভাত ভাষণ প্ৰসংগত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰলগতে ৰাজ্য চৰকাৰে মহিলা সবলীকৰণৰ ক্ষেত্ৰত সবল স্থিতি গ্ৰহণ কৰা বুলিও ভাষণপ্ৰসংগত দোহাৰে মহিলা নেত্ৰীগৰাকীয়ে। বুথ সমিতিৰ সভাপতি মোহন কলিতাৰ সঞ্চালনাত ঠাকুৰীয়াপাৰা চুবুৰীত অনুষ্ঠিত সভাখনত জিলা পৰিষদৰ প্ৰাৰ্থী নিপন ভূঞা, স্থানীয় আঞ্চলিক পঞ্চায়ত প্ৰাৰ্থী অচ্যুত লহকৰ, গাঁও পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী ৰামেশ্বৰ কলিতাই অংশগ্ৰহণ কৰি ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে ৰাইজক আহ্বান জনায়। অঞ্চলটোৰ কেবাশতাধিক ভোটাৰৰ উপস্থিতিত অনুষ্ঠিত সভাখনত প্ৰাক্তন জিলা পৰিষদৰ সদস্য লিটন কলিতাৰ লগতে শংকৰ কলিতা, নৰেন তালুকদাৰ প্ৰমুখ্যে বিজেপি দলৰ জ্যেষ্ঠ নেতৃবৃন্দৰ লগতে সমাজসেৱী সনাতন কলিতাকে ধৰি আন কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বৰপেটাৰোডত বিদ্যালয়ৰ দেৱালত বাগৰিল প্ৰকাণ্ড গছ

**ই-সংবাদ, বৰপেটাৰোড, ২৬ এপ্ৰিলঃ** আজি পুৱা অহা এজাক বিধ্বংসী ধুমুহাত বৰপেটাৰোডত বিস্তৰ ক্ষতিসাধন হয়। ধুমুহাৰ ফলত বৰপেটাৰোডৰ দক্ষিণ বৰপেটাৰোড প্ৰাথমিক বিদ্যালয়ৰ দেৱালত এডাল প্ৰকাণ্ড গছ বাগৰি পৰে। এই ঘটনাত কথমপি ৰক্ষা পৰে কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে পথচাৰী। ফলত অতি ব্যস্ততাপূৰ্ণ পথছোৱাৰে যোগাযোগ বন্ধ হৈ পৰে। আনহাতে, বৰপেটাৰোডৰ কেবস্থানত প্ৰকাণ্ড প্ৰকাণ্ড গছ উভালি পৰাত যাতায়াত ব্যাহত হৈ পৰে। কেবাঠাইতো বিজুলীৰ খুঁটা বাগৰি পৰাত বিদ্যুৎ সেৱাও ব্যাহত হৈ পৰে। বিশেষকৈ বৰপেটাৰোড শংকৰদেৱ শিশুনিকেতনৰ কাষত থকা শিৱ মন্দিৰ আৰু ১৮০২ নং দক্ষিণ বৰপেটাৰোড প্ৰাথমিক বিদ্যালয়ৰ দেৱালত, বিএছএনএল অফিচ, আৰক্ষীৰ চক্ৰ বিষয়াৰ কাৰ্যালয়, জ্যেষ্ঠ নাগৰিকৰ কাৰ্যালয়ৰ কাষত প্ৰকাণ্ড প্ৰকাণ্ড গছ উভালি পৰাত বিস্তৰ ক্ষতিসাধন হয়।

# সৰভোগত দুৰ্ঘটনাত এজন নিহত

**ই-সংবাদ, বৰপেটাৰোড, ২৬ এপ্ৰিলঃ** ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সৰভোগৰ অনন্যা ধাবাৰ সন্মুখত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত থিতাতে নিহত হয় এজন লোক। আনহাতে গুৰুতৰভাৱে আহত হয় আন এজন লোক। আহতজনক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। বৰপেটাৰোডৰ পৰা ধুবুৰী অভিমুখে গৈ থকা অৱস্থাত তীব্ৰবেগী AS-18 D-3364 নম্বৰৰ হিৰো স্পেলেণ্ডাৰ বাইকখনে পথৰ ডিভাইডাৰত তীব্ৰ বেগত খুন্দা মাৰে। ফলত থিতাতে নিহত হয় ধুবুৰীৰ মেদিটাৰী চাহাৰুল ইছলাম আৰু গুৰুতৰভাৱে আহত হয় জিয়াৰুল ইছলাম। আহত জিয়াৰুলক হাস্পতালত ভৰ্তি কৰোৱা হয়।

# ন-ৰূপত উজলিল বড়িগোগ বনভাগ শিক্ষাখণ্ড

**ই-সংবাদ, নলবাৰী, ২৬ এপ্ৰিলঃ** নলবাৰীৰ বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ শিক্ষা বিষয়া সমীন বৈশ্যৰ নিখুঁত পৰিকল্পনাৰ বাবে শিক্ষাখণ্ডৰ কাৰ্যালয় ভৱনটো আজি জিলিকি উঠিছে। ইয়াৰ বাবে শিক্ষাখণ্ডটোৰ অন্তৰ্গত শিক্ষক-সমাজে গভীৰ সুখ আৰু সন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে কিছুদিন আগলৈকে জৰাজীৰ্ণ কাৰ্যালয় গৃহটো চৰকাৰী পৃষ্ঠপোষকতাত মেৰামতি কৰাৰ লগতে আটকধুনীয়াকৈ গঢ়ি তোলা হৈছে। শৌচাগাৰ-প্ৰস্ৰাৱাগাৰকে ধৰি খোৱা পানীৰ ব্যৱস্থাও কৰা হৈছে। কাৰ্যালয়টোত পদাৰ্পন কৰিলেই এক ভাল লগা পৰিৱেশ পৰলক্ষিত হয়। শিক্ষাখণ্ডটোৰ সমল ব্যক্তি সুভাষ বৰ্মনে সংবাদ মাধ্যমক জানিবলৈ দিয়া অনুসৰি বহু ক্ষেত্ৰত নিজাববীয়া আৰু একক প্ৰচেষ্টাৰে শিক্ষা বিষয়া সমীন বৈশ্যই শিক্ষাখণ্ডটোক এক ন-ৰূপ দিবলৈ চেষ্টা কৰি আহিছে। নলবাৰীত বিদ্যানুৰাগী বিশ্বনাথ শৰ্মা পথ নামেৰে নতুনকৈ নামকৰণ কৰা পথটোৰ সমীপত থকা কাৰ্যালয় গৃহটোত এখন ফলক নথকাত শিক্ষা বিষয়াগৰাকীয়ে এখন ডাঙৰ ফলকৰ ব্যৱস্থা কৰে। শিক্ষা বিষয়াগৰাকীৰ এনে প্ৰচেষ্টাক বি আৰ পি সুভাষ বৰ্মন আৰু নৱ কুমাৰ দাসে আদৰণি জনাইছে।

# কাশ্মীৰৰ পেহেলগামৰ বৰ্বৰ ঘটনাৰ বিৰুদ্ধে বৰপেটাৰোডত প্ৰতিবাদ

**ই-সংবাদ, বৰপেটাৰোড, ২৬ এপ্ৰিলঃ** কাশ্মীৰৰ পেহেলগামৰ বৰ্বৰ ঘটনাৰ বিৰুদ্ধে বৰপেটাৰোডৰ কেবাটাও সংগঠনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বৰপেটাৰোডৰ কেবাশতাধিক মহিলাই হাতে হাতে মম জ্বলাই সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে উক্ত ঘটনাত প্ৰাণ হেৰুওৱা ব্যক্তিসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৰপেটাৰোডৰ মহিলা সমন্বয় মঞ্চৰ উদ্যোগত বৰপেটাৰোডৰ বিষ্ণু জ্যোতি সৰবৰৰ পাৰত কালি সন্ধিয়া এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মহিলাসকলে দেশৰ পৰা সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ দাবী জনায়। আনহাতে, ৰাষ্ট্ৰীয় বজৰংগ দল আৰু বিশ্ব হিন্দু পৰিষদৰ সদস্যসকলেও এই ঘটনাৰ বিৰুদ্ধে সন্ধিয়া এক প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। সংগঠনটোৱে পাকিস্তানৰ পতাকা ভৰিৰে গোচকি, পাকিস্তানৰ পুত্তলিকা জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। লগতে পাকিস্তান মুৰ্দাবাদ, পাকিস্তান গ' বেগ ধ্বনিৰে উত্তাল কৰি তোলে পৰিৱেশ।

# তুলসীবাৰীত কংগ্ৰেছ দলৰ নিৰ্বাচনী কাৰ্যালয় উদ্বোধন



**ই-সংবাদ, ৰঙিয়া, ২৬ এপ্ৰিলঃ** ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠাৰ সময়তে নিৰ্বাচনী কাম-কাজ অধিক তৰান্বিত কৰাৰ লক্ষ্যৰে ৰঙিয়াৰ তুলসীবাৰীত শুকুৰবাৰে সন্ধিয়া কংগ্ৰেছ দলৰ এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। ১৭ নং পাগুৰী জিলা পৰিষদৰ প্ৰাৰ্থী দিব্যজ্যোতি কলিতাই উদ্বোধন কৰে কাৰ্যালয়টি। আয়তীৰ নাম-কীৰ্তনেৰে শুভাৰম্ভ কৰা হয় অনুষ্ঠানটি। পিছত বৈকুণ্ঠ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত উদ্বোধনী সভাত প্ৰাৰ্থী দিব্যজ্যোতি কলিতাই নিৰ্বাচনী ভাষণ ৰাখে। একেখন মঞ্চতে কামৰূপ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক পংকজ কলিতা, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি কামাল আলী, কামৰূপ জিলা যুৱ কংগ্ৰেছৰ সভাপতি আচিফুৰ ৰহমানৰ লগতে সামাজিক মাধ্যমৰ অধ্যক্ষ নিপন শৰ্মাইও অংশগ্ৰহণ কৰি দিব্যজ্যোতি কলিতাৰ সমৰ্থনত ভাষণ দাঙি ধৰে। উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে পেহেলগামত নিহতসকলৰ স্মৃতিত মৌন প্ৰাৰ্থনা কৰা হয়।

# ৯ নং চান্দকুছি পঞ্চায়তত ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, বাঁহজানী, ২৬ এপ্ৰিলঃ** ঘৰে ঘৰে গৈ ৰাইজক সেৱা জনাই ভোট বিচাৰিলে পঞ্চায়তৰ প্ৰতিনিধি পূৰবী ডেকা আৰু ৰমনী দাসে। ৭ মে'ত অনুষ্ঠিত হ'ব লগীয়া পঞ্চায়ত নিৰ্বাচনক লৈ নলবাৰীত আৰম্ভ হৈছে নিৰ্বাচনী প্ৰচাৰ। ভাৰতীয় জনতা পাৰ্টীৰ ৯ নং চান্দকুছি পঞ্চায়তত শনিবাৰে আঞ্চলিক পঞ্চায়তৰ সদস্য ৰমনী দাস, গাঁও পঞ্চায়তৰ সদস্য পূৰবী ডেকা, ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ কাৰ্যকৰ্তা আৰতি বৈশ্য, পঞ্চায়তৰ প্ৰভাৰী অপূৰ্ব শৰ্মা, পঞ্চায়তৰ তত্ত্বাৱধায়ক পৰমেশ বুজৰবৰুৱাই দলীয় কাৰ্যকৰ্তাক লগত লৈ নিৰ্বাচনী প্ৰচাৰ চলায়। আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী ৰমনী দাস, জিলা পৰিষদৰ সদস্য হিতেশ তালুকদাৰ আৰু গাঁও পঞ্চায়তৰ সদস্য পূৰবী ডেকাক ৰাইজে যিধৰণে সঁহাৰি জনাইছে সেইবোৰ দেখি তেওঁলোকৰ বিজয় নিশ্চিত বুলি দলে আশা প্ৰকাশ কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# খলিহৈ ৰূপজ্যোতি সংঘৰ সৌজন্যত ৰঙালী বিহুৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, দুমুনিচকী, ২৬ এপ্ৰিলঃ** বিগত বৰ্ষসমূহৰ দৰে অহা ২৮ ব'হাগ (১২ মে')ত দৰং জিলাৰ খলিহৈ সমীপৰ ৰামদেলী পাৰা ৰূপজ্যোতি সংঘৰ সৌজন্যত এদিনীয়া কাৰ্যসূচীৰে ৯ম বাৰ্ষিক ৰঙালী বিহুৰ ব্যাপক প্ৰস্তুতি আৰম্ভ কৰা হৈছে। সেইদিনা পুৱা সাংস্কৃতিক শোভাযাত্ৰা, বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। একেদৰে সন্ধিয়া আধুনিক নৃত্য প্ৰতিযোগিতা, আমন্ত্ৰিত বিহু হুঁচৰি, জেং বিহু, বাৰেবৰণীয়া সাংস্কৃতিক কাৰ্যসূচীৰ লগতে নিশাৰ ভাগত জনপ্ৰিয় কণ্ঠশিল্পী কুসুম কৈলাশৰ গীতৰ শৰাইৰ থাকিব বুলি বিহু উদযাপন সমিতিৰ উদ্যোক্তা সমাজকৰ্মী ৰাতুল ভড়ালী, তপন ডেকা, মুকুট ডেকা, দিনেশ ডেকাসহ অন্যান্য বিষয়ববীয়াসকলে জনাইছে। কাৰ্যসূচীতে স্থানীয় ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

# কলগাছিয়াত এআইইউডিএফৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় উদ্বোধন

**ই-সংবাদ, কলগাছিয়া, ২৬ এপ্ৰিলঃ** বৰপেটা জিলাৰ কলগাছিয়াত শনিবাৰে বিয়লিত এআইইউডিএফৰ এটা নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰে জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে। কলগাছিয়াৰ বিশিষ্ট সমাজকৰ্মী নজৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত ভাষণ প্ৰসংগত জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে সমষ্টিটোত কৰা উল্লেখযোগ্য কামৰ খতিয়ান দাঙি ধৰে আৰু লগতে কয় যে এইবেলি পঞ্চায়ত নিৰ্বাচনত বৰপেটাৰ আটাইকেইটা ছিটতে কংগ্ৰেছ হাৰিব। তেওঁ আৰু কয় যে, বৰপেটা জিলাৰ গোটেইকেইটা জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যৰ আসনত এআইইউডিএফৰ প্ৰাৰ্থী জিকিব। আনহাতে, কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক তীব্ৰ সমালোচনা কৰি তেওঁ কয় যে উজনি অসমত কংগ্ৰেছ আৰু অখিল গগৈয়ে প্ৰাৰ্থী দিবলৈ সাহস কৰা নাই, কিন্তু নামনি অসমত প্ৰাৰ্থী দি প্ৰচাৰ চলাইছে। এইবাৰ কংগ্ৰেছে এখনো আসন নাপায়। লগতে তেওঁ কয় যে মন্দিয়া সমষ্টিৰ চাৰিখন জিলা পৰিষদত এআইইউডিএফে জিকিব। জনীয়াৰ বিধায়ক ডঃ হাফিজ ৰফিকুল ইছলামে আৰু কয় যে, এইবাৰ এআইইউডিএফে বৰপেটা জিলা পৰিষদখন দখল কৰিব। কলগাছিয়াত এআইইউডিএফৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰি বিধায়কগৰাকীয়ে এইদৰে মন্তব্য আগবঢ়োৱাৰ লগতে পেহেলগাম কাণ্ডক ধিক্কাৰ জনাই সন্ত্ৰাসবাদীক কঠোৰ হাতেৰে দমন কৰিবলৈ চৰকাৰক দাবী জনায়। ভোটাৰ ৰাইজক এআইইউডিএফৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায়।

# কামৰূপৰ ৰৌমাৰীত চিলনী চোৰে থপিয়াই নিলে সোণৰ চেইন

**ই-সংবাদ, শুৱালকুছি, ২৬ এপ্ৰিলঃ** কামৰূপৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত ৰৌমাৰীৰ আৰ ডি ভিলেজ নামৰ বিপণীখনৰ সমীপত আজি পুৱা চিলনী চোৰে এগৰাকী মহিলাৰ ডিঙিৰ পৰা সোণৰ চেইন থপিয়াই নিয়া ঘটনাই সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত ৰৌমাৰী অঞ্চলত শুৱালকুছি-গুৱাহাটী সংযোগী পথৰ কাষতে থকা আৰ ডি ভিলেজ নামৰ এখন বিপণীৰ সন্মুখ ভাগত বিপণীখনৰ স্বত্বাধিকাৰীৰ মাতৃয়ে পুৱা পদুলি চাফ-চিকুণ কৰি আছিল। সেই সময়তে শুৱালকুছি-গুৱাহাটী পথৰে মটৰ চাইকেলত অহা দুজনীয়া বাইক আৰোহীয়ে উক্ত স্থানত মটৰচাইকেলখন ৰখাই মহিলাগৰাকীক ঠিকনা সোধাৰ চলেৰে পদুলি মুখৰ পৰাই মহিলাগৰাকীৰ ডিঙিৰ পৰা থপিয়াই নিয়ে আঢ়ৈতোলা সোণৰ চেইন। নিমিষতে সোণৰ চেইন থপিয়াই গুৱাহাটী দিশে বায়ু বেগত পলায়ন কৰে চিলনী চোৰ যুৱক দুজন। নম্বৰবিহীন পালছাৰ মটৰচাইকেলত অহা যুৱক দুজন চেইন চুৰি কৰাৰ সকলো দৃশ্য বন্দী হৈছে আৰ ডি ভিলেজ নামৰ বিপণীখনৰ চিচি টিভিৰ কেমেৰাত। ঘটনা সন্দৰ্ভত ইতিমধ্যে শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগীৰ পৰিয়ালে। ঘটনাস্থলীত শুৱালকুছি আৰক্ষীৰ এটি দল উপস্থিত হৈ আৰম্ভ কৰিছে তদন্ত। সচেতন ৰাইজৰ অভিযোগ গুৱাহাটীত চিলনীৰ চোৰৰ সন্ত্ৰাসৰ কথা শুনি আহিছিল, কিন্তু এতিয়া যেন গাঁৱে-ভূঞে সোমাই পৰিছে চিলনী চোৰ। এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনক উচিত তদন্ত কৰিবলৈ আহ্বান জনাইছে সচেতন ৰাইজে।

# মাহমৰাৰ কচুমাৰীত কংগ্ৰেছৰ বিশাল নিৰ্বাচনী প্ৰচাৰ সভা

**ই-সংবাদ, মথুৰাপুৰ, ২৬ এপ্ৰিলঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ কচুমাৰীত আজি কংগ্ৰেছৰ এক বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত উপস্থিত থাকে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰা। চৰাইদেউ জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত মাহমৰা আৰু লাকুৱা ব্লক কংগ্ৰেছ কমিটীৰ সহযোগত আজি মাহমৰা সমষ্টিৰ কছুমাৰীত অগণন ৰাইজৰ উপস্থিতিত এই সভাখন অনুষ্ঠিত হয়। উক্ত সভাত সভাপতি ভূপেন বৰাই শাসনাধিষ্ঠিত চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। বৰ্তমান ৰাজ্যত চৰকাৰৰ চিণ্ডিকেট ৰাজ, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ লগতে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি আদিকে কৰি বহুতো জ্বলন্ত সমস্যা আজি পৰ্যন্ত সমাধান কৰিবনোৱাৰা চৰকাৰখনক অহা ২ মে'ত ভোটৰ বাকচত ৰাইজে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিব বুলি ভূপেন বৰাই মন্তব্য কৰে। এই নিৰ্বাচনী সভাত চৰাইদেউ জিলা কংগ্ৰেছ কমিটীৰ সভাপতি তথা সোণাৰি সমষ্টিৰ যুৱনেতা উৎপল গগৈ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক ৰামান্না বৰুৱা, চৰাইদেউ জিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক অজয় গগৈ, চৰাইদেউ জিলা মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী ৰুণু সন্দিকৈ, জিলা উপ-সভাপতিদ্বয় গৌতম হাতীমুৰীয়া আৰু নিপেন বৰগোহাঁই, মাহমৰা আৰু লাকুৱা ব্লক কংগ্ৰেছ কমিটীৰ সভাপতিদ্বয় কেশৱ গগৈ আৰু পূৰ্ণজিৎ ফুকনৰ লগতে বহু দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

# দুৰ্গম অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন জিলা আয়ুক্তৰ

ই-সংবাদ, লাহৰীঘাট, ২৬ এপ্ৰিলঃ মৰিগাঁও জিলাত সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত জিলা আয়ুক্তগৰাকীয়ে সৰু সৰু কিছুমান অযুক্তিকৰ অজুহাতত যাতে কোনো কৰ্মচাৰীক নিৰ্বাচনৰ কৰ্তব্যৰ পৰা ৰেহাই দিয়া নহয়, সেয়া সুনিশ্চিত কৰাৰ নিৰ্দেশ দিয়ে। তেওঁ মহিলা ভোটগ্ৰহণ কেন্দ্ৰসমূহত ন্যূনতম সা-সুবিধাসমূহ আছেনে নাই সেয়া সুনিশ্চিত কৰিবলৈ চক্ৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। লগতে তেওঁ সমজিলা আয়ুক্তসকলক অত্যন্ত বেয়া বাট-পথৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ যাতায়াত ব্যৱস্থা কিছু সুচল কৰাৰ ক্ষেত্ৰত খণ্ড উন্নয়ন বিষয়া আৰু লোকনিৰ্মাণ পথ বিভাগৰ সহায় ল'বলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ বিদ্যালয়সমূহৰ পৰিদৰ্শকক ভোটগ্ৰহণ কেন্দ্ৰ থকা বিদ্যালয়সমূহ নিজে পৰিদৰ্শন কৰি ন্যূনতম সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ তথা ভোটগ্ৰহণকাৰী দলৰ সহায় হোৱাকৈ যাতে দুটা দিন সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত এজন বা দুজন কৰ্মচাৰী থাকে তাৰ বাবে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে জিলা আয়ুক্তগৰাকীয়ে নিজে দুৰ্গম অঞ্চলত স্থাপন কৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি আছে। সভাত তেওঁ বিভিন্ন কোষৰ মুৰব্বীসকলৰ পৰা নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। জিলা আয়ুক্তগৰাকীয়ে সমজিলা আয়ুক্তসকলৰ পৰা নিৰ্বাচনী প্ৰস্তুতিৰ বিস্তৃতভাৱে বুজ লয়।



ৰাজ্যপালক গুৱাহাটী প্ৰেছ ক্লাবৰ সাক্ষাৎ, ফটো শনিবাৰৰ

# বিজয়নগৰত অসাধু ব্যৱসায়ীৰ লুণ্ঠনৰাজ

**ই-সংবাদ, মিৰ্জা, ২৬ এপ্ৰিলঃ** বিজয়নগৰ মাৰোৱাৰী গেলামাল দোকান এখনত পশুধনৰ খাদ্যসামগ্ৰী মল-চাপ্পৰ বিক্ৰীৰ নামত গ্ৰাহকক ৰাম ঠগন দিয়াৰ অভিযোগ উত্থাপন হৈছে। গ্ৰাহকৰ অভিযোগ অনুসৰি আজি দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বিজয়নগৰৰ মাৰোৱাৰী গেলামাল দোকান এখনত পশুধনৰ খাদ্য সামগ্ৰী ৪০ কেজিৰ চাপ্পৰৰ বস্তাত ৩৭ কেজি ওলায়। একাংশ অসাধু ব্যৱসায়ীয়ে কেৰাপ নকৰে যোগান বিভাগক। জানিব পৰা মতে, ৰামপুৰত গঢ় লৈ উঠা শ্ৰী আগ্ৰৱো ফুড প্ৰডাক্টছ নামৰ কোম্পানীত চাপ্পৰৰ বস্তাসমূহ পেকেজ কৰা হয়। এই কোম্পানী আৰু গেলামাল দোকানীৰ বিৰুদ্ধে ৰাইজে তদন্তৰ দাবী জনাইছে। উল্লেখ্য যে নিত্য ব্যৱহাৰ্য সা-সামগ্ৰীৰ অনিয়ন্ত্ৰিতভাৱে হোৱা মুল্যবৃদ্ধিয়ে জুৰুলা কৰিছে সৰ্বসাধাৰণক। বিজয়নগৰৰঅসাধু ব্যৱসায়ী চক্ৰই যোগান বিভাগক একপ্ৰকাৰ অংগুষ্ঠ দেখুৱাই সামগ্ৰী মজুত ভাণ্ডাৰ প্ৰত্যেকৰে ব্যক্তিগত ঘৰত সংস্থাপিত কৰি লৈছে। সামগ্ৰী মজুত কৰা ভাণ্ডাৰসমূহ যোগান বিভাগে পৰিদৰ্শন কৰা দৃষ্টিগোচৰ হোৱা নাই। গুদাম বিলাকত কি সামগ্ৰী আছে আৰু কিমান মূল্যৰ সামগ্ৰী আছে GST আছে নে নাই তথ্যসমূহ সম্পূৰ্ণৰূপে গোপনে ৰাখি এক বৃহৎ চিণ্ডিকেট চলাই আছে অসাধু ব্যৱসায়ী চক্ৰই। ফলস্বৰূপে নিয়ন্ত্ৰণহীনভাৱে সামগ্ৰীসমূহৰ অবাধ মূল্যবৃদ্ধিয়ে জনসাধাৰণৰক জুৰুলা কৰা পৰিলক্ষিত হৈছে। কুম্ভকৰ্ণৰ নিদ্ৰাত থকা বিয়াগোম যোগান বিভাগক বিষয়ৰ গভীৰতা বুজি অনুসন্ধান কৰাৰ বাবে দাবী জনাইছে স্থানীয় ৰাইজে।

# পেহেলগাম আক্ৰমণঃ ডিব্ৰুগড়ত গৰিয়া মঃ দেঃ জাতীয় পৰিষদৰ প্ৰতিবাদ

**ই-সংবাদ, ডিব্ৰুগড়, ২৬ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে সংঘটিত কৰা বৰ্বৰ হত্যাকাণ্ডৰ বিৰুদ্ধে ডিব্ৰুগড়ত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে চৌকিদিংগীত প্ৰতিবাদ সাব্যস্ত কৰে। ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ৰহিমুল হুছেইন, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰুবুল আলী, সাধাৰণ সম্পাদক ইয়াকুব আলী, কাৰ্যকৰী সভাপতি ৰাইয়ান জুবেৰিৰ লগতে জুবেৰ আখটাৰ হুছেইন, ৰুহন আলী, পাপ্পু হুছেইন, জিচান আলী, আকিব জামান, মিছবাহুল হক, আমজাদ আলী, ফৰিদ আহমেদ, ছফিউল বৰা, ইউনিছ আলী আহমেদ, নিজাম উদ্দিন আহমেদৰ লগতে অন্যান্য কমিটীৰ সদস্যসকল একত্ৰিত হৈ জম্মু-কাশ্মীৰৰ পেহেলগামত পাকিস্তানৰ মদদপুষ্ট সন্ত্ৰাসবাদীয়ে নিৰীহ পৰ্যটকক গুলীয়াই হত্যা কৰা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। এই ঘটনাত নিহত হোৱা প্ৰতিগৰাকী প্ৰয়াত ব্যক্তিৰ আত্মাৰ সদ্গতি কামনা কৰে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰি ন্যায় বিচাৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী তোলে। প্ৰতিবাদ থলীতে পৰিষদৰ সদস্যসকলে মৃতকৰ বাবে এক মিনিট মৌন প্ৰাৰ্থনা কৰাৰ লগতে উগ্ৰপন্থী মুৰ্দাবাদ, উগ্ৰপন্থী হুচিয়াৰ, আদি ধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে জম্মু-কাশ্মীৰত থকা সন্ত্ৰাসবাদীক নিৰ্মূল কৰিবলৈ দাবী জনায়।

# পৰ্বতঝোৰাত প্লাষ্টিক কেৰী বেগ কাৰখানাৰ শুভ উদ্বোধন

**ই-সংবাদ, পৰ্বতঝোৰা, ২৬ এপ্ৰিলঃ** নামনি অসমবাসীৰ বাবে শেহতীয়াকৈ আহি পৰিছে এটা ভাল খবৰ। উল্লেখ্য যে আলমগঞ্জ বজাৰৰ সমীপৱৰ্তী তথা বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ কাজি গাঁও আৰক্ষী থানাৰ অন্তৰ্গত দামপুৰ দ্বিতীয় খণ্ড গাঁৱৰ নুৰ ইছলাম সৰকাৰে M/S- BIO PLASTIC HUB নামেৰে এটা প্লাষ্টিক কেৰি বেগ ফেক্টৰীৰ আজি শুভ উদ্বোধন কৰে। উল্লেখ্য যে, ধুবুৰী তথা কোকৰাঝাৰবাসীৰ ব্যৱসায়ীৰ বাবে এইফেক্টৰীটোৱে এক সুখবৰ কঢ়িয়াই অনাত অঞ্চল জুৰি আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। কোনো ব্যৱসায়ীয়ে খুচুৰা, পাইকাৰী মূল্যত প্লাষ্টিকৰ কেৰী বেগ ফেক্টৰীৰ পৰা সুলভ মূল্যত ক্ৰয় কৰিব বিচাৰিলে M/S- SARKAR BIO PLASTIC HUB ৰ স্বত্বাধিকাৰী আলমগঞ্জ দামপুৰ দ্বিতীয় খণ্ড গাঁৱৰ নুৰ আলম সৰকাৰৰ লগত যোগাযোগ কৰিব পাৰিব। তেওঁৰ যোগাযোগৰ নম্বৰটো হৈছে 9957912411।

# চফ্ৰাই ৰে'ল ষ্টেচনৰ প্লেটফৰ্ম ওখ কৰাৰ দাবী

**ই-সংবাদ, মথুৰাপুৰ, ২৬ এপ্ৰিলঃ** চৰাইদেউ জিলাৰ অন্তৰ্গত চফ্ৰাই ৰে'ল ষ্টেচনৰ প্লেটফৰ্ম ওখ নোহোৱাত যাত্ৰীয়ে ৰে'লত উঠা-নমা কৰাত ব্যাপক সমস্যাৰ সন্মুখীন হৈ আহিছে। সেয়ে প্লেটফৰ্ম ওখ কৰাৰ দাবী জনাইছে ৰাইজে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তিনিচুকীয়া সংমণ্ডলৰ অন্তৰ্গত এটা গুৰুত্বপূৰ্ণ ৰে'ল ষ্টেচন হৈছে চফ্ৰাই ৰে'ল ষ্টেচন। এই ষ্টেচনটোৰ পৰা চাৰিওদিশৰ প্ৰায় ১৫/২০ খন গাঁও আৰু কেইবাখনো চাহ বাগিচাৰ ৰাইজে ৰে'ল সেৱাৰ সুবিধা গ্ৰহণ কৰি আহিছে। ইফালে, বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত নাম অন্তৰ্ভুক্ত হোৱা চৰাইদেউ মৈদাম ক্ষেত্ৰৰ নিকতৱৰ্তী ৰে'ল ষ্টেচনো হ'ল চফ্ৰাই ৰে'ল ষ্টেচন। কিন্তু দেখিবলৈ পোৱা গৈছে অৰ্থনৈতিকভাৱে গুৰুত্ব থকা ৰে'ল ষ্টেচনটোৰ উন্নয়নৰ ক্ষেত্ৰত ৰে'ল বিভাগে মাহী আইৰ দৃষ্টি দি আহিছে। অসমত ব্ৰডগেজ ৰে'ল চলাচল হোৱাৰ পাছৰে পৰা ষ্টেচনটোৰ প্লেটফৰ্মত যাত্ৰীসকল ৰে'লত উঠিব পৰাকৈ ওখ হোৱা নাই। শেহতীয়াকৈ ৰে'ল পথত বৈদ্যুতিকৰণৰ কাম আৰম্ভ হোৱাৰ লগে লগে ৰে'ল বিভাগে পূৰ্বতকৈ ৰে'ল পথটোও কিছু ওখ কৰে। যাৰ ফলত চফ্ৰাই ৰে'ল ষ্টেচনৰ প্লেটফৰ্মটো ৰে'ল পথতকৈ চাপৰ হৈ পৰে। ইয়াৰ ফলত ষ্টেচনটোৰ পৰা ৰে'লৰ সেৱা গ্ৰহণ কৰা ৰে'ল যাত্ৰীসকল ৰে'লত উঠা-নমা কৰাত ব্যাপক সমস্যাৰ সন্মুখীন হৈছে। বিশেষকৈ জ্যেষ্ঠ নাগৰিক, মহিলা, শিশু আৰু শাৰীৰিকভাৱে অক্ষম লোকসকলৰ বাবে ৰে'লত উঠা-নমা কৰাটো দুৰ্বিসহ হৈ পৰিছে। যাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজে ষ্টেচনটোৰ এই গুৰুত্বপূৰ্ণ সমস্যাটো সন্দৰ্ভত ষ্টেচন অধীক্ষকক মৌখিকভাৱে অৱগত কৰি আহিছে যদিও ৰে'ল বিভাগে বিষয়টো আওকাণ কৰি অহা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, ৰে'ল ষ্টেচনটোত দৈনিক উজনি আৰু নামনিমুৱা চাৰিখন ৰে'লৰ ষ্টপেজ আছে। ষ্টেচনটোৰ পৰা দৈনিক সহস্ৰাধিক লোকে ৰে'ল সেৱাৰ সুবিধা গ্ৰহণ কৰে। যাত্ৰীসকলৰ সুবিধাৰ বাবে নিত্য নতুন আঁচনি গ্ৰহণ কৰি অহা ভাৰতীয় ৰে'লৱেৰ কোনো ফলপ্ৰসূ আঁচনিয়ে চফ্ৰাই ৰে'ল ষ্টেচনক আজি পৰ্যন্ত স্পৰ্শ কৰিব পৰা নাই। অন্যহাতে, ৰে'ল বিভাগে এনে গুৰুত্বপূৰ্ণ ৰে'ল ষ্টেচনত ইণ্টাৰচিটি ৰে'লখনৰ ষ্টপেজ আছিল যদিও ক'ভিড-১৯ ৰ গইনা লৈ ৰে'লখনৰ ষ্টপেজ উঠাই দিয়াৰ পাছত পুনৰ ষ্টেপেজ নিদিয়াত ৰাইজে বহু আবেদন-নিবেদন কৰাৰ পাছতো ৰে'ল বিভাগে বিষয়টোত কোনো গুৰুত্ব আজি পৰ্যন্ত নিদিয়াত দূৰণীবটীয়া যাত্ৰী সমস্যাত পৰিছে। যাত্ৰীসকলৰ এই গুৰুত্বপূৰ্ণ সমস্যাবোৰ সমাধানৰ ব্যৱস্থা কৰিবলৈ ৰে'ল বিভাগক দাবী জনাইছে ৰাইজে।

# অসম জনজাতি সাংস্কৃতিক মহাসভাৰ তৃতীয় কাৰ্যনিৰ্বাহ সভা সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ২৬ এপ্ৰিলঃ** আজি ৰূপনগৰস্থিত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাকক্ষত অসম জনজাতি সাংস্কৃতিক মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ তৃতীয় পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখনি অনুষ্ঠিত হৈ যায়। মহাসভাৰ কামৰূপ মহানগৰ জিলা সমিতিৰ আতিথ্যত আয়োজিত এই বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত সভাপতিত্ব কৰে মহাসভাৰ কেন্দ্ৰীয় সভাপতি দেৱেন্দ্ৰ নাথ বসুমতাৰীয়ে। সভাত মহাসভাৰ মুখ্য উপদেষ্টা চন্দ্ৰছিং ক্ৰ, মহাসভাৰ বিভিন্ন জিলা সমিতিৰ সভাপতি-সম্পাদক আৰু প্ৰতিনিধিৰ উপৰি আমন্ত্ৰিত অতিথি ৰূপে অংশগ্ৰহণ কৰে গাৰো সাহিত্য সভাৰ সভাপতি বিচিত্ৰ চাংমাই। সভাৰ কাৰ্যসূচী আৰম্ভ কৰাৰ আগতে যোৱা ২২ এপ্ৰিলত জম্মু আৰু কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ ব্যক্তি কেইগৰাকী আৰু দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ পৱিত্ৰ স্মৃতিত সভাই গভীৰ শোক প্ৰকাশ কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে সন্ত্ৰাসবাদীৰ এনে নিষ্ঠুৰ হত্যালীলাক সভাই তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ উপৰি চৰকাৰক সন্ত্ৰাসবাদক সমূলি বিনাশ কৰাৰ বাবে কাৰ্যব্যৱস্থা ল'বলৈ চৰকাৰক আহ্বান জনায়। এই শোকসভাতে, অসম জনজাতি সাংস্কৃতিক মহাসভাৰ জন্ম লগ্নৰে পৰা জড়িত উপ-সভাপতি প্ৰয়াত কালিকান্ত বড়ো, বিশিষ্ট শিল্পী ফেইলাও বসুমতাৰীৰ উপৰি জ্ঞাতে অজ্ঞাতে অকালতে অনন্তধামলৈ গতি কৰা শিল্পী আৰু সাংস্কৃতিক কৰ্মী পুণ্য স্মৃতিত শ্ৰদ্ধাঞ্জলি জনাই তেওঁলোকৰ আত্মাৰ শান্তি আৰু সদগতি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। মহাসভাৰ মুখ্য সম্পাদক সূৰুয কুমাৰ পাতিৰিয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ উপৰি মহাসভাৰ সাংগঠনিক দিশৰ ওপৰত আলোচনা আৰম্ভ কৰি সদস্যসকলৰ পৰা পৰামৰ্শ আহ্বান কৰে। কাৰ্যকৰী সভাপতি ড০ পৱিত্ৰ কুমাৰ পেগুৱেও মহাসভাক সফল সু-সংগঠিত আৰু শক্তিশালী কৰাৰ ক্ষেত্ৰত ভালেমান দিহা পৰামৰ্শ আগবঢ়ায়। সভাত অংশগ্ৰহণ কৰি গাৰো সাহিত্য সভাৰ সভাপতি বিচিত্ৰ চাংমায়ো সাম্প্ৰতিক সময়ত অসম জনজাতি সাংস্কৃতিক মহাসভাৰ গুৰুত্ব আৰু অতি কম সময়তে কৰা মহসভাই লাভ কৰা অগ্ৰগতি সম্পৰ্কত সন্তুষ্টি প্ৰকাশ কৰি ভাষণ দিয়ে আৰু ভৱিষ্যতে মহাসভাৰ লগত সংযুক্ত
হৈ কাম কৰাৰ আশ্বাস দিয়ে। আজিৰ সভাত মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ অতিৰিক্ত মুখ্য সম্পাদক 'অসম সৌৰভ' নাদিৰাম দেউৰীয়ে মৰিগাঁও জিলা সমিতিৰ হৈ চলিত বৰ্ষৰ নৱেম্বৰ-ডিচেম্বৰ মাহত মহাসভাৰ বাবে দ্বিতীয়খন "জনজাতীয় সাংস্কৃতিক সমাৰোহ" জাগীৰোডৰ তিৱা সাংস্কৃতিক প্ৰকল্প চৌহদত অনুষ্ঠিত কৰাৰ বাবে আনুষ্ঠানিকভাৱে প্ৰস্তাৱ উত্থাপন কৰে। সভাই সৰ্বসন্মতিক্ৰমে দেউৰীৰ প্ৰস্তাৱক সমৰ্থন জনায় আৰু প্ৰস্তাৱটি গ্ৰহণ কৰে।

# তীব্ৰ ক্ষোভ প্ৰকাশ আয়োজকৰ

## কামপুৰত 'মেজাংকৰি-২০২৫' অনুষ্ঠিত কৰাত বাধা প্ৰশাসনৰ

**ই-সংবাদ, কামপুৰ, ২৬ এপ্ৰিলঃ** বৃহত্তৰ কামপুৰৰ জাতি-জনগোষ্ঠীৰ সহযোগত ৰঙালী বিহু উপলক্ষে কামপুৰ নিউ ৰে'লৰে কলনীত আজি আয়োজন কৰা হৈছিল 'মেজাংকৰি-২০২৫'। যি স্থানত আজি উক্ত উৎসৱটিৰ আয়োজন কৰা হৈছিল তাত পূৰ্বতে বসতি কৰি থকা লোকসকলক ৰে'ল বিভাগৰ উৰণ সেতুখন নিৰ্মাণৰ বাবে উচ্ছেদ কৰা হৈছিল আৰু সেই উচ্ছেদিত বহু লোক আজিও গৃহহাৰা আৰু শোকাকুল হৈ আছে বুলি কামপুৰ পৌৰসভাৰ ৱাৰ্ড কমিছনাৰ, বজাৰ সমিতিৰ লগতে একাংশ লোকে কামপুৰ আৰক্ষী থানাক জনাইছিল। লগতে পেহেলগামৰ ঘটনাটোৱে সমগ্ৰ বিশ্ব কঁপাই তোলা সময়ত এনে অনুষ্ঠানে বিৰূপ প্ৰভাৱ পেলাব পাৰে বুলিআবেদনকাৰীসকলে আশংকা কৰি ৰঙালী বিহুৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা উক্ত অনুষ্ঠানটি স্থগিত বা স্থানান্তৰ কৰিবলৈ আৰক্ষী-প্ৰশাসনক আবেদন জনাইছিল। উক্ত আবেদনৰ ভিত্তিত আৰক্ষী প্ৰশাসনৰ লোক উৎসৱস্থলীত উপস্থিত হৈ আয়োজকক অনুষ্ঠানটি আজি বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়ে। ইফালে, 'মেজাংকৰি-২০২৫'ৰ আয়োজকসকলে ৰাজনৈতিক দলৰ শক্তিৰ ছত্ৰছায়াত এই বিহুটো বন্ধ কৰা হৈছে বুলি সাংবাদিকৰ আগত ক্ষুব্ধ হৈ মন্তব্য কৰে। অনুষ্ঠানটি হ'ব লগা স্থানত পূৰ্বে উচ্ছেদ চলোৱা হৈছিল আৰু উচ্ছেদিত লোকসকল দুখত আছে বুলি আবেদনত উল্লেখ কৰা সন্দৰ্ভত আয়োজকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শিলসাঁকোত ভূমিপুত্ৰসকলক উচ্ছেদ চলাওতে তেতিয়া তেওঁলোকৰ চকুপানী ক'ত লুকাই আছিল বুলি প্ৰশ্ন কৰে। ইফালে, আজি বিহুৰ অনুষ্ঠান বন্ধ কৰিব লগা হোৱা বিষয়টো অসমবাসী ৰাইজক বিচাৰ কৰিবলৈ আয়োজকসকলে আবেগিকভাৱে অনুৰোধ জনাইছে।

# সন্ত্ৰাসবাদীৰ গুলীৰ আঘাত লৈ ঘৰলৈ উভতিল সৰুপথাৰৰ তীৰ্থ তুৰুং

**ই-সংবাদ, সৰুপথাৰ, ২৬ এপ্ৰিলঃ** যোৱা ১২ এপ্ৰিলত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ সৈতে সমুখ সমৰত লিপ্ত হৈ আঘাতপ্ৰাপ্ত হোৱা সৰুপথাৰৰ সেনা জোৱান তীৰ্থ তুৰুং আজি নিজ গৃহত উপস্থিত হয়। বিগত ১২ এপ্ৰিলত তীৰ্থই আন সতীৰ্থ জোৱানৰ সৈতে কাশ্মীৰৰ ড'দা-কিষ্টৱাৰ জিলাত কৰ্তব্যৰত অৱস্থাত উগ্ৰবাদীৰে উক্ত সংঘৰ্ষৰ



সন্মুখীন হয়। জোৱানজনৰ বাওঁ হাতত গুলী লাগে আৰু তেওঁক ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰাহয়। আজি পুৱা সৰুপথাৰৰ ৰজা পুখুৰী শ্যাম গাঁৱৰ একত্ৰিছ বছৰীয়া সেনা জোৱানজন ৰে'ল যোগে সৰুপথাৰ ৰে'ল ষ্টেচনত উপস্থিত হোৱাত সেনাজোৱানজনক স্থানীয় লোকে বিপুল আদৰণি জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মাৰপিটত বাধা দিবলৈ যোৱা আৰক্ষীক

হয়। উক্ত ঘটনাৰ খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় শিলবৰী আৰক্ষী। দুই পক্ষৰ সংঘাত নিৰাময় কৰিবলৈ যোৱা আৰক্ষীকো আক্ৰমণ কৰে একাংশ উত্তেজিত লোকে। উক্ত ভয়ংকৰ আক্ৰমণ কৰাৰ পিছত চাৰিজনকৈ আৰক্ষী আহত হয়। গুৰুতৰভাৱে আহত হোৱা আৰক্ষীকেইজন ক্ৰমে শিলবৰী আৰক্ষী চকীৰ উপ-পৰিদৰ্শক ৰূপাংকৰ দাস, মেজৰ প্ৰদীপ বড়ো, আনন্দ দাস আৰু জুৰেল হাজৰিকা। আহতসকলক প্ৰথমে খাৰুপেটীয়া সামূহিক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসা প্ৰদান কৰা হয়। পিছত তেওঁলোকক উন্নত চিকিৎসাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইয়াৰে উপ-পৰিদৰ্শক ৰূপাংকৰ দাসক সংকটজনক অৱস্থাত গুৱাহাটী মেডিকেল কলেজ হস্পিতাললৈ প্ৰেৰণ কৰে। ইতিমধ্যে দৰং আৰক্ষীয়ে ৩৪ জনকৈ লোকক আজি জে'ললৈ প্ৰেৰণ কৰে। আজাদ আলী, মফিদুল ইছলাম, আবু বক্কৰ ছিদ্দিক, কস্তম আলী, জয়নাল আবদীন, গোলাপ হুছেইন, আছাদুল ইছলাম, চুমছেৰ আলী, চান্দ মিঞা, চান্দ মিঞা, মইদুল ইছলাম, মহম্মদ আহেদ আলী, ইয়াহিঞা হুছেইন, জিয়াৰুল হক, আব্দুল হামিদ, ছাহাদুল ইদুলাম, ইলিয়াছ আলী, ইমৰাদুল হক, জুলহাজ আলী, আবুল কাছেম, নুৰ মহম্মদ আলী, জয়নাল আবদীন, আমছেৰ আলী, আব্দুল জলিল, বাপধন আলী, আক্ৰামুল ইছলাম, জমছেদ আলী, হাছিমুদ্দিন, ওমেদ আলী, বাবুল হুছেইনক গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰে। জানিব পৰা মতে ধনশ্ৰী বালি কুৰেৰীত দুটা গ্ৰুপৰ ঠিকাদাৰ কবিৰ আলী, জাহিদুল ইছলাম, হবিবুৰ ৰহমান, একমাদুল হক আৰু মুস্তাক আহমেদ নামৰ চাৰিজন যুৱকৰ গ্ৰুপটোও আছে যদিও ভিতৰি ভিতৰি অন্য গ্ৰুপৰ সৈতে ঠিকাদাৰ কবিৰ আলীয়েও যোগ দিয়াত বাকী চাৰিজনৰ নামত আন এজন ঠিকাদাৰ কৌশিক চৌধুৰীয়ে ধন দাবী কৰা বুলি দলগাঁও থানাত এটি গোচৰ ৰুজু কৰে। সেই গোচৰৰ ভিত্তিত উক্ত চাৰিওজন যুৱককো জে'ললৈ প্ৰেৰণ কৰে। ইফালে কৰ্তব্যৰত আৰক্ষীক আক্ৰমণ, কৰ্তব্যত বাধা আৰু আৰক্ষীৰ বাহনক ক্ষতি কৰা বাবে পৃথকে আন এক গোচৰ ৰুজু কৰি ৩০ জন লোকক নিশা গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, আৰক্ষীক আক্ৰমণ কৰা কাৰ্যত শতাধিক লোক জড়িত আছিল যদিও তাৰে ৩০ জনক গ্ৰেপ্তাৰ কৰাৰ হৈছে। বাকী আক্ৰমণকাৰী পলাতক অৱস্থাত আছে। এই ঘটনাক কেন্দ্ৰ কৰি জিলাখনত চাঞ্চল্য অব্যাহত থকাৰ মাজতে উক্ত ঘটনাক দৰং আমছুৰে গৰিহণা দি অপৰাধী চক্ৰৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইফালে দৰং প্ৰশাসনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি নৈৰ নিকটৱৰ্তী এলেকাত সামৰিক আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# সৰুপেটাত এজাক বৰষুণতে বুৰ যায়

শুকমানাহ-পোৰাভঁৰাল সংযোগী প্ৰায় এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা কৃত্ৰিম বানত বুৰ যোৱা আৰু জলমগ্ন উক্ত পথেৰে মানৱ সম্পদৰূপে অভিহিত অঞ্চলটোৰ আদৰ্শ জাতীয় বিদ্যালয়, পল্লাৰপাৰ উচ্চতৰ মাধ্যমিক (বিজ্ঞান) বিদ্যালয়, পল্লাৰপাৰ বিজ্ঞান একাডেমী, শুকমানাহ-পল্লাৰপাৰ হাইস্কুল, গ্ৰীন ভেলী একাডেমী আদিকে ধৰি চৰকাৰী-বেচৰকাৰী ১২ খন শিক্ষা প্ৰতিষ্ঠানৰ প্ৰায় চাৰি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে এটা দশকৰো অধিককাল শিক্ষা গ্ৰহণৰ উদ্দেশ্যে উক্ত পথছোৱাৰে নিজ নিজ শিক্ষানুষ্ঠানলৈ অহা-যোৱা কৰা দৃশ্যই সম্প্ৰতি সচেতন ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছে। আজি এই সাংবাদিকে নিজেই তেনে এক দৃশ্যৰ সন্মুখীন হয়। উল্লেখ্য, বৰ্তমান পাকা-বেতবাৰী সমষ্টিৰ অন্তৰ্গত ভৱানীপুৰ অঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলটোত পথৰ দুৰৱস্থাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে। আজি এই সাংবাদিকে ছাবলাইম একাডেমী নামৰ ব্যক্তিগত বিদ্যালয়খনৰ সন্মুখতে পথৰ ওপৰত বিশাল আবদ্ধ পানীৰ ডোং এটা প্ৰত্যক্ষ কৰে। আনহাতে বিদ্যালয় ছুটীৰ সময়ত কণ কণ শিক্ষাৰ্থীৰ পৰা মহাবিদ্যালয় পৰ্যন্ত ছাত্ৰ-ছাত্ৰীসকলে একাঁঠু পৰ্যন্ত পানীৰ ডোঙৰ কাষেৰে কোনোমতে খুপি খুপি পাৰ হোৱা দৃশ্যই স্বাভাৱিকতেই ৰাজ্য চৰকাৰৰ 'সকলোৰে বাবে শিক্ষা' শ্লোগানৰ অসাৰতাকেই প্ৰতিপন্ন কৰা বুলি মন্তব্য কৰিছে। তদুপৰি বিদ্যালয় ছুটীৰ সময়ত আন একাংশ ছাত্ৰ-ছাত্ৰী পাণ জপা দি ই-ৰিক্সা নতুবা চাইকেল অথবা বাইকেৰে পাৰ হোৱা দৃশ্যই স্বাভাৱিকতেই ছাত্ৰ-ছাত্ৰীসকলৰ নিৰাপদ শিক্ষা গ্ৰহণৰ বিষয়তো প্ৰশ্ন উত্থাপন কৰিছে। লক্ষণীয়ভাৱে শুকমানাহ গাঁও পঞ্চায়তৰ অধীনস্থ এক কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ উত্তৰ প্ৰান্তত ভৱানীপুৰ সমষ্টিৰ এই আই ইউ ডি এফ দলৰ প্ৰাক্তন বিধায়ক আবুল কালাম আজাদৰ ঘৰৰ সন্মুখতো আবতৰীয়া এক বানসদৃশ পৰিবেশ প্ৰত্যক্ষ কৰে সাংবাদিকে। স্থানীয় ৰাইজে পথছোৱাৰ নিৰ্মাণ বিধিসন্মত নোহোৱাৰ লগতে পানী নিষ্কাষণৰ কোনো সুবিধা নথকাত চাৰি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে পথৰ এনে দুৰৱস্থাৰ মাজেৰে নিজ নিজ বিদ্যালয়ত উপস্থিত হ'বলগীয়াৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ বিষয়ে অভিযোগ কৰিছে। তদুপৰি বাৰিষাৰ সময়ত অঞ্চলটোৰ কেইবাখনো বিদ্যালয় চৌহদ একাঁঠুৰ পৰা এককাঁল পৰ্যন্ত পানীত বুৰ যোৱাত উক্ত সময়ছোৱাত শিক্ষাদান বহু পৰিমাণে ব্যাহত হোৱাৰ ফলত উক্ত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণ অধিক ব্যাহত হোৱাৰ কথাও সদৰী কৰিছে কেইবাখনো বিদ্যালয়ৰ কৰ্তৃপক্ষই।

# লাহৰীঘাট আৰু মৰিগাঁও সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন জিলা আয়ুক্তৰ

**ই-সংবাদ, লাহৰীঘাট, ২৬ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি মৰিগাঁও জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশিস শৰ্মাই মৰিগাঁও বিধানসভা সমষ্টি আৰু লাহৰীঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি কেন্দ্ৰকেইটাৰ অৱস্থাৰ বুজ লয়। তেওঁ মৰিগাঁও সমষ্টিৰ অন্তৰ্গত মাণিপুৰ মজলীয়া বিদ্যালয় পৰিদৰ্শন কৰি মৰিগাঁৱৰ চক্ৰ বিষয়া মণিকা বৰগোহাঁইক কেন্দ্ৰটোত ন্যূনতম প্ৰয়োজনীয় সা-সুবিধাসমূহ সুনিশ্চিত কৰাৰ নিৰ্দেশ দিয়ে। উল্লেখ্য যে উক্ত বিদ্যালয়খনত মৰিগাঁও সমষ্টিৰ দুটা আৰু জাগীৰোড সমষ্টিৰ দুটা ভোটগ্ৰহণ কেন্দ্ৰ হ'ব। মৰিগাঁৱৰ কেন্দ্ৰ দুটা সম্পূৰ্ণৰূপে মহিলা ভোটগ্ৰহণকাৰী বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব। তেওঁ লাহৰীঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত লাহৰীঘাট প্ৰাথমিক বিদ্যালয় আৰু লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰকেইটাও পৰিদৰ্শন কৰে। কেন্দ্ৰসমূহত বিশেষভাৱে পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰাখিবলৈ আৰু ন্যূনতম সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ তেওঁ বিদ্যালয় কৰ্তৃপক্ষ আৰু সমজিলা কাৰ্যালয়ৰ সহকাৰী আয়ুক্তক নিৰ্দেশ দিয়ে। তেওঁ লাহৰীঘাটত স্থাপন কৰা ভোটগণনা কেন্দ্ৰ আৰু ষ্ট্ৰংৰুমৰ কাম-কাজৰো বুজ লয়। উল্লেখ্য, মৰিগাঁও জিলাত ৭ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হ'ব। জিলাখনত মুঠ ভোটগ্ৰহণ কেন্দ্ৰ ৯৭২ টা। এইবাৰ মৰিগাঁৱৰ উপৰি লাহৰীঘাট আৰু জাগীৰোড সমজিলাত ভোটগণনা কৰা হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আজি দুখন উৰণীয়া সেতু উদ্বোধন

পথৰ সংযোগীস্থলত গড়কাপ্টানী বিভাগে নিৰ্মাণ কৰা উৰণীয়া সেতুখনৰ নাম "ড° লীলা গগৈ" আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱে মানকটা পথৰ থানা চাৰিআলিৰ সমীপত নিৰ্মাণ কৰা ৰে'লৱে অভাৰব্ৰীজৰ কাষত থকা সেতুৰ নাম 'বাগ্মীবৰ নীলমণি ফুকন' নামেৰে নামকৰণ কৰাত মুখ্যমন্ত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে ডিব্ৰুগড় সাহিত্য সভাই। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি বিশিষ্ট গল্পকাৰ জ্যোতি বৰগোহাঁই, উপ-সভাপতি যাদৱ গগৈ আৰু সম্পাদক ৰাতুল গোহাঁই স্বাক্ষৰিত এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ডিব্ৰুগড়ৰ বিধায়ক তথা শক্তি, নিয়োগ, দক্ষতা বিকাশ আৰু চিকিৎসা শিক্ষাৰ মন্ত্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড়ৰ আয়ুক্ত বিক্ৰম কৈৰীক ধন্যবাদ জনাই কয় যে ডিব্ৰুগড়ৰ সু-সন্তান, অসমৰ গৌৰৱ, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জগতলৈ অমূল্য অৱদান আগবঢ়াই যোৱা স্বনামধন্য সাহিত্যিক, গৱেষক, সংগীতজ্ঞ, বুৰঞ্জীবিদ, শিক্ষাবিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰকাশন নিগমৰ সঞ্চালক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপকৰ লগতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ জগতলৈ অনবদ্য অবদান আগবঢ়াই অসমীয়া জাতিক ধন্য কৰি গৈছে যদিও বৰেণ্য ব্যক্তিজন আজিও উপেক্ষিত হৈ আছে। সেয়ে নৱপ্ৰজন্মই বিশিষ্ট সাহিত্য-সংস্কৃতিৰ সাধক, বুৰঞ্জীবিদজন সদায় জিলিকি থকাৰ মানসেৰে তেওঁৰ নামত নৱনিৰ্মিত উৰণীয়া সেতুখনৰ নামকৰণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু যোৱা ফেব্ৰুৱাৰী মাহত জিলা আয়ুক্তৰ জৰিয়তে স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছিল। অৱশেষত তেওঁৰ নামেৰে নামকৰণ হোৱা উৰণীয়া সেতুখন মুখ্যমন্ত্ৰীগৰাকীয়ে নিজে দেওবাৰে উদ্বোধন কৰি ৰাইজৰ বাবে উৎসৰ্গা কৰাৰ বাবে ডিব্ৰুগড় সাহিত্য সভাই ধন্যবাদ জনাইছে। আনহাতে ডিব্ৰুগড়ৰ বাবে আন এজন গৌৰৱময় ব্যক্তি বাগ্মীবৰ নীলমণি ফুকন অসমীয়া ভাষা, সাহিত্য, সংবাদ-পত্ৰ জগতলৈ অমূল্য অবদান আগবঢ়াই যোৱা এগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি। স্বনামধন্য সাহিত্যিক, শিক্ষাবিদ, ৰাজনীতিবিদ, সুবক্তা, কবি, কথা-সাহিত্যিক, সাংবাদিক তথা বিশিষ্ট চাহ খেতিয়ক, অসম সাহিত্য সভাৰ দুবাৰকৈ সভাপতি পদ অলংকৃত কৰা বাগ্মীবৰ নীলমণি ফুকনৰ স্মৃতি নৱ প্ৰজন্মৰ মাজত চিৰকাল সজীৱ হৈ থকাৰ উদ্দেশ্যে উত্তৰ-পূব সীমান্ত ৰে'লৱে মানকটা পথৰ থানা চাৰিআলিৰ সমীপত নিৰ্মাণ কৰা ৰে'লৱে অভাৰব্ৰীজৰ নাম 'বাগ্মীবৰ নীলমণি ফুকনৰ নামেৰে নামকৰণ কৰাৰ বাবে 'ডিব্ৰুগড় সাহিত্য সভা'ই প্ৰস্তাৱ গ্ৰহণ কৰি ডিব্ৰুগড়ৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকন আৰু মুখ্যমন্ত্ৰীক স্মাৰক-পত্ৰ প্ৰদান কৰিছিল। অৱশেষত ডিব্ৰুগড় গৰৰ মাজমজিয়াত অসমীয়া ভাষা, সাহিত্য, ৰাজনৈতিক আৰু অৰ্থনৈতিক জগতখনলৈ অমূল্য অৱদান আগবঢ়াই যোৱা পুৰোধা ব্যক্তিজনৰ নামেৰে নামকৰণ কৰাত ডিব্ৰুগড় সাহিত্য সভাই ধন্যবাদ জ্ঞাপন কৰিছে। আনহাতে উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ পৰা সভাপতি মনজিৎ বৰা, সাধাৰণ সম্পাদক ৰাতুল গোহাঁই, উপদেষ্টা ৰাজীৱ বৰগোহাঞিয়ে কনভয় পথৰ উৰণীয়া সেতুৰ নাম ড° লীলা গগৈ আৰু থানা চাৰিআলিৰ উৰণীয়া সেতুৰ নাম বাগ্মীবৰ নীলমণি ফুকনৰ নামেৰে নামকৰণ কৰাৰ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি স্মাৰক-পত্ৰ প্ৰদান কৰাৰ লগতে ডিব্ৰুগড়ৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনকো স্মাৰক-পত্ৰ প্ৰদান কৰিছিল। শেহতীয়া দুয়োখন উৰণীয়া সেতু দুয়োজন স্বনামধন্য ব্যক্তিৰ নামেৰে নামকৰণ কৰাত আৰু মুখ্যমন্ত্ৰীয়ে নিজেই উপস্থিত থাকি ৰাইজৰ বাবে উৎসৰ্গিত কৰিবলৈ স্থিৰ কৰাত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু সাধাৰণ সম্পাদক ৰাতুল গোহাঁয়ে ধন্যবাদ জ্ঞাপন কৰি অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰি যোৱা পুৰোধা ব্যক্তি দুজন প্ৰজন্মৰ মাজত সদায় উজ্জীৱিত হৈ থাকিব বুলি কয়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পঞ্চায়ত সদস্যৰ প্ৰাৰ্থীক বিজেপিৰ

পদত প্ৰতিদ্বন্দ্বিতা কৰা একাংশ প্ৰাৰ্থীক বিজেপিৰ দলীয় প্ৰাৰ্থী বুলি কৰা ঘোষণাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ লগতে ৰাইজৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে এইবাৰ গাঁও পঞ্চায়তৰ সদস্য পদত কোনো দলীয় প্ৰতীক অবিহনে প্ৰাৰ্থীসকলক নিৰ্বাচনত অৱতীৰ্ণ হবলৈ নিৰ্বাচন আয়োগে ঘোষণা কৰিছে। যাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গাঁও পঞ্চায়তৰ সদস্য পদত প্ৰতিদ্বন্দ্বিতা কৰাসকলৰ পক্ষ নল'বলৈ দলীয় নেতা-কৰ্মীক আহ্বান জনাইছে। নলবাৰী জিলা বিজেপিৰ কাৰ্যালয়ত চাৰি দিন পূৰ্বে অনুষ্ঠিত দলীয় সভা এখনতো দলীয় বিষয়ববীয়াই কোনো নিৰ্দিষ্ট সদস্যৰ হকে প্ৰচাৰ চলাব নোৱাৰিব বুলি কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনাৰ পিছত দলীয় প্ৰতীক অবিহনে সদস্যসকলে নিৰ্বাচনত অৱতীৰ্ণ হৈছে যদিও শাসকীয় বিজেপি দলৰ একো একোটা বুথত দুই-তিনিগৰাকীকৈ প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব আগবঢ়াইছে। তিনিদিন পূৰ্বে চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদৰ প্ৰেক্ষাগৃহত আয়োজিত এখন দলীয় সভাত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বিজেপিৰ নেতাসকলক সদস্য পদত নিৰ্দিষ্ট দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ নচলাবলৈ পৰামৰ্শ দিছে। কিয়নো নিৰ্দলীয় হিচাপে একোটা খণ্ডত দুই-তিনিগৰাকীয়ে প্ৰতিদ্বন্দ্বিতা কৰিলেও তেওঁলোক বিজেপিৰে কৰ্মী বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰিছে। তেনেস্থলত আজি বনগাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যৰ পদৰ প্ৰাৰ্থী বিনয় চক্ৰৱৰ্তীৰ হৈ প্ৰচাৰ চলাবলৈ গৈ বিজেপিৰ নলবাৰী জিলাৰ সভাপতি পৱিত্ৰ ডেকাই বনগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত দহগৰাকীক গাঁও পঞ্চায়তৰ সদস্য পদত দলীয় প্ৰাৰ্থিত্ব দিয়া বুলি ঘোষণা কৰি একেলগে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে উক্ত গাঁও পঞ্চায়তখনত ১ নম্বৰ খণ্ডত দুগৰাকী, ৫ নম্বৰ খণ্ডত চাৰিগৰাকীকে ধৰি বাকী কেইটা খণ্ডতো একাধিক বিজেপি কৰ্মীয়ে নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। তেনে ক্ষেত্ৰত মুখ্যমন্ত্ৰী, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উৰ্ধ্বত জিলাৰ উপ-সভাপতি পবিত্ৰ ডেকাক ইয়াৰে এগৰাকীহে বিজেপিৰ প্ৰাৰ্থী বুলি ঘোষণা কৰিবলৈ কোনে ক্ষমতা প্ৰদান কৰিলে বুলি দলীয় কৰ্মীয়ে প্ৰশ্ন উত্থাপন কৰিছে। পবিত্ৰ ডেকাই কৰা মন্তব্য ইতিমধ্যে ছ'চিয়েল মিডিয়াত প্ৰচাৰ হৈছে। এই ক্ষেত্ৰত দলীয় নেতৃত্বই কি ব্যৱস্থা হাতত লয় সেয়াও লক্ষণীয় হ'ব বুলি বহুতে মন্তব্য কৰিছে।

# পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী সন্মিলন, নলবাৰী শাখাৰ উদ্যোগত শতাধিক বন্তি প্ৰজ্বলন

**ই-সংবাদ, বাঁহজানী, ২৬ এপ্ৰিলঃ** পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী সন্মিলন নলবাৰী শাখাৰ উদ্যোগত জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণত নিহতসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। পেহেলগামত মৃত্যুক আঁকোৱালি লোৱাসকলৰ আত্মাৰ সদগতিৰ অৰ্থে লগতে আঘাতপ্ৰাপ্তসকলৰ আশু আৰোগ্য কামনাৰে পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী সন্মিলন নলবাৰী শাখাই নলবাৰী চহৰৰ ষ্টাইল বজাৰৰ সন্মুখত শনিবাৰে গধূলি ৬ বজাত শতাধিক বন্তি প্ৰজ্বলন কৰে। বন্তি প্ৰজ্বলন কাৰ্যসূচীত পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী সন্মিলন নলবাৰী শাখাৰ সভাপতি সুনীল কুমাৰ শৰ্মা, পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী সন্মিলন নলবাৰী শাখাৰ সম্পাদক দীপক বাজাজ, পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী সন্মিলন নলবাৰী শাখাৰ কাষাধ্যক্ষ শ্যামসুন্দৰ বাজাজ, নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি জিতেন শৰ্মা, বজৰংগ লাল আগৰৱালা, মাৰোৱাৰী সন্মিলন নলবাৰী শাখা, মাৰোৱাৰী যুৱ মঞ্চ নলবাৰী শাখা, দিগম্বৰ জৈন সমাজ, মাৰোৱাৰী সনাতন সমাজ প্ৰমুখ্যে বিভিন্ন দল-সংগঠনৰ সদস্যসকল উপস্থিত থাকে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মধ্যাহ্ন ভোজন, ঐক্য পোছাক

কৰা হৈছে। মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাই স্বাক্ষৰিত এই আদেশত বিদ্যালয়ৰ আৰ্থিক স্বচ্ছতা আৰু জবাবদিহিতাৰ প্ৰতি লক্ষ্য কৰি তেওঁক ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পদৰ পৰা তাৎক্ষণিকভাৱে অপসাৰণ কৰা বুলি নিৰ্দেশনাটোত স্পষ্ট কৰা হৈছে। নিৰ্দেশনাটোত উল্লেখ কৰা মতে, প্ৰাক্তন প্ৰধান শিক্ষক জিন্নত আলীৰ অভিযোগৰ ভিত্তিত ৭ ফেব্ৰুৱাৰী, ২০২৪ ত তেওঁ মুখ্যমন্ত্ৰীৰ নিৰীক্ষণ কোষৰ জৰিয়তে আজিজৰ বিৰুদ্ধে বিদ্যালয়ৰ ধনৰ অপব্যৱহাৰৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। অভিযোগৰ গুৰুত্ব বিবেচনা কৰি মাধ্যমিক শিক্ষা সঞ্চালকৰ লগতে মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাই পৃথকে পৃথকে তদন্ত কৰে। ইফালে বিভাগীয় তদন্তৰ নিৰ্দেশৰ পিছত দৰং জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে ২১ জুন, ২০২৪ত এই বিষয়ে তদন্তৰ এক বিস্তাৰিত প্ৰতিবেদন দাখিল কৰে, য'ত বিদ্যালয়ৰ আৰ্থিক কাৰ্যকলাপৰ বিসংগতিৰ কথা স্পষ্টভাৱে উল্লেখ কৰা হয়। ইয়াৰ পিছত ১৬ আগষ্ট, ২০২৪ ত সঞ্চালকৰ কাৰ্যালয়ত এখন শুনানি অনুষ্ঠিত হয়। এই শুনানিত আজিজ আৰু অভিযোগকাৰী জিন্নত আলী উভয়েই উপস্থিত আছিল। শুনানিৰ সময়ত আজিজক বিদ্যালয়ৰ মধ্যাহ্ন ভোজন আৰু ইউনিফৰ্ম অনুদানৰ সৈতে জড়িত বিল, ভাউচাৰ, কেছ বুক আৰু অন্যান্য অত্যাৱশ্যকীয় ৰেকৰ্ড দাখিল কৰিবলৈ কোৱা হয়। কিন্তু এই ৰেকৰ্ড দাখিল কৰিবলৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হয় আব্দুল আজিজ। তেওঁৰ এই অসহযোগিতাৰ পিছতো তেওঁক দুখন পৃথক চিঠিৰ জৰিয়তে ৮ আগষ্ট আৰু ৮ অক্টোবৰ, ২০২৪ ত ৰেকৰ্ড দাখিলৰ বাবে সুযোগ দিয়া হৈছিল যদিও মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ত কোনো তথ্যপাতি দাখিল নকৰা আৰু বিভাগৰ লগত অসহযোগিতা অব্যাহত ৰাখে, যাৰ ফলত তথ্যপাতি হেৰফেৰ বা ধ্বংসৰ সন্দেহৰ সৃষ্টি হয় মাধ্যমিক শিক্ষা সঞ্চালকৰ। এই ঘটনাই শিক্ষা বিভাগৰ বাবে গুৰুতৰ উদ্বেগৰ সৃষ্টি কৰিছে। বিদ্যালয়ৰ আৰ্থিক কাৰ্যকলাপৰ স্বচ্ছতা আৰু জবাবদিহিতাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগৰ কঠোৰ নীতিৰ পৰিপ্ৰেক্ষিতত, মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ে আব্দুল আজিজক প্ৰধান শিক্ষকৰ দায়িত্বৰ পৰা অপসাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁৰ ঠাইত দৰং জিলাৰ বিদ্যালয় পৰিদৰ্শকক জংঘলপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অস্থায়ী প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰে। ইয়াৰ উপৰি বিদ্যালয়ৰ কৰ্মচাৰীৰ দৰমহা বিতৰণকে ধৰি আৰ্থিক কাৰ্যকলাপৰ দায়িত্বও তেওঁক প্ৰদান কৰা হৈছে। এই ব্যৱস্থা পৰৱৰ্তী নিৰ্দেশ জাৰি নোহোৱালৈকে কাৰ্যকৰী থাকিব। পৰৱৰ্তী সময়ত বিদ্যালয়সমূহৰ পৰিদৰ্শকে বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক আশ্বিক ইকবাল আনছাৰীক বিদ্যায়তনিক দিশৰ দায়িত্ব দিয়ে। আব্দুল আজিজৰ অপসাৰণক কেন্দ্ৰ কৰি তেওঁৰ অনুগামীসকলে ষড়যন্ত্ৰ কৰা বুলি অভিযোগ কৰিলেও মূলতঃ শিক্ষকজনৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি বিদ্যালয়ৰ বিভিন্ন শিতানৰ ধন হেৰফেৰ কৰাৰ অভিযোগ উত্থাপন হৈ থকাৰ মাজতে প্ৰাক্তন প্ৰধান শিক্ষকৰ আবেদনৰ ভিত্তিত শিক্ষা বিভাগ আৰু মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰণী শাখাই তদন্ত কৰি দুৰ্নীতি ধৰা পেলাইছিল। প্ৰধান শিক্ষকজনক তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিৰুদ্ধে কোনো নথি দাখিল কৰিব নোৱাৰাটোৱে অভিযোগৰ সত্যতা প্ৰমাণ কৰে।

# নলবাৰী চহৰত ড্ৰাগছ সৰবৰাহকাৰীক আটক আৰক্ষীৰ

**ই-সংবাদ, বাঁহজানী, ২৬ এপ্ৰিলঃ** নলবাৰীত নিচাজাতীয় দ্ৰব্য বিক্ৰী কৰিবলৈ আহি আৰক্ষীৰ হাতত ধৰা পৰিল নলবাৰী সোণপুৰৰ যুৱক। শনিবাৰে আবেলি নলবাৰী হৰিমন্দিৰ উৰণীয়া সেতুৰ তলত আৰক্ষীয়ে নলবাৰী সোণপুৰৰ সুৰেশ দাস যুৱক এজনক আটক কৰিবলৈ সক্ষম হয়। টাউন দাৰোগা লিটুমণি শৰ্মাৰ নেতৃত্বত চলা অভিযানত অপৰাধীক হাতে লোটে ধৰিবলৈ সক্ষম হয়। আৰক্ষীৰ তালাচীত ড্ৰাগছ সৰবৰাহকাৰী যুৱকজনৰ লগত ১৫ টা কণ্টেনাৰসহ নিচাযুক্ত দ্ৰব্য উদ্ধাৰ কৰিবলৈ সক্ষম হয়। যুৱকজনে AS 14 R 9076 নম্বৰৰ এখন TVS বাইকেৰে আহিছিল বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। ধৃত অপৰাধীজনক হাতে-লোটে ধৰাৰ পিছতে নলবাৰী সদৰ থানালৈ অনা হয়।

# নগাঁৱৰ মেধিচুকৰ বৰদৈচিলা ৰঙালী বিহু উৎসৱত বৰ্ণিল কলা-কৃষ্টিৰ অপূৰ্ব সমাহাৰ

**ই-সংবাদ, বেবেজীয়া, ২৬ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো বৰ্তমান অব্যাহত আছে বাপতিসাহোন ৰঙালী বিহুৰ আনন্দ-উল্লাস। সমাগত পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহেও ম্লান কৰিব পৰা নাই ৰাইজৰ ৰঙালীকেন্দ্ৰিক উৎসাহ-উদ্দীপনা। ইয়াৰ মাজতে জিলাখনৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত মেধিচুকৰ ৫২ সংখ্যক বৰদৈচিলা ৰঙালী বিহু উৎসৱৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানেৰে মুখৰিত হৈ পৰিল সোণাই নৈৰ পাৰ। উলহ-মালহেৰে উদযাপিত এই বিহু উৎসৱৰ বিগত দুয়োটা দিনৰ বিভিন্ন কাৰ্যসূচীৰ লগতে শুকুৰবাৰে নিশা তৃতীয়টো দিনৰ কাৰ্যসূচী অনুসৰি মেধিচুকৰ ৰাজহুৱা ভৱনত অনুষ্ঠিত কৰা হয় এলানি ভিন্নসুৰী বিচিত্ৰানুষ্ঠান। লেখক-সাংবাদিক জ্যোতিপ্ৰসাদ বৰাৰ সঞ্চালনাত অনুষ্ঠিত এই মনোমোহা অনুষ্ঠানটিত বিহু নৃত্য, জেং বিহু আৰু উদয়ন সাংস্কৃতিক গোষ্ঠীৰ লোকবাদ্যৰ অনুষ্ঠান পৰিৱেশিত হোৱাৰ উপৰি সংগীতানুষ্ঠানো অনুষ্ঠিত হয়। প্ৰায় তিনি ঘণ্টাজোৰা সংগীতানুষ্ঠানটিত চিন্ময় অনুৰাগ আৰু অংকিতা হাজৰিকাৰ লগতে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা আঠ বছৰীয়া শিশু ৰাহুল মেধিয়েও গীত পৰিৱেশন কৰে। আনকি কণমানি শিশুটিয়ে অন্যান্য সুমধুৰ গীতৰ লগতে জাতি-মাটিৰ কথা সন্নিৱিষ্ট গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে শনিবাৰে নিশা নাট্যানুষ্ঠানেৰে সামৰণি পৰিব মেধিচুকৰ বৰদৈচিলা ৰঙালী বিহু উৎসৱৰ।

# অভিনেতা যোগেশ কাশ্যপলৈ 'সেউজ শিল্পী সন্মান'

**ই-সংবাদ, দুনী, ২৬ এপ্ৰিলঃ** দৰঙৰ সন্তান, অভিনেতা যোগেশ কাশ্যপলৈ আগবঢ়োৱা হৈছে 'সেউজ শিল্পী সন্মান-২০২৫'। জিলাখনৰ মালিবাৰীটাৰিৰ সেউজ প্ৰগতি যুৱ সংঘই প্ৰদান কৰিব এই সন্মান। মালিবাৰীটাৰিৰ সেউজ বিহু বাকৰিত ৩ মে'ত নৈশ মুকলি বিহুত প্ৰদান কৰা হ'ব সন্মান। আনহাতে শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে হেঙালপাৰা মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক গণেশ শৰ্মাক 'সেউজ শিক্ষা ৰত্ন সন্মান -২০২৫' আৰু সমাজৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰা বোনমাঝা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চন্দ্ৰকান্ত ডেকাক 'সেউজ সমাজ ৰত্ন সন্মান -২০২৫' প্ৰদান কৰা হ'ব। দ্বাদশ বাৰ্ষিক নৈশ মুকলি বিহু উদ্বোধন কৰিব বিষ্ণুজ্যোতি হাইস্কুলৰ প্ৰধান শিক্ষক ৰবীন্দ্ৰ বৰুৱাই। উল্লেখ্য, প্ৰতি বছৰে এই সন্মান প্ৰদান কৰি আহিছে বিশিষ্ট ব্যক্তিক।

# নগাঁৱৰ ধনীয়াভেটি পঞ্চায়তত নিৰ্বাচনী হিংসা

**ই-সংবাদ, বেবেজীয়া, ২৬ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো বলিছে নিৰ্বাচনী গৰম বতাহ। জিলাখনৰ প্ৰতিটো পঞ্চায়তলে চলিছে প্ৰাৰ্থীসকলৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ। ইয়াৰ মাজতে জিলাখনৰ ধিং সমষ্টিৰ এলেকাধীন ধনীয়াভেটি পঞ্চায়তৰ ১০ নং লালুংগাঁও ৱাৰ্ডত সংঘটিত হৈছে নিৰ্বাচনকেন্দ্ৰিক হিংসাত্মক ঘটনা। প্ৰাপ্ত অভিযোগ অনুসৰি ১০ নং ৱাৰ্ডৰ এগৰাকী প্ৰাৰ্থী জানমণি বেগমৰ নিৰ্বাচনী কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হৈছিল। সেই সময়তে বিজেপি দলৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী ৰেবিনা ইয়াছমিনে ভোট বিচাৰি আহিছিল। আঞ্চলিক সদস্যৰ প্ৰাৰ্থীগৰাকী উভতি যোৱাৰ পিছতে হঠাৎ এটা ১০-১৫ জনীয়া গুণ্ডাৰ দলে হাতে হাতে দা, ৰড, লাঠী আদি লৈ ৰাইজক আক্ৰমণ কৰে। আকস্মিকভাৱে হোৱা এই আক্ৰমণত মূকবধিৰ যুৱক, মহিলাসহ প্ৰায় ১২ জন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। লগে লগে আহতসকলক চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰা হয়। পিছত ঘটনাৰ খবৰ পাই বটদ্ৰৱা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে তিনিজন অভিযুক্তক আটক কৰে। ইফালে, উক্ত ঘটনা সংক্ৰান্তত ৰাইজৰ হৈ মোচ্চাবিৰ আলম আৰু ছাইফুল ইছলামে বটদ্ৰৱা থানাত ইতিমধ্যে এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। ৰাইজৰ অভিযোগ মতে, সমগ্ৰ ঘটনাৰ অন্তৰালত ১০ নং ৱাৰ্ডৰ অন্য এগৰাকী প্ৰাৰ্থী ছাবিনা আখতাৰ জড়িত হৈ আছে।

# পশ্চিম যোৰহাটত ৰঙালী বিহু সন্মিলনৰ আয়োজন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৬ এপ্ৰিলঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পশ্চিম যোৰহাট আঞ্চলিক সমিতিয়ে ২৭ এপ্ৰিলত স্বৰ্গদেউ চাওলুং ছ্যুকাফা সমন্বয় ক্ষেত্ৰৰ সন্মুখৰ মুকলি বাকৰিত ৰঙালী বিহু সন্মিলন অনুষ্ঠিত কৰিব। পুৱা পৰিষদৰ পতাকা উত্তোলন, বিহুৱান উত্তোলন, তৰ্পণৰ পিছতে শিশু, কিশোৰ-কিশোৰীসকলে নৃত্য প্ৰদৰ্শন কৰিব। বয়োজ্যেষ্ঠ ব্যক্তিক বিহুৱান প্ৰদানৰ পিছতে মৌ-কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতে পুৰস্কাৰ প্ৰদান আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনাব। সাংস্কৃতিক অনুষ্ঠানত ভালেকেইগৰাকীয়ে গীত পৰিৱেশন কৰিব। ইফালে, আজি শৈক্ষিক প্ৰতিষ্ঠান নেইমছত স্থানীয় লোকসকলে বিহু প্ৰদৰ্শনৰ আয়োজন কৰিছে। বৃহত্তৰ পশ্চিম যোৰহাট ৰঙালী বিহু সন্মিলন পুলিবৰত ৩ মে'ত অনুষ্ঠিত কৰিবলৈ অঞ্জন দত্তক সভাপতি, সঞ্জীৱ বৰুৱাক কাৰ্যকৰী সভাপতি, সমীৰণ বৰা, প্ৰদীপ বৰাক সম্পাদক, প্ৰদীপ নেওগক কোষাধ্যক্ষ, বিতু বৰাক সাংস্কৃতিক সম্পাদক, অৰুণ বৰপাত্ৰগোহাঁইক মুখ্য ব্যৱস্থাপক, প্ৰশান্ত বৰা, ৰাজ বাঢ়ৈ বৰা, সত্যম গন্ধিয়া, ডঃ হৰেশ্বৰ দাসক ব্যৱস্থাপক হিচাপে লৈ গঠন কৰা সমিতিখনে প্ৰস্তুতি চলাইছে। সেইদিনা পুৱাৰে পৰা ক্ৰমে পতাকা উত্তোলন, স্মৃতি তৰ্পণ, হুঁচৰি প্ৰদৰ্শনৰ পিছতে নিশালৈ ৰিচা ভৰদ্বাজে গীত পৰিৱেশন কৰিব। পৰ্বতীয়া গাঁৱৰ যুৱক-যুৱতীসকলে শংকৰদেৱ পাঠাগাৰ ৰংগমঞ্চ সৰগজ্যোতি মইনা পাৰিজাতৰ সহযোগত পৰ্বতীয়া গাঁৱৰ ৰংগমঞ্চত ১০ মে'ত ব'হাগী উৎসৱ পালন কৰিব। সেইদিনা পুৱা পতাকা উত্তোলন, গছপুলি ৰোপণ, শ্বহীদ বিপিন বৰাৰ সমাধিত তৰ্পণৰ পিছতে চিত্ৰাংকণ, সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতে প্ৰতিযোগিতাত স্থানপ্ৰাপ্তক পুৰস্কাৰ প্ৰদান আৰু বয়োজ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জনাব। নিশাৰ সাংস্কৃতিক অনুষ্ঠানত লোকবাদ্য প্ৰদৰ্শনৰ পিছতে নিয়ৰ বিকাশ, বৰষা ৰাজকুমাৰীয়ে গীত পৰিৱেশন কৰিব। পূৰ্বোদয় যুৱ মঞ্চই পঞ্চদশ বাৰ্ষিক ব'হাগী উৎসৱ পৰ্বতীয়া উপ-স্বাস্থ্য কেন্দ্ৰ প্ৰাংগণত ১২ মে'ত অনুষ্ঠিত কৰিব। পুৱা পতাকা উত্তোলনৰ পিছতে দুটা শাখাত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশালৈ মাধৱ ৰঞ্জনে গীত পৰিৱেশন কৰাৰ লগতে লোকবাদ্যৰ সুৰ সমলয় আৰু বয়োজ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জনাব। ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৰবৈয়াজানৰ দলঙৰ সমীপৰ মুকলি পথাৰত স্থানীয় যুৱকসকলে ৰঙালী বিহু সন্মিলন অনুষ্ঠিত কৰিবৰ বাবে ইতিমধ্যে সমিতি গঠন কৰি প্ৰস্তুতি চলাইছে।

# নলবাৰীত বিশ্ব পশু চিকিৎসা দিৱস পালন

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৬ এপ্ৰিলঃ** অসম পশু পালন আৰু পশু চিকিৎসা সেৱা সন্থা তথা অসম পশু চিকিৎসা পৰিষদৰ উদ্যোগত আৰু অসম পশুপালন আৰু পশু চিকিৎসা সেৱা সন্থাৰ নলবাৰী শাখাৰ সহযোগত আজি নলবাৰী চ'ক বজাৰৰ শিক্ষা ভৱনত বিশ্ব পশু চিকিৎসা দিৱস পালন কৰা হয়। পুৱা দহ বজাত অসম পশু পালন আৰু পশু চিকিৎসা সেৱা সন্থাৰ সভাপতি ডাঃ অৱনী কুমাৰ চৌধুৰীৰ সভাপতিত্বত সম্বৰ্ধনা আৰু মুকলি সভা অনুষ্ঠিত হয়। নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি ডাঃ সমৰ তালুকদাৰে আদৰণী ভাষণ দিয়া আৰু পৰিচালনা কৰা অনুষ্ঠানটোত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অতিৰিক্ত সঞ্চালক ডাঃ প্ৰবীণ কুমাৰ দাস, পশু চিকিৎসাৰ সহযোগী সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° হিৰণ্য কুমাৰ ভট্টাচাৰ্য, সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদকপ্ৰধান পংকজ বৰ্মন, বিশিষ্ট সাহিত্যিক-কবি, ঔপন্যাসিক পংকজ গোবিন্দ মেধি, অসম পশু চিকিৎসা সেৱা সন্থাৰ সাঃ সম্পাদক ডাঃ কংকণ কলিতা, ডাঃ পবিত্ৰ পাতৰ, অসম পশুপালন আৰু পশু চিকিৎসা সেৱা সন্থাৰ নলবাৰী জিলাৰ সভাপতি ডাঃ সুবোধ বৰ্মন, সম্পাদক ডাঃ প্ৰমোদ কুমাৰ পাটোৱাৰী আদি উপস্থিত থাকে। উক্ত অনুষ্ঠানতে 'পশুধন দৰ্পণ' উন্মোচন কৰা হয়।

# কাকপথাৰৰ সৰবৰহী ব্যক্তি কিশোৰ চেতিয়াৰ বিয়োগ

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৬ এপ্ৰিলঃ** কাকপথাৰ চহৰৰ সমীপৱৰ্তী চেলেংগুৰি গাঁও নিবাসী, সৰবৰহী ব্যক্তি কিশোৰ চেতিয়া (৬৮) ৰ আজি ডুমডুমাৰ ৰূপাই চাইডিংস্থিত ডাঃ ডি চি বৰা নাৰ্চিংহোমত প্ৰেছাৰ ষ্ট্ৰ'ক হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ, বোৱাৰী, নাতিনী আৰু ভাতৃ, বোৱাৰী, ভতিজাক এৰি যায়। জীৱনকালত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনৰ সৈতে জড়িত থকা কিশোৰ চেতিয়াই কুমচাং-চেলেংগুৰি নামঘৰ পৰিচালনা সমিতিৰ সভাপতি, কুমচাং-চেলেংগুৰি ৰাজহুৱা পুথিভঁৰালৰ প্ৰতিষ্ঠাপক উপদেষ্টা, আলোক সন্ধানী যুৱ সংঘ, চেলেংগুৰিৰ উপদেষ্টা, কাকপথাৰ সমবায় সমিতিৰ সভাপতি, আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদৰ কুমচাং আঞ্চলিক সমিতিৰ তদানীন্তন সভাপতি হিচাপে জড়িত হৈ ৰাইজৰ হকে সেৱা আগবঢ়াই গৈছিল। তেওঁৰ মৃত্যুৱে বৃহত্তৰ কাকপথাৰ অঞ্চলত শোকৰ ছাঁ পেলাইছে। আজি বিয়লি তেওঁৰ পৰিয়াল, আত্মীয়-স্বজন আৰু গুণমুগ্ধৰ উপস্থিতিত নিজ বাসগৃহ চৌহদত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। কিশোৰ চেতিয়াৰ মৃত্যুত কুমচাং-চেলেংগুৰি নামঘৰ পৰিচালনা সমিতিয়ে বিদেহ আত্মাৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# ৫৭ সংখ্যক ন-মাটি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদযাপনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, হাওৰাঘাট, ২৬ এপ্ৰিলঃ** চিৰসেউজ কাৰ্বি আংলং জিলাৰ ৫৭ সংখ্যক নমাটি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদযাপনক লৈ সমিতিয়ে অব্যাহত ৰাখিছে ব্যাপক প্ৰস্তুতি। ২ আৰু ৩ মে'ত আয়োজিত দুদিনীয়া বৰ্ণিল কাৰ্যক্ৰমণিকাৰে হেঁপাহৰ ৰঙালী বিহু উৎসৱক লৈ আয়োজক সমিতিৰ সভাপতি-সম্পাদক, উপদেষ্টামণ্ডলীকে প্ৰমুখ্য কৰি সকলো বিষয়ববীয়াই পালন কৰি আহিছে নিজৰ নিজৰ দায়িত্বসমূহ। ২ মে'ৰ পুৱা ৮ বজাত বিহু পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, পৰম্পৰাগত খেল-ধেমালি, কুইজ আৰু চিত্ৰাংকণ প্ৰতিযোগিতা, পিঠাপনা প্ৰতিযোগিতা আদিৰ সমান্তৰালকৈ আবেলি ২ বজাত জেং বিহু প্ৰতিযোগিতাৰ লগতে সন্ধিয়া ৭ বজাত কাৰ্বি পৰিষদৰ পৰ্যটন আৰু জলসম্পদ বিভাগৰ কাৰ্যবাহী সদস্য ৰিতেশ ইংহিয়ে উদ্বোধন কৰা সদৌ অসম ভিত্তিত - আয়োজন কৰা অনুষ্ঠানটো মুকলি বিহু প্ৰতিযোগিতা, বিহুৱতী প্ৰতিযোগিতৈ আৰু বিহু পৰী প্ৰতিযোগিতা। ইচ্ছুক প্ৰতিযোগীক অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে আয়োজক সমিতিয়ে। সবিশেষ জানিবলৈ যোগাযোগ কৰিব পাৰে 86386 86662 আৰু 70029 36433 নম্বৰত। ইফালে ৩ তাৰিখে সন্ধিয়াৰ বিশেষ অনুষ্ঠানৰ মুখ্য আকৰ্ষণ উদীয়মান সংগীত শিল্পী তেজপুৰৰ পৰা অহাঁ উৎপল মোহন আৰু প্ৰণামী কলিতাৰ গীতৰ শৰাই। ৫৭ সংখ্যক নমাটি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদযাপন সমিতিৰ সভাপতি-ৰাতুল স্বৰ্গীয়াৰী আৰু সম্পাদক অনিল দাসৰ লগতে জেষ্ঠ উপদেষ্টামণ্ডলী সুচন্দ্ৰ নাথ বায়নে চৰকাৰে বিহু সমিতিলৈ আগবঢ়োৱা উপহাৰৰ বাবে কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য ৰিতেশ ইংহিক ধন্যবাদৰ লগতে ৰঙালী বিহুৰ শুভেচ্ছা জনায়।

# 'ভয়-ভাবুকিৰে পঞ্চায়তত প্ৰতিদ্বন্দ্বিতাৰ পৰা বাৰণ কৰা হৈছে কংগ্ৰেছ দলৰ প্ৰাৰ্থীক'

**ই-সংবাদ, ভৱানীপুৰ, ২৬ এপ্ৰিলঃ** ভৱানীপুৰত ক্ৰমান্বয়ে তুংগত উঠা পৰিলক্ষিত হৈছে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্য আৰু মিত্ৰজোঁটৰ নিৰ্বাচনী প্ৰচাৰ। ইয়াৰ মাজতে আজি বজালী জিলা কংগ্ৰেছৰ সভাপতি নিৰ্মল দাসে অনুষ্ঠিত হ'বলগীয়া আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিভিন্ন ভয়-ভাবুকিৰ মাজতো কংগ্ৰেছ তথা বিৰোধী ঐক্যৰ প্ৰাৰ্থীয়ে ভাল ফল দেখুৱাব বুলি দাবী কৰিছে। আজি কংগ্ৰেছ দলৰ ১ নং ভৱানীপুৰ-সৰুপেটা জিলা পৰিষদৰ প্ৰাৰ্থী প্ৰশান্ত কুমাৰ শৰ্মা, ৫ নং নিজ ভৱানীপুৰৰ কাউন্সিলৰ প্ৰাৰ্থী পিংকুমণি ৰয় আৰু ৩ নং গলিয়া গাঁও পঞ্চায়তৰ কাউন্সিলৰ প্ৰাৰ্থী কিশোৰ মেধিৰ হৈ অঞ্চলটোৰ বিভিন্ন এলেকাত ঘৰে ঘৰে গৈ প্ৰচাৰ কাৰ্য চলোৱাৰ পিছতেই সন্ধিয়া ভৱানীপুৰত সাংবাদিকৰে বাৰ্তালাপত কংগ্ৰেছ নেতাগৰাকীয়ে কোনো দলৰ নাম নোলোৱাকৈ আঞ্চলিক পঞ্চায়তত মনোনয়ন দাখিলৰ বাবে সাজু হৈ থকা তেওঁলোকৰ দলৰ প্ৰাৰ্থীক ভয়-ভাবুকি আৰু প্ৰলোভনৰ জৰিয়তে মনোনয়ন দাখিলৰ পৰা বাৰণ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। ইতিমধ্যে বজালী জিলাত জিলা পৰিষদৰ মুঠ ৫ খন আসনৰ ৪ খনত কংগ্ৰেছ দলে পোনপটীয়াকৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ লগতে এখন আসন বিৰোধী ঐক্যৰ প্ৰাৰ্থীক এৰি দিয়া হৈছে বুলি জানিবলৈ দিয়ে। আনহাতে জিলাখনৰ আঞ্চলিক পঞ্চায়তৰ মুঠ ২৭ খন আসনৰ ১৩ খন আসনত কংগ্ৰেছ দলটোৱে পোনপটীয়াকৈ প্ৰতিদ্বন্দ্বিতা কৰাৰ লগতে ৬ খন আসন বিৰোধী ঐক্যৰ প্ৰাৰ্থীক এৰি দিয়া হৈছে বুলি জানিবলৈ দিয়ে। আন ৪ খন আসনত প্ৰাৰ্থী দিব পৰা নগ'ল বুলিও তেওঁ জানিবলৈ দিয়ে। তথাপি ৰাজ্যৰ শাসনাধীন হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰ স্বৈৰাচাৰী নীতিৰ প্ৰতি বিতুষ্ট ৰাইজে কংগ্ৰেছ দলক আঁকোৱালি লোৱা বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে যুৱ কংগ্ৰেছৰ ৰাজ্যিক সম্পাদক দীপাংকৰ দাসে জাতিৰ পিতা মহাত্মা গান্ধীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে গ্ৰামাঞ্চলৰ উন্নয়নৰ যি সপোন দেখিছিল, সেই সপোন একমাত্ৰ কংগ্ৰেছ দলেহে ৰূপায়ণ কৰিবলৈ সক্ষম বুলি মন্তব্য কৰে।

# লাহোৱাল এছ.কে.এছ. ইংলিছ একাডেমীত ৰঙালী বিহু উপলক্ষে সাংস্কৃতিক অনুষ্ঠান সম্পন্ন


**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৬ এপ্ৰিলঃ** লাহোৱাল অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান এছ কে এছ ইংলিছ একাডেমী প্ৰাংগণত আজি বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত ৰঙালী বিহু উপলক্ষে গীত-মাতৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এছ কে এছ ইংলিছ একাডেমীৰ মুখ্য পৰিচালন সঞ্চালক ড০ দয়ানন্দ শ্বাহে আঁত ধৰা অনুষ্ঠানত লাহোৱাল প্ৰেছ ক্লাবৰ উপদেষ্টা মুক্তামণি হাজৰিকা, সভাপতি হোমেন ফুকন, উপ-সভাপতি ধৰণী গগৈ, সাধাৰণ সম্পাদক দিবাকৰ দত্ত, এছ কে এছ ইংলিছ একাডেমীৰ সঞ্চালিকা মুন শ্বাহ, এন চি চি বিষয়া মনোৰঞ্জন হাজৰিকা, 'দৈনিক অসম' কাকতৰ চাবুৱাৰ সাংবাদিক তপন কুমাৰ শইকীয়া, সাংবাদিক প্ৰাঞ্জল গগৈ, ফাৰহানা




চুলতানা, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নেতা হেমন্ত কুজুৰকে প্ৰমুখ্য কৰি বৃহত্তৰ অঞ্চলটোৰ বহুকেইগৰাকী নেতৃস্থানীয় ব্যক্তি উপস্থিত থাকে। বিগত বৰ্ষৰ দৰে এই বছৰো ছাত্ৰ-ছাত্ৰীসকলে হুঁচৰি, জেংবিহু আদি বিহুনৃত্য প্ৰদৰ্শন কৰি উপস্থিত সকলকে আপ্লুত কৰি তোলে।

# এনআৰএছ চেম্পিয়ন নগাঁৱত প্ৰাইজমানি ক্ৰিকেট সম্পন্ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৬ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ নগাবন্ধা মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এন আৰ এছ গ্ৰুপৰ উদ্যোগত আজি অনুষ্ঠিত সীমিত অভাৰৰ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত এন আৰ এছ ক্ৰিকেট দলে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ-১২ টা দলে যোগদান কৰা এই প্ৰতিযোগিতাৰ ৰোমাঞ্চকৰ ফাইনেলত এন আৰ এছ দলে গৰৈমাৰী ইয়ং ষ্টাৰ ক্লাবক ২ ৰাণত পৰাজিত কৰে। খেলখনত এন আৰ এছ দলে টছত জিকি পোনতে বেট ধৰি ৰাজা আলিৰ-২৮, ৰিপন হক চৌধুৰীৰ-২৪ আৰু ছমৰ আলিৰ-২১ ৰাণৰ উল্লেখ্যনীয় অৱদানৰে নিৰ্ধাৰিত ৮ অভাৰত চাৰিটা উইকেটৰ বিনিময়ত ৯৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত অভিজ্ঞতাসম্পন্ন কফিদুল ইছলামৰ অধিনায়কত্বৰ গৰৈমাৰী ইয়ংষ্টাৰ ক্লাবে মকিব আহমেদৰ-৫৯ ৰাণৰ উল্লেখ্যনীয় বৰঙনি স্বত্বেও ৮ অভাৰত আঠটা উইকেট হেৰুৱাই ৯৪ ৰাণহে কৰিবলৈ সক্ষম হয়। ইজাজুল হক আৰু ইব্ৰাহিম আলি আম্পায়াৰৰূপে থকা ফাইনেল খেলখনত গৰৈমাৰী ইয়ংষ্টাৰ ক্লাবৰ মকিব আহমেদ শ্ৰেষ্ঠ বেটছমেন আৰু এন আৰ এছৰ ৰিপন হক চৌধুৰী প্লেয়াৰ অব দ্যা মেচৰূপে পৰিগণিত হয়। এই প্ৰতিযোগিতা কৃতী শিক্ষকদ্বয় অকণমান কলিতা আৰু ৰফিকুল ইছলামে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল। খেলৰ অন্তত ক্ৰীড়া সংগঠক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে আঁত ধৰা সামৰণি অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী হামিদুৰ ৰহমান ছিদ্দীকি, দৌলত আলি খান, আনোৱাৰ হুছেইন আকন্দ, আশাদুৰ ৰহমান আকন্দ, ৰছিদুল খান, হেদায়েৎ খান, জুবেৰ খান, চফিউল্লাহ আৰু মেৰাজুল হক আদি উপস্থিত থাকি বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। উল্লেখ্য যে, ছেমিফাইনেলত এন আৰ এছ দলে বি এন এছক ৫০ ৰাণত আৰু গৰৈমাৰী ইয়ংষ্টাৰ ক্লাবে নগাবন্ধা স্কুল দলক ৩৫ ৰাণত হৰুৱাই ফাইনেলত উপনীত হৈছিল।



আইপিএল ২০২৫: খেলৰ পূৰ্বে অনুশীলনত ব্যস্ত কলকাতাৰ দুই তাৰকা নাৰিন আৰু পোৱেল




আইপিএল ২০২৫: কলকাতাৰ বিৰুদ্ধে ২৭ বলত দৰ্শনীয় অৰ্ধশতক পঞ্জাৱ কিংগছৰ প্ৰিয়াংশ আৰ্যৰ

## আইপিএল ২০২৫ৰ প্লে অফৰ দৌৰত দিল্লী, গুজৰাট, লক্ষ্ণৌ, পঞ্জাৱ

# বাংগালুৰুৱে দখল কৰিব নেকি প্ৰথমটো খিতাপ? হৰ্ষৰ ভৱিষ্যদ্বাণী

**নতুন দিল্লী, ২৬ এপ্ৰিলঃ** আইপিএল ২০২৫ প্লে অফৰ দৌৰক লৈ এতিয়া বিৰাজ কৰিছে চৰম উত্তেজনাই। ৰাজস্থান ৰয়েলছ আৰু চেন্নাই ছুপাৰ কিংছে সৰ্বাধিক ১৪ পইন্ট লাভ কৰিবলৈ সক্ষম হ'ব যদিও বাকীসকলে এতিয়াও ১৪ বা তাতকৈ অধিক পইন্ট সংগ্ৰহ কৰি প্লে অফত স্থান নিশ্চিত কৰাৰ যুঁজত আছে। বৰ্তমান পইন্ট তালিকাৰ শীৰ্ষত আছে গুজৰাট টাইটানছ আৰু দিল্লী কেপিটেলছ। গুজৰাট আৰু দিল্লীয়ে ৮খন খেলৰ ভিতৰত ৬খন খেলত জয়লাভ কৰি ১২ পইন্টকৈ সংগ্ৰহ কৰিছে। আনহাতে, বাংগালুৰু ৯খন খেলৰ পৰা ১২ পইন্ট লাভ কৰি শীৰ্ষ গ্ৰুপত আছে। মুম্বাই ইণ্ডিয়ানছ, পঞ্জাৱ কিংছ আৰু লক্ষ্ণৌ ছুপাৰজায়েণ্টছে ১০ পইন্টকৈ সংগ্ৰহ কৰিছে। কলকাতা নাইট ৰাইডাৰ্ছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত ৬ পইন্ট পিছ পৰি আছে। এই ছিজনত গুজৰাট, দিল্লী, বাংগালুৰু, মুম্বাই, পঞ্জাৱ আৰু লক্ষ্ণৌৰ উৎকৃষ্ট প্ৰদৰ্শনে ক্ৰিকেট জগতখনক স্তম্ভিত কৰি তুলিছে। বিশেষজ্ঞসকলে এই ছয়টা দলক প্লে অফৰ মূল প্ৰতিদ্বন্দ্বী হিচাপে লৈছে। ইফালে জনপ্ৰিয় ধাৰাভাষ্যকাৰ হৰ্ষ ভোগলেয়ে আইপিএল ২০২৫ৰ সম্ভাব্য চেম্পিয়ন দলৰ ভৱিষ্যদ্বাণী কৰিছে। 'ক্ৰিকবাজ'ৰ সৈতে হোৱা এক বাৰ্তালাপত তেওঁ মুম্বাই ইণ্ডিয়ানছ, ৰয়েল চেলেঞ্জাৰছ বাংগালুৰু, দিল্লী কেপিটেলছ, গুজৰাট টাইটানছ আৰু পঞ্জাব কিংছক এইবাৰৰ ট্ৰফীৰ ডাঙৰ প্ৰতিদ্বন্দ্বী হিচাপে চিনাক্ত কৰে। অৱশ্যে অৱশেষত তেওঁ স্পষ্ট কৰি দিলে যে ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৰ ওপৰত তেওঁৰ বিশেষ আস্থা আছে। হৰ্ষ ভোগলেয়ে কয় যে এইবাৰ দিল্লী কেপিটেলছৰ প্ৰদৰ্শনে তেওঁক সঁচাকৈয়ে আচৰিত কৰি তুলিছে আৰু তেওঁলোকে দেখুওৱা ধাৰাবাহিকতাক লৈ তেওঁ আপ্লুত হৈছে। ইয়াৰ সমান্তৰালকৈ তেওঁ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ প্ৰদৰ্শনত হতাশাও প্ৰকাশ কৰে। উল্লেখ্য যে, এইবাৰ ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৱে প্ৰথমটো ট্ৰফী লাভৰ বাবে চেষ্টা চলাইছে। আইপিএলৰ অন্যতম পুৰণি ফ্ৰেঞ্চাইজি হোৱাৰ পাছতো বাংগালুৰুৱে এতিয়াও এটাও খিতাপ দখল কৰিব পৰা নাই। আইপিএল ২০২৫ৰ ৪৩ সংখ্যক খেলৰ পাছত বাংগালুৰুৱে ৯খন খেলত ৬ খন জয় আৰু ৩ খন পৰাজয়ৰে ১২ পইন্ট লাভ কৰিছে। বৰ্তমান দলটোৰ নেট ৰাণ ৰেট +০.৪৮২।



বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি